


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩০৫ ■ গুৱাহাটী ■ মঙলবাৰ, ১৪ জুন, ২০২২, ৩০ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 305 Dainandin Barta ■ Guwahati, Tuesday ■ 14 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




তেজপুৰৰ উপায়ুক্ত সন্মিলন

## নিশা ডেৰ বজালৈকে কাম কৰিলে বিত্তমন্ত্ৰী অজন্তা নেওগে

মন্ত্ৰী ৰঞ্জিত দাসে ক'লে— অমৃত সৰোবৰ আঁচনিৰ অধীনত ৰাজ্যত ৩০৭টা পুখুৰী খন্দা হ'ব

২৩ জুন আন্তঃৰাষ্ট্ৰীয় বিধৱা দিৱসৰ দিনটোত ১ লাখ টকাকৈ দুখীয়া বিধৱাক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৩ জুন ঃ** নিশা ডেৰ বজালৈকে কাম কৰে বিত্তমন্ত্ৰী অজন্তা নেওগে। যোৱা ১১ মে'ত তেজপুৰ সন্মিলন কেন্দ্ৰত অসম চৰকাৰৰ মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত ■ ৮ পৃষ্ঠাত



## বৰুণডাংগাত যাত্ৰীবাহী বাছ দুৰ্ঘটনাগ্ৰস্ত

পাঁচগৰাকী যাত্ৰী গুৰুতৰভাৱে আহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১৩ জুন ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত বৰুণডাংগা গাঁৱত আজি বিয়লি এখন যাত্ৰীবাহী বাছ দুৰ্ঘটনাগ্ৰস্ত হোৱাত বাছখনত থকা যাত্ৰীসকল আহত হয়। জানিব পৰা মতে এ এছ-১৭ বি-২৮১২ নম্বৰৰ 'জয় বাবা লোকনাথ' নামৰ যাত্ৰীবাহী বাছখনে ৩০গৰাকী যাত্ৰী লৈ আজি আবেলি ধুবুৰী-কচুগাঁও ■ ৮ পৃষ্ঠাত

**দেশ এতিয়া সলনি হৈছে ঃ ৰাহুল গান্ধীলৈ ই ডিৰ চমন সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া**

# অসমত এতিয়া বিজেপিয়েই ল'ব লাগিব বিৰোধীৰ ভূমিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৩ জুন ঃ** কোনো লোকক ই ডিয়ে চমন জাৰি কৰিলে হাজিৰ হোৱাটো বাধ্যতামূলক। কিন্তু তাকে নকৰি মনোনয়ন পত্ৰ দাখিলৰ দৰে ৰেলি উলিয়াই শোভাযাত্ৰা কৰি ই ডিক ভয় দেখুৱাব বিচাৰিছে ৰাহুল গান্ধীয়ে। উল্লেখ্য যে, দেশজুৰি চৰ্চিত হেৰল্ড কেলেংকাৰীক লৈ কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীক ই ডিয়ে ■ ৮ পৃষ্ঠাত

## তুলিৰামেই পুনৰ মুখ্য কাৰ্যবাহী সদস্য হোৱাৰ ইংগিত মুখ্যমন্ত্ৰী হিমন্তৰ





এইখন দেশত টিভিতকৈ অধিক ব্যয়বহুল

## এক পেকেট কণ্ডমৰ মূল্য ৬০,০০০ টকা !

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ জুন ঃ** অৰ্থনৈতিক সংকটে গ্ৰাস কৰা শ্ৰীলংকাৰ খবৰ নহয় এয়া, বিশ্বৰ আন এখন দেশত এতিয়া কণ্ডম এপেকেটৰ দাম টি ভি এটাৰ দামতকৈও বেছি হৈছে। শেহতীয়াকৈ, ভেনিজুৱেলাত কণ্ডমৰ মূল্যই সমগ্ৰ বিশ্বতে এক আলোড়নৰ সৃষ্টি কৰিছে। জানিব পৰা গৈছে যে সেই দেশত কণ্ডমৰ পেকেটৰ মূল্য এতিয়া প্ৰায় ৬০,০০০ টকা। আপুনি কেতিয়াবা শুনিছে যে কণ্ডমৰ মূল্য ৬০,০০০ টকা ক'ৰবাত হৈছে বুলি। আপুনি হয়তো কেতিয়াও ইমান ব্যয়বহুল কণ্ডমৰ বিষয়ে শুনা নাই। অৱশ্যে, ■ ৮ পৃষ্ঠাত

## হেৰল্ড কেলেংকাৰিত জড়িত নহয় বুলি প্ৰমাণ কৰক কংগ্ৰেছৰ যুৱৰাজে



শিক্ষকৰ মুখা পিন্ধি অন্য বৃত্তিত জড়িতসকলৰ বিৰুদ্ধেও সৰৱ মুখ্যমন্ত্ৰী

## 'মেট্ৰিকৰ ফলাফলক লৈ মই অসন্তুষ্ট নহয়'

**বেয়া ফলাফল দেখুওৱা ১০৩খন বিদ্যালয়ৰ সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰা হ'ব**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৩ জুন ঃ** ক'ভিডৰ বাবে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ যোৱা আঢৈ বছৰ ধৰি বন্ধ হৈ আছিল। তাৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ মেট্ৰিকৰ ফলাফলক লৈ মই অসন্তুষ্ট নহয়। যাঠি শতাংশ মানে যথেষ্ট ভাল ফলাফল বুলি ক'ব পাৰি। কাৰণ ছমাহ আমাৰ অসমীয়া মাধ্যমৰ ল'ৰা-ছোৱালীৰ হাতততো ম'বাইল ফোন নাছিল। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ■ ৮ পৃষ্ঠাত



## বঙাইগাঁৱত এনডিএফবিৰ নামত শিক্ষকক ২০ লাখ টকা দাবী

আৰক্ষীৰ জালত দুই যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৩ জুন ঃ** বঙাইগাঁৱত এনডিএফবিৰ নামত শিক্ষক এজনক ধন দাবী কৰি আৰক্ষীৰ জালত পৰিল দুই যুৱক। আৰক্ষীয়ে কৰায়ত্ত কৰা যুৱকদ্বয় হৈছে বঙাইগাঁও চহৰৰ শালবাৰীৰ অভিজিৎ সৰকাৰ (২২) ■ ৮ পৃষ্ঠাত

৭ জুলাইৰ পৰা অসমত আৰম্ভ হ'ব অৰুণোদয় মাহ

## এইবাৰ হিতাধিকাৰী জৰীপ কৰিব ২০ হাজাৰ এনচিচি কেডাৰে

■ মুখ্যমন্ত্ৰীক এঘণ্টাকৈ আঁচনিৰ খতিয়ান দাঙি ধৰিলে ৩৫ উপায়ুক্তই

■ ছমাহৰ ভিতৰত তেজপুৰত অনুষ্ঠিত হ'ব আৰক্ষী অধীক্ষকৰ সন্মিলন





**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৩ জুন ঃ** সৰ্বমুঠ সময় ৩৫ ঘণ্টা। এই সময়ৰ ভিতৰতে ৰাজ্যৰ ৩৫ খন জিলাৰ ৩৫ জন উপায়ুক্তই দাখিল কৰিলে নিজ নিজ এলেকাৰ কামৰ খতিয়ান। প্ৰত্যেকজনৰ বাবে নিৰ্ধাৰিত সময় মাথো এঘন্টাহে। সন্মুখৰ আসনত মুখ্যমন্ত্ৰীসহ আন কেবাজনো প্ৰভাৱশালী মন্ত্ৰী আৰু শীৰ্ষ আমোলা। এই প্ৰক্ৰিয়া বাতৰি লিখা পৰলৈকে অব্যাহত আছে। উল্লেখ্য যে, উপায়ুক্তসকলক লৈ তেজপুৰৰ বাটমাৰীৰ নৱ নিৰ্মিত সন্মিলন কক্ষত অনুষ্ঠিত হৈ থকা সন্মিলনত প্ৰত্যেকখন ■ ৮ পৃষ্ঠাত

প্ৰাথমিক টে'ট নিযুক্তিত দুৰ্নীতিৰ তদন্ত কৰিব চিবিআয়ে, ২৬৯জনে হেৰুৱালে চাকৰি

## মাত্ৰ ১ নম্বৰেই হ'ব পাৰে কাল



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ জুন ঃ** চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এছএলএছচিৰ পিছত এইবাৰ ২০১৪ চনৰ প্ৰাথমিক শিক্ষক নিযুক্তিৰ (প্ৰাথমিক টিইটি) চিবিআই তদন্ত ঘোষণা কৰিলে পশ্চিমবংগত। কলকাতা উচ্চ ন্যায়ালয়ৰ মতে অবৈধভাৱে নিযুক্তি পোৱা ২৬৯জন লোকে চাকৰি হেৰুৱাব। তেওঁলোকৰ দৰমহা বন্ধ কৰাৰ উপৰি, তেওঁলোকক বিদ্যালয়ত প্ৰৱেশ কৰাৰ ■ ৮ পৃষ্ঠাত

## সোণাৰিৰ বিদ্যালয়ত শিক্ষকৰ অভাৱ

**টীয়ক পদুমণি প্ৰাথমিক বিদ্যালয়ত তলা লগালে অভিভাৱক তথা পৰিচালনা সমিতিয়ে**

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১৩ জুন ঃ** ৰাজ্যৰ শিক্ষা খণ্ডৰ ব্যাপক উন্নয়ন হোৱা বুলি চৰকাৰে ঢাক-ঢোল বজাই প্ৰচাৰ কৰিলেও আচলতে এয়া যে সত্য নহয় সেই কথা পুনৰবাৰ প্ৰতীয়মান হৈছে সোণাৰিত। চৰাইদেউ জিলাৰ শিক্ষানুষ্ঠানসমূহত কিছু দিন পূৰ্বে গুণোৎসৱ অনুষ্ঠিত হ'ল যদিও সেই গুণোৎসৱে প্ৰকৃততে কাক লাভৱান্বিত কৰিব সেই কথা অনাগত ■ ৮ পৃষ্ঠাত

## পুনৰ দুই ছাত্ৰীৰ নিৰুদ্দেশক লৈ ৰহস্য

**সামাজিক মাধ্যমত ষ্টেটাচ দি নিৰুদ্দেশ টীয়ক মুদৈজানৰ দুই শিক্ষাৰ্থী**



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৩ জুন ঃ** সামাজিক মাধ্যমত ষ্টেটাচ লিখি অন্তৰ্ধ্যান হ'ল টীয়কৰ দুই শিক্ষাৰ্থী। টীয়কৰ ■ ৮ পৃষ্ঠাত

## ৩১খন বিশ্ববিদ্যালয়ৰ আচাৰ্য হ'ব মুখ্যমন্ত্ৰী মমতা



ৰাজ্যপালৰ সন্মতিৰ বাবে অপেক্ষা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ জুন ঃ** ৰাজ্যপালক অপসাৰণ কৰি মুখ্যমন্ত্ৰীক উচ্চ শিক্ষা বিভাগৰ অধীনত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদলৈ অনাৰ বাবে আজি পশ্চিমবংগ বিধানসভাত এখন বিধেয়ক গৃহীত কৰা হৈছে। বিৰোধী দলৰ নেতা শুভেন্দু অধিকাৰীয়ে কয় যে তেওঁলোকে এহ ■ ৮ পৃষ্ঠাত

প্ৰশিক্ষণৰ সময়তে অঘটন

## আমেঠিত ভাগি পৰিল বিমান

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ জুন ঃ** উত্তৰ প্ৰদেশত আজি সংঘটিত হয় এক বিমান দুৰ্ঘটনাৰ ঘটনা। ৰাজ্যখনৰ আমেঠিত আজি প্ৰশিক্ষণৰ সময়তে ভাগি পৰে এখন সৰু বিমান। অৱশ্যে সৌভাগ্যক্ৰমে বিমানখনত থকা পাইলটগৰাকীৰ প্ৰাণ ৰক্ষা পৰে। আমেঠিৰ প্ৰশাসনে প্ৰকাশ কৰা মতে সোমবাৰে আমেঠি-ৰায়বেৰেলী সীমান্তৰ মহম্মদপুৰ চুৰাই গাঁৱৰ ওচৰত বিমানখন প্ৰশিক্ষণৰ ■ ৮ পৃষ্ঠাত

ধোঁৱাচাঙত শিশু সুৰক্ষা আইন

## সশস্ত্ৰ সীমাবলৰ কৰ্মীয়ে কিশোৰীক পৰিকল্পিতভাৱে হত্যা কৰি আত্মহত্যাৰ ৰহণ সনাৰ অভিযোগ

ধৰ্ষণ কৰি হত্যাৰ অভিযোগেৰে পিতৃৰ এজাহাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দিপীলা, ১৩ জুন ঃ** এগৰাকী কিশোৰীৰ মৃত্যুক কেন্দ্ৰ কৰি দৰঙত তীব্ৰ চাঞ্চল্য। মঙলদৈৰ সমীপৱৰ্তী ধূলাত এজনী ১৩ বছৰীয়া কিশোৰীক ধৰ্ষণ কৰি হত্যা কৰাৰ অভিযোগ পৰিয়ালৰ। ঘটনা সন্দৰ্ভত পৰিয়ালৰ ধূলা থানাত এজাহাৰ দাখিলে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিগত দুবছৰে এহাল সশস্ত্ৰ সীমাবলত কৰ্মৰত দম্পতীৰ সন্তানৰ ৰখীয়া হিচাপে নিযুক্ত কিশোৰীজনীক পৰিকল্পিতভাৱে হত্যাৰ পাছতো ■ ৮ পৃষ্ঠাত

## ৩০ জুনত মুকলি হ'ব কেএচিৰ কাৰ্যালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৩ জুন ঃ** কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অস্থায়ী কাৰ্যালয়টো অহা ৩০ জুনত মুকলি কৰা হ'ব। আজি বঙাইগাঁও জিলাৰ ■ ৮ পৃষ্ঠাত

# ক'ভিড এতিয়াও শেষ হোৱা নাই স্কুলীয়া শিশুৰ টিকাকৰণ বৃদ্ধি কৰক



ৰাজ্যসমূহক কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীৰ সতৰ্কবাণী

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৩ জুন ঃ** দেশত এতিয়াও আঁতৰা নাই ক'ভিডৰ আতংক। এনে সময়তে শিশুসকলৰ টিকাকৰণ বৃদ্ধিৰ নিৰ্দেশ দিছে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীয়ে। চতুৰ্থ ঢৌৰ আশংকাৰ মাজতে, কেন্দ্ৰই ৰাজ্যসমূহক সতৰ্ক কৰি দিছে 'ক'ভিড-১৯ এতিয়াও শেষ হোৱা নাই'। এনে সতৰ্কবাণী প্ৰদান কৰি কেন্দ্ৰই ৰাজ্যসমূহক টিকাকৰণৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডৱিয়াই ৰাজ্য, কেন্দ্ৰীয়শাসিত এলেকা আদিত ক'ভিডৰ নিৰীক্ষণ শক্তিশালী কৰিবলৈ আৰু দেশত নতুন ক'ভিড-১৯ ৰ প্ৰকাৰ চিনাক্ত কৰাৰ বাবে জিনম অনুক্ৰমৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। স্বাস্থ্যমন্ত্ৰী আৰু ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে 'হৰঘৰদাসক ২.০ অভিযান' নামৰ টিকাকৰণ ■ ৮ পৃষ্ঠাত







## মৰাণত সমাজকৰ্মী মুংগীলাল আগৰৱালা সোঁৱৰণী পুথিভঁৰাল উদ্বোধন মন্ত্ৰী বিমল বড়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৩ জুন ঃ** মৰাণ অঞ্চলৰ বিশিষ্ট নাগৰিক, মৰাণ নাট্য সমাজৰ প্ৰতিষ্ঠাপক সভাপতি, মৰাণ লায়ন্স ক্লাবৰ প্ৰাক্তন সভাপতি, মৰাণ জনমঙ্গল আদৰ্শ অন্ধ বিদ্যালয়ৰ প্ৰতিষ্ঠাপক কোষাধ্যক্ষ, মৰাণ ব্যৱসায়ী সন্থাৰ প্ৰতিষ্ঠাপক, সমাজকৰ্মী প্ৰয়াত মুংগীলাল আগৰৱালাদেৱৰ সোঁৱৰণত পৰিয়ালবৰ্গই মৰাণৰ জ্যেষ্ঠ নাগৰিক কাৰ্যালয়ৰ প্ৰাঙ্গণত নিৰ্মাণ সম্পূৰ্ণ কৰা লায়ন্স মুঙ্গীলাল আগৰৱালা সোঁৱৰণী পুথিভঁৰালটি আজি উদ্বোধন কৰে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বড়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ আৰু মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ডঃ সংগীতা শৰ্মা। পুথিভঁৰালটি উদ্বোধন কৰি কেবিনেট মন্ত্ৰী বিমল বড়াই কয়— মুংগীলাল আগৰৱালাই যিদৰে মৰাণৰ সমাজ-জীৱনলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে, ঠিক সেইদৰেই তেখেতৰ স্মৃতিত প্ৰতিষ্ঠা কৰা পুথিভঁৰালটোৱে অঞ্চলটোত জ্ঞানৰ পোহৰ বিলোৱাত অগ্ৰণী ভূমিকা পালন কৰিব। এই মহৎ কাৰ্যৰ বাবে মুংগীলাল আগৰৱালাৰ পুত্ৰ দেউকী নন্দন আগৰৱালাৰ পৰিয়ালবৰ্গৰ লগতে পুথিভঁৰালৰ স'তে জড়িত সকলোকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। উক্ত পুথিভঁৰাল পৰিচালনা সমিতিৰ সভাপতি শোভিত কুমাৰ চেত্ৰীয়ে সভাপতিত্ব কৰা অনুষ্ঠানটোৰ আঁত ধৰে পুথিভঁৰাল পৰিচালনা সমিতিৰ সম্পাদক সঞ্জীৱ বৰুৱাই। উক্ত অনুষ্ঠানতে মুংগীলাল আগৰৱালা সোঁৱৰণী পুথিভঁৰাল পৰিচালনা সমিতিৰ তৰফৰ পৰা মৰাণৰ দুজনকৈ বিশিষ্ট সাহিত্যিক, সাহিত্যিক পেঞ্চনাৰ ক্ৰমে ডাঃ লোহিত কুমাৰ বৰা আৰু ইলা বৰগোহাঞি আৰু ভাৰতীয় সংগীত নাটক একাডেমীলৈ মনোনীত সদস্য, লোক-সংস্কৃতিৰ গৱেষক ডঃ অনিল শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰে। অনাতাঁৰ শিল্পী দীপালী শইকীয়াই এটি বৰগীতেৰে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। আজি পুথিভঁৰালৰ উদ্বোধনৰ দিনাই উক্ত পুথিভঁৰালটিলৈ মৰাণ অঞ্চলৰ বিভিন্নজনে বিভিন্ন পুথি আগবঢ়ায়।

**বকোৰ সোণালীটাৰীত শিৱ মন্দিৰৰ ভূমি বেদখলক লৈ সৰ্বত্ৰ প্ৰতিক্ৰিয়া**

# চৰকাৰী নথি-পত্ৰত নাম নোহোৱাৰ পিছতো আঁকোৰগোজ বেদখলকাৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৩ জুন ঃ** পেশাত এগৰাকী চৰকাৰী কৰ্মচাৰী হোৱাৰ পিছতো ৰাজহুৱা মন্দিৰৰ নামত সংৰক্ষিত ভূমি দখল কৰা এক জঘন্য খবৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে কামৰূপ জিলাৰ বকোত। আৰক্ষী বিভাগৰ কৰ্মী এগৰাকীৰ বিৰুদ্ধে উত্থাপিত হৈছে শিৱ মন্দিৰৰ ভূমি দখলৰ গুৰুতৰ অভিযোগ। উল্লেখ্য যে এই ভূমি বেদখলৰ কবলত পৰিছে বকো ৰাজহ চক্ৰৰ অন্তৰ্গত সোণালীটাৰী শিৱ মন্দিৰৰ। গাঁওখনৰ শিৱ মন্দিৰৰ ভূমি বেদখলৰ অভিযোগ তুলি সোণালীটাৰী শিৱ মন্দিৰৰ আশ্ৰিত ৰাইজে আজি সাংবাদিকৰ আগত প্ৰকাশ কৰে যে গাঁওখনৰ এগৰাকী আৰক্ষী বিভাগত কৰ্মৰত লোকে মন্দিৰৰ ভূমি বেদখল কৰিছে। এই লৈ গাঁওখনৰ ধৰ্মপ্ৰাণ ৰাইজ বিপাঙত পৰিছে। মন্দিৰৰ ভূমি বেদখলমুক্ত কৰিবলৈ একাধিকবাৰ কৰিছে প্ৰতিবাদ। সোণালীটাৰী ৰাইজে বেদখলকৃত মাটিৰ বেদখল মুক্ত কৰি দিবলৈ জিলা পৰ্যায়তেই নহয়, মুখ্যমন্ত্ৰীৰ পৰ্যায়তো কৰিছে বহু আবেদন-নিবেদন। ভুক্তভোগী ৰাইজৰ মতে মন্দিৰৰ ভূমি বেদখল মুক্ত নোহোৱালৈকে চলিব আবেদন আৰু ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ। প্ৰাপ্ত অভিযোগ অনুসৰি সোণালীটাৰী শিৱ মন্দিৰৰ ভূমি গাঁওখনৰ প্ৰফুল্ল বড়োৰ পুত্ৰ হৰিশ বড়োৱে বেদখল কৰিছে। ইফালে সোণালীটাৰী গাঁও আৰু মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদকে জনোৱা মতে কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত জালুকবাৰী গাঁৱৰ ম্যাদী পট্টা নং ১২১, দাগ নং ৪২ ৰ শিৱ মন্দিৰৰ নামত থকা ৪ বিঘা ৮ লেচা ম্যাদী মাটিৰে বলপূৰ্বকভাৱে ৪ কোঠাৰো অধিক মাটি বেদখল কৰি আছিছে হৰিশ বড়োৱে। প্ৰকাশ্য যে উক্ত বেদখলকৃত মাটিখিনি তদন্ত মৰ্মে মুকলি কৰি দিবলৈ ভুক্তভোগী মন্দিৰ পৰিচালনা সমিতিয়ে জনোৱা আবেদনৰ ভিত্তিত বকো ৰাজহ চক্ৰৰ কেইবাজনো লাট মণ্ডলে জোখ-মাখ কৰে যদিও আজিলৈকে সীমা নিৰ্ধাৰণ নকৰিলে। বৰঞ্চ মণ্ডলে ৰাইজৰ পৰা চাৰিটা বছৰত অহা-যোৱাৰ নামত বহু টকা আদায় কৰে বুলি গুৰুতৰ অভিযোগ আনিছে। আনকি হৰিশ বড়োৱে শিৱ মন্দিৰৰ ভূমি বেদখল কৰাৰ বিষয়টোৰ পৰা ফালৰি কাটি আহিছে। ৰাইজে দুষ্ট চক্ৰৰ কবলত পৰি মাটি বেদখল কৰাৰ অভিযোগৰ লগতে দেউতাকক মানসিক ৰোগীলৈ ঠেলি দিয়া বুলি বিতৰ্কিত মন্তব্যহে আগবঢ়ায় মন্দিৰৰ ভূমি বেদখল কৰা পৰিয়ালে। ৰাইজৰ মতে মন্দিৰৰ নামৰ মাটি জালিয়াতিৰে বেদখল কৰিছে হৰিশ বড়োৱে। এই কথা চৰকাৰী নথি-পত্ৰত মজুত আছে। তৎসত্বেও চক্ৰ বিষয়া আৰু চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী আৰু মণ্ডলে সমস্যাটো সমাধান কৰিবলৈ ব্যৱস্থা গ্ৰহণ নকৰে। এই ঘটনাক একমুখে ধিক্কাৰ দিছে স্থানীয় লোকে। গাঁওখনৰ এই মন্দিৰৰ ভূমি যাতে কোনেও বেদখল কৰিব নোৱাৰে তাৰ বাবে চৰকাৰ আৰু প্ৰশাসনক দাবী জনাইছে স্থানীয় ৰাইজে। ইফালে অঞ্চলস্থ সচেতন ব্যক্তিসকলে জানিবলৈ দিয়া মতে যদি এই সন্দৰ্ভত স্থানীয় প্ৰশাসনে গুৰুত্ব আৰোপ নকৰে, তেন্তে এক ভয়ংকৰ বিপদ হোৱাৰ আশংকা কৰিছে।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এখন নিকা, শুদ্ধ, বৈষম্যহীন, নৈতিকতাপূৰ্ণ আধ্যাত্মিক সমাজ গঠনৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল

### শিৱসাগৰ শংকৰ মন্দিৰ গায়ন হৰিনাম সমাজ নামঘৰত দুদিনীয়া ভাগৱত পাঠ অনুষ্ঠানত ডঃ সব্যসাচী মহন্ত

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৩ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে কৃষ্ণ নামৰ জৰিয়তে জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলোকে একত্ৰিত কৰাৰ প্ৰয়াস কৰিছিল। মহাপুৰুষজনাই অসমত এখন নিকা, শুদ্ধ, বৈষম্যহীন, নৈতিকতাপূৰ্ণ আধ্যাত্মিক সমাজ গঠনৰ বাবে অহোপুৰুষাৰ্থ প্ৰচেষ্টা কৰিছিল। —এই মন্তব্য গড়গাঁও কলেজৰ অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ, লেখক তথা শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ডঃ সব্যসাচী মহন্তৰ। শিৱসাগৰ শংকৰ মন্দিৰ পথত থকা গায়ন হৰিনাম সমাজ নামঘৰত দুদিনীয়াকৈ আয়োজন কৰা একাদশ আৰু দ্বাদশ স্কন্ধ ভাগৱত পাঠ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা উদ্বোধক ডঃ সব্যসাচী মহন্তই নিজৰ তত্ত্বগধুৰ উদ্বোধনী ভাষণত কয় যে পুৰাণ সূৰ্য বুলি অভিহিত কৰি মহাপুৰুষজনাই শ্ৰীমদ্ভাৱগতখনিক অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সমাজখনৰ আধ্যাত্মিক দিশটোক উজ্জ্বল কৰি তুলিছিল। গুৰুজনাই মহাভাগৱতখনক অনেক দোহাৰি কয় যে বৈষ্ণৱ ভক্তিমাৰ্গত বৈষম্যৰ কোনো স্থান নাই। ইয়াত আছে কেৱল ঈশ্বৰৰ প্ৰতি ঐকান্তিক প্ৰচেষ্টা আৰু ভক্তি। ইফালে কালিৰে পৰা দুদিনীয়াকৈ একাদশ আৰু দ্বাদশ স্কন্ধ ভাগৱত পাঠ কাৰ্যসূচী আৰম্ভ কৰা হয়। দেওবাৰে পুৱা ৬ বজাৰ মণিকূটৰ বন্তি প্ৰজ্বলনেৰে কনক শইকীয়াই আনুষ্ঠানিকভাৱে দুদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছতেই ধৰ্মধ্বজা উত্তোলন কৰে গোপাল বৰাই। গোপাল বৰা, স্বৰ্ণলতা বৰাই স্মৃতি তৰ্পণ কাৰ্যসূচী সম্পাদন কৰাৰ পিছতেই ভাগৱত ভ্ৰমণ কাৰ্যসূচী প্ৰণৱ ভৰালীয়ে উদ্বোধন, কনক শইকীয়াই মূল শৰাই অৰ্পণ, লীলাম্বৰ শইকীয়াই নাম-প্ৰসংগৰ শুভাৰম্ভণিৰ পিছতেই উমেশ সন্দিকৈ আৰু সুৰেশ বড়াই ভাগৱত প্ৰতিষ্ঠাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্য পাঠাচাৰ্য হেমন্ত হাজৰিকাৰ নেতৃত্বত কনক শইকীয়া, গোপাল বৰুৱা, উমেশ সন্দিকৈ, মহেন্দ্ৰ বড়া, পৱন বৰা আৰু জ্যোতি বৰাৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা এই ভাগৱত পাঠ কাৰ্যসূচীত চহৰখনৰ ভিন্ন প্ৰান্তৰ কেইবা সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে।



## হাজোৰ গাঁওবুঢ়া ভৱনত সুলভ মূল্যৰ এজেণ্টৰ সৈতে বিশেষ বৈঠকত উপস্থিত বিধায়িকা সুমন হৰিপ্ৰিয়া

### উপভোক্তাক প্ৰয়োজনতকৈ কম চাউল নিদিবলৈ সমবায় এজেণ্টক সকীয়নি বিধায়িকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ১৩ জুন ঃ** আজি হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁওবুঢ়া ভৱনত সুলভ মুল্যৰ দোকানসমূহৰ এজেন্টৰ সৈতে এক বৈঠকত উপস্থিত হয়। সেই অনুসৰি হাজো আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী জোনালী ডেকা পাঠকৰ সভাপতিত্বত এখনি সভা অনুষ্ঠিত হয়। সুলভ মূল্যৰ ব্যৱসায়ৰ এজেন্টৰ সৈতে হোৱা বৈঠকত ৰেচন কাৰ্ড নিৰ্বাচন সম্পৰ্কত বিশদভাৱে আলোচনা কৰে। সুলভ মূল্যৰ উপভোক্তাসকলক যাতে নিৰ্দিষ্ট পৰিমাণৰ চাউল যোগান ধৰে তাৰ বাবে বিধায়িকাগৰাকীয়ে আহ্বান জনায়। আৰু কোনো অজুহাত লৈ সামগ্ৰী কৰ্তন নকৰিবলৈ এজেন্টসকলক আহ্বান জনায়। এই ক্ষেত্ৰত উপভোক্তাসকলক সজাগ হ'বলৈ আহ্বান জনোৱাৰ সমান্তৰালকৈ সংশ্লিষ্ট এজেন্টসকলে যদি উক্ত আহ্বান নেওচি সামগ্ৰী কৰ্তন কৰে, তেন্তে বিধায়িকাগৰাকীক সবিশেষ তথ্য জনাবলৈ আহ্বান জনায়। এই সভাত ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱাল, খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া, বিজেপি নেতা নগেন মালাকাৰ, বিজেপি সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা দৰং জিলাৰ প্ৰভাৰী ইনতাজুৰ ৰহমান, ভাস্কৰ ভৰালীকে ধৰি প্ৰায়সংখ্যক পঞ্চায়ত প্ৰতিনিধি ও ৰাইজ উপস্থিত থাকে।

## সাংবাদিক চিকিৎসা কল্যাণ আঁচনিৰ ধন ৫ লাখলৈ বৃদ্ধিৰ দাবী অসম বাৰ্তাজীৱী সংঘৰ

**মুকালমুৱাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ ন-পুৰণি যৌথসভা সম্পন্ন**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৩ জুন ঃ** অসমৰ সমাজ-জীৱনত সাংবাদিকসকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। অথচ কৰ্মৰত সাংবাদিকসকলে যথেষ্ট দুখ-কষ্টৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছে। সেয়েহে সাংবাদিক কল্যাণৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বিশেষকৈ সাংবাদিক পেঞ্চন আঁচনিখনৰ ধনৰ পৰিমাণ আঠ হাজাৰ টকাৰ পৰিৱৰ্তে দহ হাজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱটো শীঘ্ৰে কাৰ্যকৰী কৰিব লাগে। তদুপৰি সাংবাদিকৰ চিকিৎসা কল্যাণ আঁচনিৰ ধন এক লাখৰ পৰিৱৰ্তে পাঁচ লাখলৈ বৃদ্ধি কৰিব লাগে। —এইদৰে কয় অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মাই। নলবাৰী জিলাৰ মুকালমুৱাত গংগা-যমুনা ইক' ৰিজৰ্টত কালি অনুষ্ঠিত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ ন-পুৰণি যৌথ সভাত বক্তব্য আগবঢ়াই কৰ্মৰত সাংবাদিকসকলক বিদ্যুৎ আৰু পানীৰ মাচুল পঞ্চাশ শতাংশলৈ হ্ৰাস কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। জ্যেষ্ঠ সাংবাদিকক তথা নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি নৰেন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শৰ্মাই আৰু কয় যে সাংবাদিকৰ দা-দৰমহা সম্পৰ্কীয় ৱেজ ব'ৰ্ড শীঘ্ৰে কাৰ্যকৰণাৰ্থে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সভাত ভাৰতীয় বাৰ্তাজীৱী মহাসংঘৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মধুসূধন মেধিয়ে বক্তব্য আগবঢ়াই কয় যে অসমৰ প্ৰতিটো দুৰ্যোগপূৰ্ণ মুহূৰ্তত গুৰুত্বপূৰ্ণ ভূমিকা লৈ অহা সাংবাদিকসকলৰ কল্যাণৰ কাৰণে চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ ল'বই লাগিব। সাংবাদিকসকলৰ কল্যাণ আৰু সা-সুবিধাৰ কাৰণে অসমৰ সাংবাদিকসকলো কেইটামান বিশেষ বিষয়ত একত্ৰিত হোৱাৰ প্ৰয়োজন আছে বুলিও কয়। নলবাৰী জিলাৰ বাৰ্তাজীৱী সংঘৰ সম্পাদক ৰূপকুমাৰ শৰ্মাই আঁত ধৰা সভাখনত অসম বাৰ্তাজীৱী সংঘৰ সাংগঠনিক সম্পাদক কিশোৰ জ্যোতি শৰ্মা, প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন, উত্তৰ-পূব মণ্ডলৰ উপ-সভাপতি অখিল কলিতা, আছুৰ কেন্দ্ৰীয় বিত্তীয় সম্পাদক খনিন্দ্ৰ ৰাজবংশী আদি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। আনহাতে উক্ত সভাতেই নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ পুৰণা সমিতিয়ে নতুন সমিতিক দায়িত্বভাৰ অৰ্পণ কৰে।

## সাংসদ দিলীপ শইকীয়াৰ মহানুভৱতা ঘগ্ৰাপাৰৰ দুখীয়া পৰিয়ালক টিনপাত প্ৰদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৩ জুন ঃ** ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মহানুভৱতা প্ৰদৰ্শন কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে কালি ৮ নং মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই নলবাৰী সমষ্টিৰ অন্তৰ্গত বিলপাৰ গাঁৱত 'জনসম্পৰ্ক অভিযান' কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। উক্ত কাৰ্যসূচীত বিলপাৰ গাঁৱৰ অতিকৈ দুখীয়া, থাকিবলৈ প্ৰায় গৃহ নোহোৱা মুকুন্দ লহকৰ নামৰ ব্যক্তিজনে সাংসদগৰাকীক ঘৰৰ দুৰৱস্থাৰ বিষয়ে অৱগত কৰিছিল। লগে লগে সাংসদগৰাকীয়ে অৱস্থা দেখি পৰিয়ালটোক তিনি বাণ্ডিল টিনপাত দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। আজি সেই মৰ্মে বিজেপি দলৰ দলীয় কাৰ্যকৰ্তাৰ জৰিয়তে পৰিয়ালটোক উক্ত সাহায্য প্ৰদান কৰে। আজি দুপৰীয়া বিলপাৰ গাঁৱৰ বুথ বিজেপিৰ কাৰ্যকৰ্তাসহ নলবাৰী জিলা বিজেপিৰ যুৱ মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য চন্দন ডেকা, কিষাণ মৰ্চাৰ উপসভাপতি প্ৰতাপ লহকৰ, যুৱনেতা কমল ডেকা, ঘগ্ৰাপাৰ বিজেপিৰ আই টি চেলৰ অন্যতম কাৰ্যকৰ্তা প্ৰাণজিৎ ডেকা আদিয়ে পৰিয়ালটোৰ ঘৰত গৈ টিনপাতখিনি প্ৰদান কৰে। সাংসদগৰাকীৰ এনে মহানুভৱতাৰ সচেতন ৰাইজে শলাগ কৰিছে।

## গৌৰীসাগৰত চোৰাং পোৰা ম'বিল জব্দ ঃ এজনক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৩ জুন ঃ** ৰাজ্যত অব্যাহত আছে পোৰা ম'বিলৰ চোৰাং বেহা। যোৱা নিশা শিৱসাগৰ জিলাৰ গৌৰীসাগৰ আৰক্ষীয়ে বিশেষ অভিযান চলাই চোৰাং পোৰা ম'বিলসহ এখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। গৌৰীসাগৰ আৰক্ষীৰ অভিযানত জব্দ হয় ৩৯ ড্ৰাম চোৰাং পোৰা ম'বিল। নিশা প্ৰায় ডেৰ বজাত AS-01FC-6741 নম্বৰৰ এখন ছয়চকীয়া ট্ৰাকত শিৱসাগৰৰ পৰা যোৰহাট দিশলৈ লৈ যোৱা হৈছিল চোৰাং পোৰা ম'বিল। ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত গৌৰীসাগৰ আৰক্ষীৰ নাকা তালাচীৰ নিৰ্দেশ উলংঘা কৰি পলায়নৰ চেষ্টা কৰিছিল বাহনখনে। ফলত আৰক্ষীয়ে খেদি খেদি জব্দ কৰে চোৰাং পোৰা ম'বিলৰ ড্ৰাম কঢ়িওৱা ট্ৰাকখন। ইতিমধ্যে আৰক্ষীয়ে ট্ৰাকচালক মজিদ আলীক আটক কৰি জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে দীৰ্ঘদিনে অবৈধ চোৰাং ব্যৱসায় চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। এইক্ষেত্ৰত গৌৰীসাগৰ আৰক্ষীয়ে বিভিন্ন সময়ত অভিযান চলাই আহিছিল।

## নুমলীগড়ৰ সমীপৰ এক নং পাৰঘাটত এগৰাকী যুৱতীক ধৰ্ষণ

### ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৩ জুন ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত নুমলীগড়ৰ সমীপৰ এক নং পাৰঘাটত এগৰাকী ১৮ বছৰীয়া যুৱতীক একে গাঁৱৰে এজন বিবাহিত যুৱকে ধৰ্ষণ কৰাৰ দৰে জঘন্য ঘটনা শেহতীয়াকৈ পোহৰলৈ আহিছে। চাৰিমাহ পূৰ্বে যুৱতীগৰাকী গাঁৱৰে এখন দোকানলৈ যাওঁতে একে গাঁৱৰে মহেন্দ্ৰ বাউৰি(২৭) নামৰ যুৱকজনে যুৱতীগৰাকীৰ হাতত থাপ মাৰি ধৰি ধনশিৰি নৈৰ কাষৰ নিৰ্জন ঠাইত নি ধৰ্ষণ কৰে বুলি আৰক্ষীৰ আগত সদৰী কৰিছে ভুক্তভোগী যুৱতীগৰাকীয়ে। পৰিয়ালৰ লোকে যুৱতীগৰাকীৰ শৰীৰৰ গঠন সলনি হোৱাত স্থানীয় আশা কৰ্মীৰ সহযোগত চিকিৎসা কৰাত যুৱতীগৰাকী চাৰিমাহৰ অন্তঃসত্ত্বা বুলি জানিব পাৰে।



পাছত যুৱতীগৰাকীক পৰিয়ালৰ লোকে সোধাপোছা কৰাত সমগ্ৰ ঘটনা সদৰী কৰে। ইফালে পৰিয়ালৰ লোকে দেওবাৰে কিশোৰীগৰাকীক ধৰ্ষণ কৰা সন্দৰ্ভত কমাৰগাঁও আৰক্ষী থানাত একে গাঁৱৰে বিবাহিত যুৱক মহেন্দ্ৰ বাউৰিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। কমাৰগাঁও আৰক্ষীয়ে ১৮/২২ নম্বৰত এটা গোচৰ ৰুজু কৰি ধৰ্ষণকাৰী মহেন্দ্ৰ বাউৰিক আজি এক নং পাৰঘাটৰ নিজা বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰি জে'ল-হাজোতলৈ প্ৰেৰণ কৰে। দুগৰাকী পত্নী আৰু এটা সন্তানৰ পিতৃ মহেন্দ্ৰই অশিক্ষিত যুৱতীগৰাকীক ধৰ্ষণৰ দৰে জঘন্য কাণ্ড সংঘটিত কৰাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

## ঘগ্ৰাপাৰত ভুৱা গাঁওপ্ৰধান আটক ঃ চক্ৰ বিষয়াৰ তৎপৰতা

**দৈনন্দিন বাৰ্তাৰ সেৱা ,পশ্চিম নলবাৰী, ১৩ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আজি এগৰাকী ভুৱা গাঁওপ্ৰধানক চক্ৰ বিষয়াগৰাকীয়ে ধৰা পেলাই আৰক্ষীক গতাই দিয়ে। ধৃত গাঁওপ্ৰধানগৰাকী ৰাজহ চক্ৰটোৰ অন্তৰ্গত বৰঘোপা গাঁৱৰ প্ৰয়াত লংকেশ্বৰ কলিতাৰ পত্নী সৰলা কলিতা বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে সৰলা কলিতাই গাঁৱৰ অৱসৰপ্ৰাপ্ত গাঁওপ্ৰধান প্ৰসন্ন কলিতাৰ নাম ছীল, মোহৰ, পেড আদি বনাই লৈ নিজে গাঁওপ্ৰধানগৰাকীৰ স্বাক্ষৰ কৰি এখন নকল প্ৰমাণ-পত্ৰ উলিয়াই প্ৰয়াত স্বামীৰ সম্পত্তিৰ উত্তৰাধিকাৰী প্ৰমাণ-পত্ৰৰ বাবে অনলাইন আবেদন কৰিছিল। উক্ত নথিসমূহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ অহাত চক্ৰ বিষয়া মনীষা কলিতাই পৰীক্ষা-নিৰীক্ষা কৰি উক্ত প্ৰমাণ-পত্ৰবোৰ জাল কৰা বুলি নিশ্চিত হয়। লগে লগে মহিলাগৰাকীক কেহেৰুৱা বৰঘোপা গাঁৱৰ দায়িত্বত থকা গাঁওপ্ৰধান বুবুল কলিতাৰ হতুৱাই মাতি আনি সোধা-পোছা কৰি ঘগ্ৰাপাৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰি সৰলা কলিতাক আৰক্ষীক গতাই দিয়ে। জানিব পৰা মতে সৰলা কলিতাৰ কনিষ্ঠবল পুত্ৰ ভূপেন কলিতাৰ কিছুদিন পূৰ্বে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু এটি পুত্ৰ সন্তান এৰি থৈ যায়। কিন্তু নিজ বোৱাৰীৰ লগত সম্পৰ্ক ৰাখিব নিবিচৰা সৰলা কলিতাই বোৱাৰী আৰু নাতিক নিজ পুত্ৰৰ কোনো সা-সম্পত্তিৰ ভাগ দিব নিবিচাৰে। সেয়েহে উত্তৰাধিকাৰীৰ প্ৰমাণ-পত্ৰত গাঁওপ্ৰধানে সকলোৰে নাম লিখি দিয়াত চতুৰ সৰলাই জালিয়াতি কৰি নিজকে পুত্ৰৰ একমাত্ৰ উত্তৰাধিকাৰী বুলি এখন নকল প্ৰমাণ-পত্ৰ দাখিল কৰে। সেই মৰ্মে উক্ত নথি পৰীক্ষা কৰি চক্ৰ বিষয়া মনীষা কলিতাই নকল প্ৰমাণ-পত্ৰখন ধৰা পেলায়। চক্ৰ বিষয়াগৰাকীৰ এনে কাৰ্যক গাঁওপ্ৰধান সন্থাৰ হৈ সম্পাদক ভৱেশ তালুকদাৰকে ধৰি ঘগ্ৰাপাৰ অঞ্চলৰ দল-সংগঠনে আদৰণি জনাইছে।

## গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প সন্থাৰ নতুন সমিতি গঠন


**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৩ জুন ঃ** অসম ৰাজ্যিক অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ অন্তৰ্গত গৌৰীসাগৰ প্ৰকল্প সন্থাৰ কালি এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। ৰংপুৰ ছোৱালী হাইস্কুলৰ চৌহদত থকা ১৫৫ নং দুবৰণি আলি অংগনৱাড়ী কেন্দ্ৰত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে জ্যেষ্ঠ কৰ্মী জিতুমণি হাজৰিকাই। কৰ্মী তথা সন্থাৰ সম্পাদিকা আৰফিন চুলতানাই আঁত আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত কৰ্মী-সহায়িকাৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা হয়। সভাত পূৰ্বৰ সমিতিখনৰ কাৰ্যকাল সমাপ্তি হোৱাত নতুন কমিটী গঠনৰ কথা আলোচনা হোৱাত পূৰ্বৰ কমিটীৰ সভানেত্ৰী পলীজ্যোতি বৰুৱা আৰু সম্পাদিকা আৰফিন চুলতানাকেই পুনৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে প্ৰকল্পৰ অধীনৰ ১৫খন পঞ্চায়তৰ একোগৰাকীকৈ প্ৰতিনিধি ৰাখি ২১ জনীয়া নতুন সমিতিখন গঠন কৰা হয়। ইফালে সভাত প্ৰকল্পৰ অন্তৰ্গত ১৭৭ টা কেন্দ্ৰৰ কৰ্মী-সহায়িকা উপস্থিত থকা সভাত আগন্তুক জুলাই মাহত প্ৰকল্পৰ অধীনৰ যিকেইগৰাকী কৰ্মী আৰু সহায়িকাই অৱসৰ গ্ৰহণ কৰিছে তেওঁলোকক সম্বৰ্ধনা জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

**CORRIGENDUM**

With regards to publication of NIT dtd. 05/06/2022 for construction of building under Nagaon Division the bidder may obtain it on payment of "Bank Draft" for an amount of Rs. 200/-from any Nationalized Bank instead of IPO, which has been published out of mistake.

Divisional Forest Officer,
Nagaon Division, Nagaon

Janasanyog /C/4525/22

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
১৪ জুন ■ ২০২২ ■ ৩০ জেঠ ■ গুৱাহাটী

# আপ দলৰ দুৰ্দশা আৰু জনসাধাৰণৰ আস্থা

অৰ্থনৈতিক পাশা খেলত কোন কেতিয়া উচ্চ শিখৰত উঠে আৰু কোন কেতিয়া তললৈ নামি একেবাৰে বোকাত পোত যায় এই কথা কোনেও নুই কৰিব নোৱাৰে। এইক্ষেত্ৰত জনসাধাৰণৰো আশীৰ্বাদ উলাই কৰিব নোৱাৰি। তৎসত্ত্বেও ৰাইজে আশীৰ্বাদেৰে ৰাজনীতিৰ খেলত কাৰোবাক আগলৈ আৰু কাৰোবাক পিছলৈ ঠেলি দিয়ে। এটা সময়ত অসমৰ ৰাইজে বিশ্ববিখ্যাত অসম আন্দোলনটোৰ গুৰি ধৰোঁতাসকলক অতি আগ্ৰহেৰে আগবঢ়াই ৰাইজে শাসনভাৰ গতাই দিছিল। ৰাইজৰ মনত সেই সময়ৰ বিশ্বাস আৰু অন্তৰেৰে হৃদয়ৰ এটা কোণত স্থান দিছিল। সেই সময়ৰ আনন্দ আৰু আশা-নিৰাশাৰ মাজতে দুবাৰকৈ স্থাপন কৰি শাসনৰ গাদীত বহুৱাইছিল যদিও জনসাধাৰণৰ আশা পূৰণ কৰাত ব্যৰ্থ হৈছিল তেওঁলোক। অথচ সেই সোণালী দিনবোৰৰ কথা ভাবি অসমৰ ৰাইজে আজিও পুহি ৰাখিছে কিবা এটা আশাৰ বতৰা পোৱাৰ অপেক্ষাত। সেই দলটো লাহে লাহে এনে এটা পৰ্যায়ত উপনীত হ'লগৈ যে ৰাজনৈতিক পাশা খেলত ক্ষমতাৰ অন্তৰ্দ্বন্দ্বৰ অগ্নিত দলটো আজি প্ৰায় নিঃশেষ হোৱাৰ পথত। দুবাৰকৈ ৰাজপাটত বহিব পৰা দলটো পৰৱৰ্তী কামত নিশকটীয়া হৈ ৰাষ্ট্ৰীয় দল বিজেপিৰ অক্টোপাছত আবদ্ধ হৈ একৰকম উশাহ-নিশাহ হেৰুৱাই পেলাইছে। সম্প্ৰতি দিক্‌বিদিক হেৰুৱাই ত্ৰস্তমান দলটোৰ অক্টোপাছৰ কৱলৰ পৰা ওলাই অহাৰ শক্তি নাইকিয়া হৈ পৰিছে। দলটো একৰকম ক্ষমতাৰ দম্ভ-অহংকাৰত ঐতিহ্য, অভিজ্ঞতা, জ্যেষ্ঠতাক মূল্য দিব নোখোজাৰ বাবেই যেন জহি-খহি যোৱাৰ উপক্ৰম। সাংগঠনিক দুৰ্বলতা তথা আত্মোৎসৰ্গী দলীয় নেতা-পালিনেতাৰ অভাৱ পৰিলক্ষিত হৈছে। একালৰ হিয়াৰ আমঠু অসম গণ পৰিষদৰ এনে অৱস্থাই অসমীয়া ৰাইজৰ মনত বিষাদৰ চাপ মচিব নোৱাৰাকৈ ৰাখিছে। তৎসত্ত্বেও অসমৰ ৰাইজে দলটোৰ প্ৰতি আস্থা নেহেৰুৱাই দলৰ সভা-সমিতিবোৰত গৈ উপস্থিত হৈ পুনৰ দলটোৱে ৰাইজৰ আশা পূৰণ কৰিব পাৰিব বুলিয়েই মনত আশা পুহি ৰাখিছে। কিন্তু দলটোৰ সাংগঠনিক দিশ ইমানেই দুৰ্বল যে, প্ৰকৃত কোনো জ্যেষ্ঠ নেতাসকলে দলৰ পৰা বাহিৰত অৱস্থান কৰিছে কিম্বা দলৰ পৰা তেওঁলোকক আঁতৰাই ৰখাৰ কৌশল গ্ৰহণ কৰা হৈছে। দলত কোনো নেতৃত্ব বহন কৰিব পৰা নেতাৰ যেন অভাৱ পৰিলক্ষিত হৈছে। জ্যেষ্ঠ নাইবা অভিজ্ঞ নেতাৰ অভাৱ পৰিলক্ষিত হৈছে। দলটোক শক্তিশালী ৰূপত গঢ়ি তুলিবলৈ কোনো কাৰ্য ব্যৱস্থাও হাতত তেওঁলোকৰ নাই। বিজেপিৰ নিৰ্দেশত উঠা-বহা কৰি অস্তিত্বক প্ৰায় নিঃশেষ কৰাৰ অভিযোগ উঠিছে আৰু অগপই বিজেপিকহে লাভৱান্বিত কৰাৰ অভিযোগ দলৰ ভিতৰে-বাহিৰে পৰিস্ফুট। যোৱা বিধানসভা নাইবা পৰিষদ বা পৌৰ নিগমৰ নিৰ্বাচনবোৰত প্ৰাণ ঢালি নিষ্ঠাৱান কৰ্মীসকলে সংগঠনৰ কামত আগবাঢ়িও মূৰকত মিত্ৰতাৰ স্বাৰ্থত পিছ পৰিব লগা হোৱাত নেতা-কৰ্মীৰ অন্তৰত ক্ষোভৰ জুই জ্বলিছিল। এই জুয়ে দলটোৰ জ্যেষ্ঠসকলৰ লগতে যুৱ কৰ্মীসকলকো দলটোক শক্তিশালী কৰি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দলৰ ভৱিষ্যতৰ বাবে বৃহৎ প্ৰাচীৰ হৈ পৰিছে। কিন্তু অগপ অসম আৰু অসমীয়াৰ স্বাভিমানৰ দল। সেয়ে যিমান বাধা-বিঘিনি নাহক অসমৰ অস্তিত্ব ৰক্ষাৰ যুঁজত অগপ দলে সদায়ে সেয়ে কাম কৰি যাব। দলৰ সাংগঠনিক ভেটি মজবুত কৰাৰ ওপৰত বৰ্তমানৰ নেতৃত্বই গুৰুত্ব আৰোপ কৰিব লাগে। অগপ দলে বিজেপিৰ লগত মিত্ৰতাৰে চৰকাৰে চলালেও দলৰ গুৰুত্ব তেতিয়াহে থাকিব, যেতিয়ালৈকে দলৰ ভেটি মজবুত হৈ থাকিব। প্ৰত্যেক সদস্যকে দলৰ সদস্য ভৰ্তি অভিযান তীব্ৰ কৰিব লাগিব। দলৰ প্ৰত্যেক কৰ্মীয়ে ৰাইজৰ হৈ কাম কৰিব লাগিব। লগতে চৰকাৰৰ আঁচনি, সুবিধা যাতে লাভ কৰে প্ৰত্যেক কৰ্মীয়ে তাৰ বাবে কাম কৰিব লাগিব। তেতিয়াহে দলটো শক্তিশালী হ'ব আৰু লাভৱান হৈ ৰাইজৰ মনত পুনৰ আশাৰ সঞ্চাৰ কৰিব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### এক লাখ চাকৰি নিযুক্তি প্ৰক্ৰিয়াত সম্পূৰ্ণ এক লাখ নিবনুৱাৰ নিযুক্তি হ'ব লাগে

বৰ্তমান সময়ত ৰাজ্য চৰকাৰে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি মৰ্মে ৰাজ্যখনৰ শিক্ষিত নিবনুৱাসকলৰ বাবে মুঠ এক লাখ চৰকাৰী চাকৰি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰি ইতিমধ্যে কেইবা হাজাৰৰো অধিক শিক্ষিত নিবনুৱাক মেধাৰ ভিত্তিত অসমৰ বিভিন্ন বিভাগসমূহত নিযুক্তি প্ৰদান কৰিছে। এইদৰে মুঠ এক লাখ চাকৰিৰ ভিতৰত তিনি ভাগৰ এভাগ চাকৰিত ৰাজ্যৰ বিভিন্ন বিভাগসমূহত ইতিমধ্যে শিক্ষিত নিবনুৱাক নিয়োগ কৰিবলৈ সক্ষম হৈছে। কিন্তু কথা হ'ল ইতিমধ্যে হৈ যোৱা নিযুক্তি প্ৰক্ৰিয়াসমূহত একেজন প্ৰাৰ্থীয়ে কেইবাটাও বিভাগৰ বাছনি পৰীক্ষাত অন্তৰ্ভুক্ত হোৱাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। একেজন প্ৰাৰ্থীৰ নাম বিভিন্ন বিভাগৰ চাকৰিৰ মেৰিট লিষ্টত অন্তৰ্ভুক্ত হ'লেও যিহেতু নিয়ম অনুসৰি যিকোনো এটা চাকৰিতহে যোগদান কৰিব পাৰে। ফলত বাকী সেই পদসমূহত অন্য নিবনুৱাৰ নিযুক্তিৰ কাৰণে সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে যিহেতু এই নিযুক্তি প্ৰক্ৰিয়াত waiting লিষ্টৰ ব্যৱস্থা ৰখা হোৱা নাই। এইদৰে এই পদসমূহত প্ৰাৰ্থী নিযুক্তি নোহোৱাকৈ ৰৈ যোৱাৰ ফলত মুঠ এক লাখ চাকৰিত যে সম্পূৰ্ণ এক লাখ নিবনুৱাৰ নিযুক্তি নহ'ব সেইটো খাটাং হৈ পৰিব। তাৰ ফলস্বৰূপে মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন সম্পূৰ্ণ এক লাখ নিবনুৱাৰ ঘৰত পোহৰ বিলোৱা সেয়া সফল হৈ নুঠিব। অলপতে অসম আৰক্ষীৰ কনিষ্টবল পদত মুঠ ৬,৬৬২জন, APRO পদত ৮১৩ জন, Fire and emergencyত ৭৮৮ জন, Gurdsmanত ৭৫৪জন, Sub inspector communication (APRO)ত ৮৩জন আৰু Platoon commanderত ৪০জন প্ৰাৰ্থীয়ে ইতিমধ্যে নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছে। এইসকল নিযুক্তিপ্ৰাপ্ত বেছিখিনি প্ৰাৰ্থীয়েই আকৌ পৰৱৰ্তী সময়ত অনুষ্ঠিত হ'বলগীয়া ৬২৬টা এছ আই পদ তথা ২৬,০০০ তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবেও হয়তো আৱেদন কৰিছিল। ইতিমধ্যে নিযুক্তিপ্ৰাপ্ত এইসকল প্ৰাৰ্থীয়ে যদি পুনৰ আকৌ এই পদসমূহৰ বাবে মেৰিট লিষ্টৰ অন্তৰ্ভুক্ত হয় তেনেহ'লে ৰাজ্যৰ অন্য নিবনুৱাসকলক এই এক লাখ নিযুক্তিৰ ক্ষেত্ৰখনত প্ৰতাৰণাৰ সৃষ্টি কৰাৰ নিচিনা হ'ব। এইদৰে নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলেই বিভিন্ন বিভাগত বাৰে বাৰে বাছনিভুক্ত হৈ একাংশ নিবনুৱা প্ৰাৰ্থীৰ বাবে চাপ সৃষ্টি কৰিব আৰু চাকৰি পোৱা প্ৰাৰ্থীখিনিৰ ভিতৰতেই চাকৰি পাই থাকি ৰাজ্যৰ অন্য নিবনুৱাসকলক এই এক লাখ চাকৰিৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব। সেয়েহে এই গোটেই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজেই হস্তক্ষেপ কৰি এবাৰ চালি জাৰি চাই এক উচিত পদক্ষেপ গ্ৰহণ কৰিব লাগে, যাতে এক লাখ নিযুক্তি প্ৰক্ৰিয়াত মুঠ এক লাখ নিবনুৱাই নিযুক্তি পাবলৈ সক্ষম হয়।

■ পিংকু ডেকা
ফোন ঃ ৬০০১৯-৩৫৩২৮

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ আন্তঃৰাষ্ট্ৰীয় শিশু শ্ৰমিকবিৰোধী দিৱস ■

# শিশু শ্ৰমিকৰ বাস্তৱ ছবিখন অনুধাৱন কৰক, সমস্যা সমাধান তেতিয়াহে হ'ব



ভূপেন মহন্ত

**১২** জুন বিশ্ব শিশু শ্ৰমিকবিৰোধী দিৱস। প্ৰতি বছৰৰ এই তাৰিখটোতে বৰ ধুম-ধামেৰে শিশু শ্ৰমিক দিৱস উদ্‌যাপন কৰি অহা হৈছে। কিন্তু আজি পৰ্যন্ত আমি এই দিৱসৰ সফলতা দেখিবলৈ পোৱা নাই। আৰু শিশু শ্ৰমিকসকলে এই অভিশাপৰ পৰা মুক্ত হ'বও পৰা নাই আজি পৰ্যন্ত। আৰু যে কেতিয়াবা শিশুসকলে এই অভিশাপৰ পৰা মুক্ত হ'ব পাৰিব তাৰো আশা কৰিব নোৱাৰি। এতিয়া সমাজত আধাতকৈয়ো বেছি শিশু ঘৰুৱা অৱস্থাৰ বাবেই হওক বা চৰম দৰিদ্ৰতাৰ বাবেই হওক অনাহাৰে-অনিদ্ৰাই, লঘোণে-ভোকে দিন অতিবাহিত কৰিব লগা হৈ আছে। সেই শিশুসকলৰ এসাঁজ ভাতৰ কথা বাদেই লজ্জা নিবাৰণৰ বাবে এখন অংগ বস্ত্ৰৰো অভাৱ। সিহঁতৰ পিতৃ-মাতৃয়ে দিনৰ দিনটো হাড়ভঙা শ্ৰম কৰাৰ পিছতো পৰিয়াল, ল'ৰা-ছোৱালীৰ এসাঁজ ভাতৰ যোগাৰ কৰি দিব নোৱাৰে। তেতিয়া শিশু হ'লেও ল'ৰাটোৱে বা ছোৱালীজনীয়ে পিতৃ-মাতৃক কিছু হ'লেও সহায় কৰাৰ স্বাৰ্থতে আনৰ ঘৰত বনকৰা হিচাপে অথবা কোনোবা গেৰেজত, চাহ দোকানত, গেলামালৰ দোকানত অথবা ইটা ভাতাত কাম কৰিবলৈ যাবলৈ বাধ্য হয়। পেটৰ ক্ষুধা নিবাৰণৰ বাবে এসাঁজ ভাত, লজ্জা নিবাৰণৰ বাবে এডোখৰ কাপোৰৰ বাবে সিহঁতে সিহঁতৰ সোণাময় শৈশৱ জলাঞ্জলি দি স্কুলখনলৈ যোৱাৰ প্ৰবল হেঁপাহ থাকিলেও মনৰ ভিতৰতে সেইবোৰ সামৰি-সুতৰি শ্ৰম কৰিবলৈ যাবলৈ বাধ্য হয়। পেটৰ ক্ষুধাই লগতে ঘৰখনৰ অন্ধকাৰ পৰিস্থিতিয়ে সিহঁতক বাধ্য কৰায় আনৰ গোলামি কৰিবলৈ। যিহেতু পেটৰ ক্ষুধাতকৈ একোৱেই ডাঙৰ হ'ব নোৱাৰে। তেতিয়া পাহৰি যায় শিশুসকলে বা অভিভাৱক সকলে বয়সৰ কথা। যিমানেই আইন নকৰক কিয়, শিশু শ্ৰমিক বন্ধ কৰিবলৈ নিবিচাৰক কিয়, সেয়া কেতিয়াও বন্ধ নহয় আমাৰ সমাজ ব্যৱস্থাৰ বাবেই। আজি শিশু শ্ৰমিকৰ সমস্যাটো কিয় ইমান ভয়াৱহভাৱে বৃদ্ধি হৈ গৈ আছে সেইটো কথাৰ গুৰিটো বিচাৰিবলৈ এৰি দোকানত থকা বা গেৰেজত কাম কৰা শিশু শ্ৰমিকটো ধৰি আনি, প্ৰতিষ্ঠানৰ গৰাকীক শাস্তি বিহিলেই এই সমস্যাৰ কেতিয়াও সমাধান নহ'ব। প্ৰতি বছৰৰ ১২ জুন তাৰিখে সভা-সমিতি পাতি শিশু শ্ৰমিকৰ বিৰুদ্ধে শ্ল'গান দিলেই এই ভয়াৱহ সমস্যাৰ অন্ত নপৰে। বছৰৰ বাকী সময়খিনিত আমি এই শ্ৰমিকখিনিৰ বাবে, যাক আমি শিশু শ্ৰমিক বুলি অভিহিত কৰি আহিছো, সেইসকলৰ বাবে কি কৰিছো। আমি কিমানেইবা সেই শিশুসকলৰ কথা অন্তঃকৰণেৰে চিন্তা কৰিছো। সিহঁতৰ পেটৰ ক্ষুধা নিবাৰণৰ বাবে আমি কিমানে বাৰু কি কৰিছো। দৰিদ্ৰতাই কোঙা কৰি পেলোৱা শিশুটিৰ ঘৰখনৰ বাবে কিবা চিন্তা জানো আমি কৰিছো। সেই শ্ৰমিক শিশুসকলৰ দায়িত্ব লৈ এসাঁজ ভাত আৰু হাতত কিতাপ-বহি তুলি দি আমি জানো সিহঁতক স্কুললৈ যোৱাৰ বাবে সুবিধা লকৰি দিবলৈ চেষ্টা কৰিছো? মুকলি আকাশৰ তলত আন আন শিশুৰ দৰে মুকলিমূৰীয়াকৈ থাকিব পৰাৰ ব্যৱস্থা কৰি দিব পাৰিছোনে? তেনে শিশু শ্ৰমিক বন্ধ হ'ব লাগে বুলি চিঞৰি থাকিলেই শিশু শ্ৰমিকৰ সমস্যাটো সমাধান হৈ নাযায়। ১২ জুনৰ পিছদিনাৰ পৰাই আমি দেখোন নিজৰ বাবেহে হামৰাও কাঢ়ি ফুৰিছোঁ। সমাজত যেতিয়ালৈ ভাত-কাপোৰৰ চিন্তা, দৰিদ্ৰতাৰ চিন্তা নোহোৱা হৈ নাযায় তেতিয়ালৈ এই শিশু শ্ৰমিকৰ সমস্যাও নিৰাময় কৰিব পৰা নাযায় বা নাযাব। গতিকে শিশুক শ্ৰমিক হিচাপে যদি সঁচাকৈয়ে নিবিচাৰে তেনেহ'লে এই ভয়াৱহ সমস্যা দূৰ কৰাৰ ব্যৱস্থাহে কৰক। ভাৰতবৰ্ষত ১৯৮৬ চনতে প্ৰণয়ন কৰা হৈছিল শিশু শ্ৰমিক আইন। যিখন ২০০৩ চনত প্ৰযোজ্য কৰা হৈছিল। এই আইন মতে শিশু শ্ৰমিক যিকোনো ক্ষেত্ৰতে নিয়োগ কৰাটো দ্বন্দ্বনীয় অপৰাধ। দহ হাজাৰ টকাৰ পৰা ২০ হাজাৰ টকা পৰ্যন্ত জৰিমনা ভৰাৰ উপৰি এই আইন উলংঘা কৰা লোকক তিনি মাহৰ পৰা এবছৰ পৰ্যন্ত জে'ললৈ পঠোৱাৰ ব্যৱস্থাও কৰা হৈছে। আনহাতে, চৈধ্য বছৰৰ সকলো শিশুৰ বাবে শিক্ষা গ্ৰহণ বাধ্যতামূলক কৰা হৈছে। আৰু এনেবোৰ সজাগতামূলক ব্যৱস্থা জনসাধাৰণৰ ওচৰত জ্ঞাত কৰাৰ বাবেই প্ৰতি বছৰে ২২ জুন তাৰিখে শ্ৰমিক দিৱস বৰ জাক-জমকতাৰে পালন কৰা হৈ আহিছে। এই শিশু শ্ৰমিক দিৱসৰ এইবাৰৰ শ্ল'গান হ'ল— শিশু শ্ৰমিক সমাপ্তিৰ বাবে সাৰ্বজনীন সামাজিক সুৰক্ষা (Universal social protection to end child labour)। কিন্তু সভা-সমিতি সিমানেই নাপাতক কিয়, সেই সভা-সমিতিসমূহত দিনটো শ্ৰম কৰা শিশুসকলক সেই সমস্যাৰ পৰা কেনেকৈ বিৰত ৰখা হ'ব, তেওঁলোকৰ আৰ্থিক দীনতা কেনেকৈ সমাধান কৰি শ্ৰমিক হোৱাৰ পৰা শিশুসকল ৰক্ষা কৰিব পৰা যাব তাৰ ওপৰত আলোচনা জানো কৰা হয়। কিমানে সেই শিশুসকলৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহি তেওঁলোকৰ সুৰক্ষিত জীৱন চিন্তা কৰে। অকল আইন কৰি, কেইজনমান শিশুক শ্ৰমিক হিচাপে ব্যৱস্থা কৰাৰ দোষত দোষী সাব্যস্ত কৰি শাস্তি বিহিলেই শিশু শ্ৰমিকৰ সমস্যা কোনো দিন সমাধান নহ'ব। কোনো অভিভাৱকে সহজতে নিজৰ সন্তানক কেতিয়াও শ্ৰমিক হিচাপে খাতিবলৈ যাবলৈ নিদিয়ে। ইয়াৰ অন্তৰালত নিশ্চয় দৰিদ্ৰতাই মূল কাৰক হিচাপে দেখা দিয়ে। আমি প্ৰথমে শিশুটোৰ লগতে ঘৰখনৰ পৰিৱেশটো অনুধাৱন কৰিহে শিশুটিক শ্ৰম কৰাৰ পৰা বাৰণ কৰিব পাৰিলেহে সমস্যাৰ আশু সমাধান হোৱাৰ সম্ভাৱনা উজ্জ্বল। গতিকে আমি এটি শিশুক শ্ৰমিক হ'বলৈ বাধা দিয়াৰ আগতে তেওঁৰ সুৰক্ষিত ভৱিষ্যৎ নিশ্চিত কৰাটোহে যুগুত হ'ব। আমি তৎক্ষণাৎ কাৰোবাক দোষ জাপি দিব পাৰো। কিন্তু কিয় দোষ কৰিব লগা অৱস্থা হ'ল সেইটো কথা নাভাবো। এইখিনিতে আমাৰ সমস্যা সমাধান নোহোৱাৰ প্ৰথমটো কেৰোণ লুকাই থাকে। শিশু শ্ৰমিক বৰ্তমান সময়ত এটা ডাঙৰ প্ৰত্যাহ্বান। চৰকাৰীভাৱে শিশু শ্ৰমিকৰ বিৰুদ্ধে, শিশুৰ অধিকাৰৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। আন্তৰ্জাতিক শ্ৰমিক সংগঠনৰ মতে বিশ্বত প্ৰায় ১৫০ মিলিয়ন শিশু শ্ৰমিক আছে। উল্লেখ্য যে ১৪ বছৰৰ তলৰ সকলো শ্ৰমিককে, শিশু শ্ৰমিকৰূপে গণ্য কৰা হয়। এই শিশুসকলে উপযুক্ত সুবিধা তথা ন্যূনতম সুবিধাকণৰ পৰাও যেতিয়া বঞ্চিত হয়, তেতিয়া সিহঁত শ্ৰমিক হিচাপে জীৱন কটাবলৈ বাধ্য হয়। গতিকে এই শিশু শ্ৰমিকসকলক তেওঁলোকৰ কামৰ পৰা আঁতৰাই অনাৰ আগতে তেওঁলোকে পিছৰ জীৱনটো কেনেকৈ অতিবাহিত কৰিব বা কেনেকৈ পঢ়া-শুনা কৰিব তাৰ চিন্তা কৰি তেওঁলোকক সুৰক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে শিশু শ্ৰমিক নোহোৱা কৰিব পৰা যাব। যি এগৰাকী শিশুৱে মৰ্ত্যত সৰগ ৰচিব পাৰে তেনেবোৰ শিশু আজিৰ সময়ত ব'ব নোৱৰা বোজা হিচাপে পৰিগণিত হ'বলৈ গৈ আছে। স্কুললৈ পঠিওৱাৰ পৰিৱৰ্তে হাতত ঝাড়ু, দা-কটাৰী তুলি দি, আনৰ ঘৰত কাম কৰিবলৈ পঠিয়াই দি, হোটেলত আনৰ ঝুঠা ধুবলৈ পঠিয়াই দিছো। সেয়া কম অসহনীয় দুখ নহয় পিতৃ-মাতৃৰ বাবে। নিখুঁত পৰিকল্পনা আৰু চিন্তাধাৰাইহে সমাজৰ এই ভয়াৱহ শিশু শ্ৰমিকৰ সমস্যাটো সমাধান কৰিব পাৰিব। গতিকে, বছৰৰ এটা দিনত শিশু শ্ৰমিকবিৰোধী দিৱস পাতি ৰাজকোষৰ ধন খৰচ কৰাতকৈ সেই শিশু শ্ৰমিকসকলক পঢ়াৰ ব্যৱস্থা কৰি দি, তেওঁলোকৰ দুবেলা দুসাঁজ খাব পৰাৰ ব্যৱস্থা কৰি দিয়াৰ লগতে তেওঁলোকৰ ঘৰখনৰ আৰ্থিক দীনতা কেনেদৰে দূৰ কৰিব পৰা যায় তাৰহে আঁচনি যুগুত কৰক ৰজাঘৰ-প্ৰজাঘৰ সকলোৱে। শিশুৰ উজ্জ্বল ভৱিষ্যতৰ ৰঙীণ সপোনবোৰ, সিহঁতৰ মুখৰ হাঁহিবোৰ কেনেকৈ ঘূৰাই আনিব পাৰি আৰু সিঁহতৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে দেখা দিয়া সমস্যাবোৰৰহে চিন্তা কৰা হওক এই সময়ত। নহ'লে যিমানেই কঠোৰ আইন প্ৰস্তুত নকৰক কিয় ই কেতিয়াও সমাধান কৰিব পৰা বিষয় নহয়। দৰিদ্ৰ শিশুসকল সদায়ে শ্ৰমিক হিচাপেই থাকি যাব। গতিকে, পৰৱৰ্তী সময়ত এনেবোৰ যোগাত্মক চিন্তাধাৰাৰে কাম কৰক সকলোৱে। আমিও সদায়ে বিচাৰো আমাৰ মাজৰ পৰা শিশু শ্ৰমিকৰ বিলুপ্তি ঘটক।

ফোন ঃ ৭৮৯৬১-৩৭২৬৪

১৪ জুন বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে

# স্বেচ্ছামূলক ৰক্তদান ঃ সৰ্বোৎকৃষ্ট মানৱ সেৱাৰ অন্য নাম

■ নৱ ডেকা

As one lamp lights another, nor grows less, so nobleness enkindleth nobleness. আমেৰিকান কবি জেমছ ৰাছেল লৱেলৰ (James Russel Lowell) উপৰিউক্ত উদ্ধৃতি ফাঁকিক সৰলাৰ্থত বুজোঁ এনেদৰে— যিদৰে এটা লেম্পেৰে আন এটা লেম্প জ্বলালে লেম্পটোৰ উজ্জ্বলতাৰ কোনো হানি-বিঘিনি নঘটে একেদৰে মহত্বৰ ক্ষেত্ৰতো সেই একে ঘটে। উদাৰতাই উদাৰতাক প্ৰজ্বলিতহে কৰে। জীৱশ্ৰেষ্ঠ মানুহে বিপদ-আপদত ইজনে সিজনৰ কাষত অকুণ্ঠ চিত্তে থিয় হৈ উদাৰ দৃষ্টিভংগীৰ পৰিচয় বহন কৰি আহিছে অতীজৰে পৰা। দৰাচলতে বিপদগ্ৰস্ত আৰ্তজনৰ দুখ-দুৰ্গতি মোচন কৰি বিপদভঞ্জন হ'লে মন পথাৰত যি অনাবিল প্ৰশান্তিৰ মন্দাকিনী ধাৰা বৈ আহে তাক লালিত্যময় ভাষাৰে প্ৰকাশ কৰা বৰ কঠিন। পীড়িতজনে দুখৰ বোজাৰ পৰা কিঞ্চিৎ সকাহ পালেও মুখত যি এমোকোৰা হাঁহি বিৰিঙি উঠে তাৰ পশ্চাৎ পটভূমিতে অন্তৰ্নিহিত হৈ থাকে মানুহে স্বতঃস্ফূৰ্তভাৱে সহযোগিতাৰ বাবে আগবাঢ়ি অহাৰ মানৱীয় প্ৰমূল্যবোধৰ মূলমন্ত্ৰ। মানৱতাবাদৰ দুৱাৰ উন্মোচন কৰা তেনে এক আটাইতকৈ সৰ্বোৎকৃষ্ট মানৱসেৱা হ'ল - স্বেচ্ছামূলক ৰক্তদান।

স্মৰ্তব্য যে তৰল সংযোজক কলা তেজ মুঠতে চাৰিটা অংশ প্লাজমা, শ্বেত ৰক্তকণিকা, লোহিত ৰক্তকণিকা, অনুচক্ৰিকাৰে গঠিত হয়। ৰক্তকণিকাবিহীন তেজৰ পনীয়া অংশক প্লাজমা বুলি কয়। এই প্লাজমাত বাকী তিনি বিধ ৰক্তকণিকা ওপঙি থাকি মৌলিক কাৰ্যসমূহ সম্পাদনা কৰি থাকে। এণ্টিজেন A আৰু এণ্টিজেন B থকা-নথকাৰ ওপৰত ভিত্তি কৰি তেজৰ বৰ্গীকৰণ কৰা A, B, AB, O গ্ৰুপৰ তেজ শৰীৰত হীন-দেৰি হ'লে নানান বিসংগতি দেখাৰ লগতে ৰোগী মৃত্যু বৰণ কৰিব লগাত পৰে। দুৰ্ঘটনাত পতিত হৈ অত্যধিক ৰক্তক্ষৰণ হ'লে, দীৰ্ঘদিন ধৰি ৰক্তহীনতাত ভুগি থাকিলে, অস্ত্ৰোপচাৰ কক্ষত ৰোগীৰ ৰক্তক্ষয় হ'লে, দুৰাৰোগ্য ৰোগত আক্ৰান্ত হ'লে, থেলাচেমিয়া, হিমোফিলিয়া, এনিমিয়া, ৰক্ত বিকৃত হোৱা ৰোগ, তেজ গোট মৰা বিসংগতিজনিত ৰোগৰ স্বীকাৰ হ'লে, গৰ্ভৱতী মহিলাৰ প্ৰসৱকালীন অস্ত্ৰোপচাৰৰ ফলত শৰীৰত ৰক্তৰ পৰিমাণ হ্ৰাস হ'লে, ক্ষতি হোৱা তেজৰ চাহিদা পূৰণৰ নিমিত্তে অন্য জন-দৰদীৰ পৰা তেজ গ্ৰহণ কৰিব লগা হয়। গতিকে দুৰ্ঘটনাই হওক নতুবা ৰোগৰ স্বীকাৰ হওক জীৱনৰ অতিকৈ সংশয় মুহূৰ্তত সুৰক্ষিত তেজে জীৱন দান কৰে বুলি সহজে ক'ব পাৰি। প্ৰণিধানযোগ্য যে আমাৰ দেশৰ শিক্ষিত, অৰ্ধ-শিক্ষিত বা অশিক্ষিত মানুহৰ মাজত অজ্ঞতা আৰু বদ্ধমূল ভ্ৰান্ত ধাৰণাৰ বাবে প্ৰয়োজনীয় ৰক্তৰ সৰবৰাহ নোহোৱাৰ পৰিপ্ৰেক্ষিতত বৃহৎসংখ্যক মুমূৰ্ষু ব্যক্তিক হেৰুৱাবলগীয়া হয়। এনে অবাঞ্চিত মৃত্যুক ৰোধ কৰিবলৈ জনসাধাৰণ তেজ আৰু তেজ সৰবৰাহৰ বিষয়ে সম্যক জ্ঞান থকাটো অতীৱ প্ৰয়োজন। দৰাচলতে চিকিৎসা বিজ্ঞান মতে এইচ আই ভি, মেলেৰিয়া, হেপেটাইটিছ -বি ভাইৰাছৰ দ্বাৰা সংক্ৰমিত নোহোৱা ১৮ বছৰৰ উৰ্দ্ধৰ প্ৰতিজন সুস্থ-সবল ব্যক্তিয়ে ৰক্তদান কৰিব পাৰে স্ব-ইচ্ছাই। তেজত হিমগ্লবিনৰ স্তৰ ১২-১৪ মিলিগ্ৰাম যদি এল থকা ৫০ কেজিৰ অধিক দৈহিক ওজনৰ সকলো পুৰুষ-মহিলাই ৰক্তদান কৰিব পাৰে। এজন নিয়মীয়া ৰক্তদাতাই ৪৭০ মিঃলিঃ তেজ দান দিব পাৰে, যিটো দৰাচলতে এজন প্ৰাপ্তবয়স্ক ব্যক্তিৰ দেহৰ মুঠ তেজৰ মাত্ৰ ৮ শতাংশ। প্ৰায় ২৪ - ৪৮ ঘণ্টাৰ ভিতৰত দুনাই দেহে তেজখিনি উৎপাদন কৰিবলৈ সক্ষম হয় যেতিয়া পুৰুষৰ ক্ষেত্ৰত প্ৰতি তিনি মাহৰ মূৰে মূৰে আৰু মহিলাৰ ক্ষেত্ৰত চাৰি মাহৰ মূৰে মূৰে এবাৰকৈ বিনাদ্বিধাই ৰক্তদান কৰিব পাৰে। গতিকে মানুহৰ মাজত যি অহেতুক শংকা আৰু অমূলক সংস্কাৰে বিৰূপ ক্ৰিয়া কৰি থাকে তাৰ কোনো বৈজ্ঞানিক সত্যতা নাই। শৰীৰৰ লোকচান হোৱাৰ পৰিৱৰ্তে তেজৰ পৰীক্ষা -নিৰীক্ষাৰ লগতে দেহত আইৰণৰ মাত্ৰা ঠিকে ৰখাত, দেহৰ ৰক্তচাপ, কলেষ্টেৰলৰ মাত্ৰা সঠিক কৰি ৰখাত আৰু কেলৰি, মেদবহুলতা নোহোৱা কৰাত অৰিহণা যোগায় বুলি চিকিৎসা বিজ্ঞানে মত পোষণ কৰে।



উল্লেখ্য যে ১৮৬৮ চনৰ জুন মাহৰ ১৪ তাৰিখে তেজৰ এ, বি, আৰু ও গ্ৰুপৰ আৱিষ্কাৰক লগতে ন'বেল বঁটাৰে বিভূষিত বিশ্ব বৰেণ্য জীৱবিজ্ঞান ডাঃ কাৰ্ল লেণ্ডষ্টেইনাৰৰ জন্ম হৈছিল। তেওঁৰ জন্মৰ লগত সংগতি ৰাখি শাৰীৰিকভাৱে সুস্থ-সবল ব্যক্তিৰ মাজত ৰক্তদানৰ প্ৰতি সজাগতা আৰু সচেতনতা উন্মেষ সূচনা কৰিবলৈ প্ৰত্যেক বছৰৰ ১৪ জুন তাৰিখটো 'বিশ্ব ৰক্তদাতা দিৱস' হিচাপে উদ্‌যাপন কৰি আহিছে ২০০৪ চনৰ পৰা। বিশ্ব স্বাস্থ্য সংস্থা, ইণ্টাৰনেচনেল ফেডাৰেচন অৱ ৰেডক্ৰছ আৰু ৰেড ক্ৰেছেণ্ট ছ'চাইটীৰ যুটীয়া উদ্যোগত শুভাৰম্ভণি কৰা বিশ্ব ৰক্তদাতা দিৱস প্ৰত্যেক বছৰে উদ্‌যাপিত হয় গুৰুত্বপূৰ্ণ শ্ল'গানেৰে। এইবাৰ বিশ্ব ৰক্তদাতা দিৱস ২০২২ৰ শ্ল'গান হ'ল - Donating blood is an act of solidarity. Join the effort and save lifes.

বাৰ্তাটোৱে সমগ্ৰ বিশ্বৰ বৃহৎসংখ্যক লোকক নিয়মীয়াকৈ ৰক্তদান কাৰ্যসূচীত অংশগ্ৰহণ কৰি একাত্মবোধ যোগাবলৈ আকুল আহ্বান জনায়।

পৰিশেষত ক'ব বিচাৰো যে মানুহে মানুহক সহায় কৰিবলৈ অসংখ্য ধন-দৌলতৰ প্ৰয়োজন নহয়, প্ৰয়োজন মাথোঁ সদিচ্ছা আৰু সু- দৃষ্টিভংগীযুক্ত এটা মনৰ। এই ক্ষণভংগুৰ জীৱনত কাক কেতিয়া তেজৰ প্ৰয়োজন হয় কোনেও ক'ব নোৱাৰে, গতিকে স্ব-ইচ্ছাই ৰক্তদান কৰি দায়িত্বশীল নাগৰিকৰ পৰিচয় বহন কৰিলে নিশ্চয় পৰৱৰ্তী কালত নিজৰ প্ৰয়োজনত তাৰ চাহিদা পূৰণ হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা থাকে। জীৱনত দান দিবলৈ উদ্বুদ্ধ হ'লেহে নিজৰ সংকটময় জীৱনৰো পুনৰুজ্জীৱিত হোৱাৰ আকাংক্ষা কৰিব পাৰি। গতিকে আহক স্বেচ্ছামূলক ৰক্তদানৰ বাবে সকলোৱে একেমুখে অংগীকাৰবদ্ধ হওঁ আৰু মনতে আওৱাও সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীতৰ অন্তৰা-

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া ?

ফোন ঃ ৭৫৭৬৮-৯৫৯৭০

# মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত মুখ্যমন্ত্ৰীৰ সিদ্ধান্ত ভুল আছিল নেকি?

■ ব্ৰজেন জীৱন

অসমৰ বিজেপি চৰকাৰে কেবিনেট মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ আৰু দপ্তৰ কিছুমান ৰদ-বদল কৰাৰ পিছত বিৰোধী দলৰ ৰাজনৈতিক নেতাৰ বহুজনে হৈ-চৈ লগাইছে। ছ'চিয়েল মিডিয়াতো মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক কিছুসংখ্যক ব্যক্তিয়ে তাচ্ছিল্যও কৰা দেখা গৈছে। কিন্তু কিয় অসমৰ এগৰাকী মুখ্যমন্ত্ৰীৰ সিদ্ধান্তৰ ওপৰত বাক্-বিতণ্ডা কৰা হৈছে? মুখ্যমন্ত্ৰীৰ সিদ্ধান্তত কিবা আসোঁৱাহ আছে নেকি? মোৰ এই আলোচনা কোনো পক্ষপাতমূলক নহয়। আৰু মই কোনো ৰাজনৈতিক দলৰো সদস্য নহয়। মই মাথোঁ সু-সিদ্ধান্তৰ কেইটামান দিশহে আলোচনা কৰিব খুজিছোঁ। কিয়নো সু-স্বাস্থ্যই যেনেকৈ এজন ব্যক্তিক অপাৰ আনন্দ দিয়ে, সেইদৰে সু-সিদ্ধান্তই জীৱন ধুনীয়া কৰে। বিখ্যাত দাৰ্শনিক এৰিষ্ট'টলৰ মতে স্থিৰ সিদ্ধান্তত উপনীত হ'ব নোৱৰা স্বভাৱৰ লোকতকৈ দুৰ্ভগীয়া আৰু কোনো নাই। এই কথাষাৰৰ যুক্তিযুক্ততা নাই বুলি একেষাৰে কৈ দিব পৰা নাযায়। সমাজপ্ৰিয় মানুহ হিচাপে মানুহে নিজৰ, পৰিয়ালৰ বিভিন্ন দিশত প্ৰগতি আৰু বিকাশৰ বাবে চিন্তা কৰা এক স্বাভাৱিক লক্ষণ। ঠিক সেইদৰে এজন নেতাই নিজৰ লগতে নিজৰ দলৰ প্ৰগতি আৰু বিকাশৰ চিন্তা কৰাটোও এক কৰ্তব্য হিচাপে গণ্য কৰা হয়। কিছুমান সিদ্ধান্ত লোৱাৰ পিছত একোজন ব্যক্তিয়ে কেতিয়াবা বহুতো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হোৱাৰ উপৰি আন কেতবোৰ গুৰুতৰ সমস্যাৰ সন্মুখীন হ'ব লগা হয়। অৱশ্যে ব্যক্তিগত জীৱনত লোৱা সিদ্ধান্ততকৈ সামাজিক বা দলীয় ক্ষেত্ৰত লোৱা সিদ্ধান্তই ভৱিষ্যৎ উন্নতি বা অধোনতিত প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে সামাজিক ক্ষেত্ৰত সিদ্ধান্ত ল'বলৈ যাওঁতে বিষয়সমূহ অত্যন্ত গভীৰভাৱে চালি-জাৰি চাই পৰ্যালোচনা কৰিব লাগে। কেতিয়াবা একোটা ভুল সিদ্ধান্তই নিজক শেষ কৰাৰ লগতে একোটা পৰিয়াল ধ্বংস হোৱাৰ উদাহৰণ যেনেকৈ বিৰল, তেনেকৈ একো একোটা ভুল সিদ্ধান্তৰ বাবে একোখন সমাজ বা দেশো ধ্বংস হৈ যোৱা উদাহৰণ বিৰল। একেবাৰে চমু উদাহৰণ হিচাপে ইউক্ৰেইন আৰু ৰাছিয়াৰ বৰ্তমানৰ অৱস্থাৰ কথাকে ক'ব পাৰি। সেয়ে আমি সকলোৱে একোটা সিদ্ধান্ত ল'বলৈ যাওঁতে এটা কথাই মনত ৰাখিব লাগিব যে আমি আমাৰ সিদ্ধান্তৰ দ্বাৰা এটা সমস্যা সমাধান কৰিবলৈ আগবাঢ়িছোঁ, সমস্যা সৃষ্টি কৰিবলৈ নহয়।

আমি যদি আমাৰ মুখ্যমন্ত্ৰীৰ সিদ্ধান্তক ভুল বুলি ভাবিছোঁ, তেন্তে হয়তো ভৱিষ্যতে সমস্যাৰ সৃষ্টি পৰিলক্ষিত হোৱাটো স্বাভাৱিক। কিন্তু আমি কেনেকৈ ভাবিব পাৰিলো যে তেখেতৰ সিদ্ধান্ত ভুল? মুখ্যমন্ত্ৰীৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ আৰু দপ্তৰ ৰদ-বদলিকৰণত কেইটামান দিশ আমি পৰ্যবেক্ষণ কৰিব লাগিব। মন্ত্ৰী যোগেন মহনৰ পৰা mines and minerals বিভাগ কৰ্তন কৰি নতুন মন্ত্ৰী নন্দিতা গাৰলোচাক দিয়া হৈছে। বিমল বড়াৰ পৰা শক্তি বিভাগ কৰ্তন কৰি পাহাৰীয়া অঞ্চলৰ নন্দিতা গাৰ্লোচাক দিয়া হৈছে। চন্দ্ৰমোহন পাটোৱাৰীৰ পৰা পৰিবহণ বিভাগ কৰ্তন কৰি পৰিমল শুক্লবৈদ্যক দিয়া হৈছে। একেদৰে পৰিমল শুক্লবৈদ্যৰ পৰা বন বিভাগ কৰ্তন কৰি চন্দ্ৰমোহন পাটোৱাৰীক দিয়া হৈছে। ৰঞ্জিত দাসৰ পৰা জনস্বাস্থ্য কাৰিকৰী বিভাগ কৰ্তন কৰি মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্ত মল্ল বৰুৱাক দিয়া হৈছে। লগতে পৰ্যটন আৰু Skill development বিভাগৰো দায়িত্ব দিয়া হৈছে জয়ন্ত মল্ল বৰুৱাক। আনহাতে, পাটোৱাৰীৰ পৰা উদ্যোগ বিভাগ কৰ্তন কৰি বিমল বড়াক দিয়া হৈছে। তদুপৰি অসম চৰকাৰৰ নৱতম দপ্তৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ (অনুসূচিত জাতি উন্নয়ন বিভাগ) দায়িত্বপ্ৰাপ্ত মন্ত্ৰী পীযূষ হাজৰিকাক দিয়া হৈছে। এই সমগ্ৰ সিদ্ধান্তবোৰ মনে হয় মুখ্যমন্ত্ৰীয়ে নিজে লোৱা সিদ্ধান্ত নহয় বা এককক্ষীয়ভাৱে লোৱা সিদ্ধান্তও নহয়। যদিওবা মুখ্যমন্ত্ৰীগৰাকীয়ে নিজেই এক সিদ্ধান্তত উপনীত হৈ কাৰ্য সম্পাদন কৰিছে সেই সিদ্ধান্তৰ ওপৰত বাহিৰৰ পৰা বিৰূপ মন্তব্য দিয়া যুগুত নহয়। কাৰণ, প্ৰত্যুৎপন্নমতি, দূৰদৰ্শী আৰু পৰিপক্ক আৰু দক্ষ ৰাজনীতিবিদ হিচাপে খ্যাতি অৰ্জন কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে তেনে ভুল সিদ্ধান্ত গ্ৰহণ কৰিব বুলি ভাবিব নোৱাৰি। আমি সকলোৱে ভালকৈ জানো যে জীৱনৰ প্ৰত্যেকটো জটিল সমস্যাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সিদ্ধান্তসমূহ চূড়ান্তভাৱে নিজেই গ্ৰহণ কৰা উচিত। কাৰণ, আপোনাৰ জীৱনৰ লক্ষ্য বা উদ্দেশ্য কি বা আপুনি আপোনাৰ ভৱিষ্যৎ কিদৰে নিৰূপণ কৰিব সেয়া আপোনাতকৈ অধিক কোনেও জানিব নোৱাৰে। অসমৰ বৰ্তমানৰ কেবিনেট মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ হৈছে যদিও বিভাগ অনুযায়ী মন্ত্ৰীসভাখন এতিয়াও সম্পূৰ্ণ হোৱা নাই। আমি আশাবাদী অচিৰেই মন্ত্ৰীসভাখন সম্পূৰ্ণ হৈ উঠিব আৰু ইয়াত কোনো বিসম্বাদ নাথাকিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱে সঠিক সময়ত সঠিক সিদ্ধান্ত গ্ৰহণ কৰিব।

ফোন ঃ ৮৬৩৮৭-৫৯৬৭৯



# শুৱালকুছিত অনুসূচিত ধোবী জাতিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা

## জাতিগত প্ৰমাণ-পত্ৰ প্ৰদানত চিনাক্তকৰণৰ বাবে সকলো জাতি-জনগোষ্ঠীক একত্ৰিত হোৱাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৩ জুন ঃ** সদৌ অসম অনুসূচিত ধোবী জাতি লোক কল্যাণ পৰিষদৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা এখন আজি শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। পৰিষদৰ ৰাজ্যিক সভাপতি দিলীপ মেধিৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিগত সভাৰ কাৰ্য বিৱৰণী পাঠ কৰে সাধাৰণ সম্পাদক যোগেশ চৌধুৰীয়ে। সভাত চৰকাৰে শেহতীয়াভাৱে 'ভূমিপুত্ৰ' আঁচনিৰ জৰিয়তে জাতিগত প্ৰমাণ-পত্ৰ খৰতীয়াকৈ প্ৰদান কৰিব বিচৰা কাৰ্যক সভাই আদৰণি জনায়। কিন্তু জাতি-জনগোষ্ঠীৰ হৈ প্ৰতিনিধিত্ব কৰা সংগঠনসমূহৰ আপত্তিবিহীন প্ৰমাণ নোহোৱাকৈ জাতিগত প্ৰমাণ-পত্ৰ দিব বিচৰা কাৰ্যৰ তীব্ৰ বিৰোধ কৰে। পিতৃৰ জাতিগত প্ৰমাণ-পত্ৰখনকে মূল নথি হিচাপে লৈ জাতিগত প্ৰমাণ-পত্ৰ উপায়ুক্তৰ জৰিয়তে প্ৰদান কৰিলে অনাগত দিনত বহুত সমস্যাৰ




সৃষ্টি হ'ব। সেয়েহে প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা সংগঠনৰ পৰা আপত্তিবিহীন প্ৰমাণ-পত্ৰ পোৱাৰ পিছতহে জাতিগত প্ৰমাণ-পত্ৰ প্ৰদান কৰিবলৈ ৰাজ্যিক কাৰ্যনিৰ্বাহকে চৰকাৰক দাবী জনায়। এইক্ষেত্ৰত সকলো জাতি-জনগোষ্ঠীক একত্ৰিত হৈ কাম কৰাৰ বাবে আজিৰ কাৰ্যনিৰ্বাহকে আহ্বান জনায়। প্ৰয়োজনবোধে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সংগঠনসমূহ অচিৰেই একত্ৰ হৈ এইক্ষেত্ৰত এক উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে সভাই মত পোষণ কৰে। লগতে প্ৰতিখন জিলা সমিতিয়ে সংশ্লিষ্ট জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এই সন্দৰ্ভত একোখনকৈ স্মাৰক-পত্ৰ প্ৰদানৰ এক প্ৰস্তাৱ গ্ৰহণ কৰে। সভাত অসমত বাস কৰা ধোবী জাতিৰ লোকসকলৰ এক লোক গণনা প্ৰস্তুত কৰি আগত ৩১ ডিচেম্বৰ/২২ৰ ভিতৰত লোক-গণনাৰ কাম সম্পূৰ্ণ কৰাৰ বাবে জিলা সমিতিসমূহক দায়িত্ব দিয়া হয়। সভাত আগন্তুক পৰিষদৰ দশম ত্ৰি-বাৰ্ষিক বৰপেটা অধিৱেশন সন্দৰ্ভতো এক বিস্তৃত আলোচনা কৰা হয়। বৰপেটা জিলা সমিতিয়ে অধিৱেশনৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰি অধিৱেশনত সৰ্বাংগসুন্দৰ কৰি তোলাৰ চেষ্টাৰ ত্ৰুটি নকৰে বুলি জিলা সভাপতি শংকৰ সৌৰভ দাসে সভাত ঘোষণা কৰে। সভাত সাংগঠনিক দিশৰ ওপৰতো বিভিন্ন আলোচনা-পৰ্যালোচনা কৰা হয়। সভাত ৰঙিয়া জিলাৰ সভাপতি যাদৱ বৈশ্যৰ আশু আৰোগ্য কামনা কৰাৰ লগতে কেইবাজনো ব্যক্তিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰা হয়। সম্পাদক যোগেশ চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়োৱা সভাত অংশগ্ৰহণ কৰা বিভিন্ন জিলাৰ প্ৰতিনিধিসকলৰ স্বাস্থ্য পৰীক্ষা কৰে ফিজিঅ' চিকিৎসক প্লাৱণজ্যোতি ভৰালীয়ে। শুৱালকুছি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে সভাখন অনুষ্ঠিত কৰা সৰ্বোতপ্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাত সভাই অধ্যক্ষগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

# শিক্ষক ইন্দ্ৰকান্ত ভূঞাৰ বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ১৩ জুন ঃ** শোণিতপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ এক পিছপৰা অঞ্চলৰ এখন গাঁও ২নং শিঙিমাৰী। ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত এই গাঁওখন। উক্ত গাঁৱৰেই ২নং শিঙিমাৰী প্ৰাথমিক বিদ্যালয়ত সুদীৰ্ঘকাল শিক্ষকতাৰ দৰে মহান সেৱাত ব্ৰতী হৈ ইন্দ্ৰকান্ত ভূঞাই যোৱা 30 এপ্ৰিলত চৰকাৰীভাৱে অৱসৰ গ্ৰহণ কৰিছিল। বিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে পৰাই এই পিছপৰা অঞ্চলত শিক্ষাৰ পোহৰ বিলাই আহিছিল প্ৰধান শিক্ষক ইন্দ্ৰকান্ত ভূঞাই। বিনা বেতনে দহ-বাৰ বছৰলৈকে শিক্ষাদান কৰাৰ পিছতহে চৰকাৰীকৰণ হৈছিল বিদ্যালয়খন। ১২ জুনত বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত শিক্ষাগুৰুজনক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিদায় সম্ভাষণ জনোৱা হয়। উক্ত বিদায় সভাত সভাপতিত্ব কৰিছিল শ্ৰীশ্ৰীকলীয়া ঠাকুৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰিয়কান্ত মহন্তই। অমায়িক স্বভাৱৰ সহজ-সৰল মনৰ শিক্ষাগুৰুজনক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজ তথা আই মাতৃসকলে নাম-সংকীৰ্তন গাই প্ৰায় দুই কিলোমিটাৰ পথেৰে বিদ্যালয়লৈকে আদৰি অনা দৃশ্যই এজন শিক্ষকৰ মৰ্যাদা আৰু কৃতিত্ব বহন কৰিছিল। আদৰি আনোতে ঠায়ে ঠায়ে প্ৰিয় শিক্ষাগুৰুজনৰ ভৰি ধুৱাই শ্ৰদ্ধা, সেৱা জনোৱা দৃশ্যই স্বাভাৱিকতে সকলোকে আৱেগিক কৰি তুলিছিল। শিক্ষক তথা প্ৰাক্তন ছাত্ৰ দ্বিজেন বৰাই আঁত ধৰা অনুষ্ঠানত উপস্থিত আছিল প্ৰাক্তন অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক লীলাধৰ নাথ, বিশিষ্ট সমাজকৰ্মী ফটিক বৰা, ৰামদেৱ আতা নামঘৰৰ নামঘৰীয়া মহেন শইকীয়াকে আদি কৰি শুভকান্ত বৰা, নগেন বৰা, যোগেন দাস, কন্দৰ্প বৰা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজেন শইকীয়া। সভাত উপস্থিত একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু ৰাইজে শিক্ষাগুৰু ইন্দ্ৰকান্ত ভূঞাৰ কৰ্মৰাজি তথা ত্যাগক স্মৰণ কৰি বক্তব্য আগবঢ়ায়। বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষাগুৰুজনক ফুলাম গামোচা, মানপত্ৰ, জাপি আৰু শৰাইৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে উক্ত অনুষ্ঠানতে অঞ্চলটোৰ সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলকো একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। 'সৰু ছাৰ' নামেৰে জনপ্ৰিয় ইন্দ্ৰকান্ত ভূঞাৰ প্ৰতি ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মৰম, স্নেহ আৰু শ্ৰদ্ধাই শিক্ষকৰ আচল মূল্যায়ন কৰিছে।

# সাক্ষৰ ভাৰত মিছনৰ কৰ্মীসকলক আশ্বাস প্ৰদান মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৩ জুন ঃ** সাক্ষৰ ভাৰত মিছনৰ সদৌ অসম সাক্ষৰ ভাৰত কৰ্মীসমূহক মাননি মোকলাই দিয়া আৰু পুনঃ সংস্থাপনৰ সম্পৰ্কত আশ্বাস প্ৰদান কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ৭ জুনত সদৌ অসম সাক্ষৰ ভাৰত কৰ্মী সন্থাৰ এটা প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি এখন আবেদন প্ৰদান কৰিছিল। আৱেদন মৰ্মে সাক্ষৰ ভাৰত মিছনৰ মাধ্যমিক শিক্ষা বিভাগ আৰু অনানুষ্ঠানিক আৰু প্ৰাপ্তবয়স্ক শিক্ষা অসমৰ নিৰ্দেশত ২০১০ চনত ৰাজ্যখনৰ ১২ জিলাত শিক্ষিত নিবনুৱাসকলক নিযুক্তি প্ৰদানৰ অৰ্থে নিয়োগ কৰিছিল। জিলা কেইখন আছিল দৰং, ধুবুৰী, বৰপেটা, হাইলাকান্দি, ধেমাজি, কোকৰাঝাৰ, শোণিতপুৰ, কাৰ্বি-আংলং, গোৱালপাৰা, তিনিচুকীয়া, বঙাইগাঁও আৰু মৰিগাঁও। জিলা, খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্যায়ত এই কৰ্মীসকল এই আঁচনিখনত নিয়োজিত কৰিছিল। কিন্তু পৰিতাপৰ বিষয় এয়ে যে সুদীৰ্ঘ ৮ বছৰে এই আঁচনিখনত কাম কৰিও ১২ মাহৰ পাৰিশ্ৰমিক আজি পৰ্যন্ত নাপালে আদায়। শেহতীয়াভাৱে এই শিক্ষিত নিবনুৱাসকলৰ মূৰত ৰাম টাঙোন শোধাই এই আঁচনিখনত অন্তৰ্ভুক্ত কৰ্মচাৰীসকলক নিয়মীয়াকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰি থকাৰ সময়তে ২০১৮ বৰ্ষত তদানীন্তন শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ দিনতে এই আঁচনিখনৰ ম্যাদ শেষ হোৱা বুলি জাননী জাৰী কৰিছিল। তেতিয়াৰে পৰাই একপ্ৰকাৰ এই আঁচনিখনত নিয়োজিত ৩,৭৭৫জন শিক্ষিত যুৱক-যুৱতীৰৰ জীৱন-জীৱিকাও হৈ পৰিছিল অচলা অৱস্থাৰ।



# কাকজান জোনাকী প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৩ জুন ঃ** টীয়ক সমষ্টিৰ অন্তৰ্গত দ- গাঁও জোনাকী প্ৰাথমিক বিদ্যালয়ত সোমবাৰে ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। দ-গাঁও জোনাকী প্ৰাথমিক বিদ্যালয়ত ৭২জন ছাত্ৰ-ছাত্ৰী অনুপাতে মাত্ৰ এগৰাকী অস্থায়ী শিক্ষয়িত্ৰীৰে পাঠ দান কৰিব লগাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমস্যাৰ সৃষ্টি হৈছে। ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে শিক্ষক নথকা বিষয়টো বিভিন্ন সময়ত বিদ্যালয় পৰিচালনা সমিতি, স্থানীয় ৰাইজে মধ্য যোৰহাট শিক্ষা খণ্ড বিষয়া, জিলা শিক্ষা বিষয়াক বহুবাৰ আৱেদন-নিৱেদন কৰাৰ পাছতো শিক্ষক নিযুক্তি নিদিয়াৰ প্ৰতিবাদত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক নিযুক্তি প্ৰদান কৰাক লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সোনকালে স্থায়ী শিক্ষক নিযুক্তি কৰিবলৈ আহ্বান জনায়।

# নলবাৰীত এপ'ল হাস্পতাল তথ্য কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৩ জুন ঃ** নলবাৰীবাসী ৰাইজৰ বাবে এটি সুখবৰ। নলবাৰী গোপাল বজাৰত আজিৰে পৰা মুকলি কৰা হ'ল এপল' হাস্পতাল তথ্য কেন্দ্ৰ। তথ্য কেন্দ্ৰটো মুকলি কৰে চেন্নাইৰ এপল' হাস্পতালৰ অভিজ্ঞ চিকিৎসক চেণ্টামিল ছেলভিয়ে। নলবাৰীৰ লগতে নলবাৰীৰ নিকটৱৰ্তী অঞ্চলৰ লোকসকলে শৰীৰৰ যিকোনো ৰোগ সম্পৰ্কে এই তথ্য কেন্দ্ৰত যোগাযোগ কৰি চিকিৎসা সেৱা গ্ৰহণ কৰি আৰোগ্য লাভ কৰিব পাৰিব। তদুপৰি তথ্য কেন্দ্ৰটোৰ স্বত্বাধিকাৰী অমৰেন্দ্ৰ ডেকাই জানিবলৈ দিয়ে যে কিছু দিনৰ পৰা এপল' হাস্পতালৰ আন দুগৰাকী অভিজ্ঞ চিকিৎসক চেন্থিল কুমাৰ দুৰাই আৰু বালামুৰুগান কাৰুপ্পায়ো উপস্থিত থাকিব নলবাৰী গোপাল বজাৰস্থিত এপল' হাস্পতাল তথ্য কেন্দ্ৰত।

# ওদালগুৰিত বিজেপিৰ সেৱা, সু-শাসন, গৰিব কল্যাণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৩ জুন ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰধানমন্ত্ৰিত্বৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে ১২ জুনত ওদালগুৰি জিলা বিষ্ণু ৰাভা প্ৰেক্ষাগৃহত ভাৰতীয় জনতা পাৰ্টী, সেৱা, সু-শাসন আৰু গৰিব কল্যাণ কাৰ্যসূচীৰ অধীনত এখন হিতাধিকাৰীৰ সন্মিলন সভা অনুষ্ঠিত হয়। সভাত ওদালগুৰি জিলা সভাপতি সুনীল কুমাৰ বসুমতাৰী, ওদালগুৰি জিলা উপ-সভানেত্ৰী লক্ষী মৈনালী, জিলা সাধাৰণ সম্পাদকদ্বয় জয়কান্ত শৰ্মা আৰু বলেন্দ্ৰ ব্ৰহ্ম, জিলা সম্পাদক জোশ্ৰাং বড়ো, বিনীতা কলিতা, জিলা কাৰ্যালয় সম্পাদক পৱন দাস, জিলা সহঃ কাৰ্যালয় সম্পাদক অনুপম শৰ্মা, জিলা কোষাধ্যক্ষ কিশোৰ বায়ন, বিটিআৰৰ ই এম সঞ্জীত তাঁতী আৰু দিগন্ত বৰুৱা, বিটিআৰৰ এমচিলএসকল ক্ৰমে দীপক মৌৰ আৰু ভবেন্দ্ৰ বড়ো, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে জিতু কিষাণ, নিৰঞ্জন সিং, কাৰ্তিক চন্দ্ৰ বড়ো, নীলিমা ব্ৰহ্ম, সুজিত সৰকাৰ, জিলা কাৰ্যনিৰ্বাহক সদস্যসকল, জিলা মৰ্চাৰ সভাপতি-সম্পাদকসকল, প্ৰতিটো মণ্ডল সভাপতি-সম্পাদকসকলৰ লগতে বিভিন্ন দায়িত্বত থকা দলীয় কাৰ্যকৰ্তা, শুভাকাংক্ষী আদি উপস্থিত থাকে। জিলা সভাপতিৰ সভাত উপস্থিত থকা ভাৰতীয় জনতা পাৰ্টীৰ দলীয় কাৰ্যকৰ্তাসকলক মই কৰিম, মই



পাৰিম, মই কৰিবই লাগিব বুলি শ্ল'গানেৰে উৎসাহ প্ৰদান কৰে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ জন-কল্যাণমূলক আঁচনি, চৰকাৰৰ সু-শাসন ব্যৱস্থা, জনসাধাৰণৰ প্ৰতি বৰ্তমানৰ চৰকাৰখনে হিতাধিকাৰীসকললৈ আগবঢ়োৱা সেৱা, সুবিধাসমূহৰ বিষয়ে সভাত উপস্থিত থকা বিভিন্ন দায়িত্বত থকা ব্যক্তিসকলে উপস্থাপন কৰে।

## চোতাল বৈঠক বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক তথা সাংসদ দিলীপ শইকীয়াই

দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১২ জুন: প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন চৰকাৰখনৰ অষ্টম বৰ্ষপুতি উপলক্ষে নলবাৰীৰ বিলপাৰত চোতাল বৈঠক শীৰ্ষক কাৰ্যসূচী ৰূপায়ন কৰা হয়। ভাৰতীয় জনতা পাৰ্টী নলবাৰী কৃষক মৰ্চাৰ উদ্যোগত নলবাৰীৰ বিলপাৰ গাওঁত এই "চোতাল বৈঠক" শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বৈঠকত অংশগ্ৰহণ কৰে মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া। এই বৈঠকত চৰকাৰী আঁচনিৰ লগতে বিভিন্ন বিষয় সন্দৰ্ভত ভাষণ প্ৰদান কৰে সাংসদ দিলীপ শইকীয়াই। আজিৰ এই চোতাল বৈঠক কাৰ্যসূচীত ভাৰতীয় জনতা পাৰ্টী নলবাৰী কিষাণ মৰ্চাৰ সভাপতি ৰেখান্ত দাস,উপ সভাপতি প্ৰদীপ চৌধুৰী,সাধাৰণ সম্পাদক গোপেচ ভৰালী,জিলা কাৰ্যনিৰ্বাহক বিজু কলিতা, মণ্ডল সভাপতি পুতুল চৌধুৰী সহ কৃষক মৰ্চাৰ বিষয়ববীয়া আৰু সদস্য সকল উপস্থিত থাকে।

# নলবাৰী গৰ্ডন চ'কত নলবাৰীৰ পৌৰপতিয়ে উদ্বোধন কৰিলে 'বান্ধৈ হোটেল, ফেমিলী ৰেষ্টুৰেণ্ট এণ্ড জুইচ চেণ্টাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৩ জুন ঃ** 'পথাৰো আমাৰ বজাৰো আমাৰ' এই শ্ল'গানেৰে এতিয়া অসমত নিবনুৱা যুৱক-যুৱতীয়ে নিজেই খেতি, ব্যৱসায়-বাণিজ্য আত্মনিৰ্ভৰশীল হোৱা পৰিলক্ষিত হৈছে। নলবাৰী জিলাও ইয়াৰ ব্যতিক্ৰম নহয়। নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ বহু নিবনুৱা যুৱক-যুৱতীয়েও কৃষি কাৰ্য তথা ব্যৱসায়-বাণিজ্য কৰি স্বাৱলম্বী হোৱা পৰিলক্ষিত হৈছে। সেই মৰ্মে আজি পথাৰো আমাৰ বজাৰো আমাৰ এই শ্ল'গানক আদৰ্শ হিচাপে লৈ নলবাৰী চামতাৰ ক্ৰমে সুৰজিত ডেকা আৰু অমৰজ্যোতি বৰ্মন নামৰ দুই উদ্যমী যুৱকৰ প্ৰচেষ্টাত নলবাৰী গৰ্ডন চ'কত গঢ়ি উঠা 'বান্ধৈ হোটেল, ফেমিলী ৰেষ্টুৰেণ্ট এণ্ড জুইচ চেণ্টাৰ নামৰ প্ৰতিষ্ঠানখন আনুষ্ঠানিকভাৱে মুকলি কৰে। উদীয়মান যুৱক ৰাজুমণি ডেকাই আঁত ধৰা ব্যৱসায়িক প্ৰতিষ্ঠানখন আনুষ্ঠানিকভাৱে মুকলি কৰে নলবাৰী পৌৰ সভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰে। এই ব্যৱসায়িক প্ৰতিষ্ঠান গঢ় দি উঠি দুয়োগৰাকী যুৱক স্বাৱলম্বী হোৱাৰ লগতে আন ১৭জন স্থানীয় যুৱকক সংস্থাপন দিয়ে। আনহাতে, এই ব্যৱসায়িক প্ৰতিষ্ঠানখন আনুষ্ঠানিকভাৱে উদ্বোধন হোৱাৰ পিছতে প্ৰতিষ্ঠানখনৰ দুয়োগৰাকী স্বত্বাধিকাৰীয়ে বিশেষভাৱে সক্ষম লোক তথা পেডেল মৰা ৰিক্সা আৰু ঠেলাচালকলৈ বান্ধৈত বিশেষ সুবিধা প্ৰদান কৰিব বুলি ঘোষণা কৰে। স্বত্বাধিকাৰী দুগৰাকীয়ে প্ৰকাশ কৰে যে বান্ধৈ হোটেল এণ্ড ৰেষ্টুৰেণ্ট, জুচ চেণ্টাৰত বিশেষভাৱে সক্ষম লোকক যিকোনো খাদ্যত ৫০ শতাংশসহ পেডেল ৰিক্সা আৰু ঠেলাচালকসকলক ২০ শতাংশ ৰেহাই প্ৰদান কৰা হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত নলবাৰী পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ অলকা বৰ্মন, সমাজকৰ্মী চৈয়দ নজৰুল ইছলাম, দিলীপ পাঠক, মহানন্দ বৰ্মন, চম্পক শৰ্মা, তৰুণ বৰকটকীসহ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বোনমাঝা উঃ মাঃ বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ১৩ জুন ঃ** পশ্চিম দৰঙৰ অগ্ৰণী শিক্ষানুষ্ঠান বোনমাঝা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৫৭সংখ্যক বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী অনুষ্ঠান ১১ জুনত অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষমাধৰ চহৰীয়াৰ সভাপতিত্ব কৰা মুকলি সভাখন উদ্বোধন কৰে সাংবাদিক লক্ষ্যধৰ শইকীয়াই। উদ্বোধনী ভাষণত পশ্চিম দৰঙৰ জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিত্বসম্পন্ন মানুহ হিচাপে নিজক গঢ়ি তুলি সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ সংকল্প লোৱাৰ আহ্বান জনায়। তদুপৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সমাজত নিজক প্ৰতিষ্ঠা কৰাৰ সপোন দেখিবলৈ আৰু সপোনৰ বাস্তৱায়িত কৰিবলৈ কঠোৰ শ্ৰম আৰু অধ্যৱসায়ৰ প্ৰয়োজন বুলি দোহাৰে। অসম চৰকাৰৰ এগৰাকী জ্যেষ্ঠ বিষয়া মঞ্জুৰাণী ডেকাই সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ সমান্তৰালভাৱে সাহিত্য, সংস্কৃতি, খেলা-ধূলাই উৎকৰ্ষ সাধনত নিজক জড়িত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত শ্ৰেণী কোঠাতেই ছাত্ৰ-




ছাত্ৰীসকলৰ ভৱিষ্যতৰ লক্ষ্য নিৰ্ধাৰণ কৰি আগবাঢ়িবলৈ আহ্বান জনায়। আনকি কেৰিয়াৰ গাইডেন সম্পৰ্কতো বিদ্যালয়তেই শিক্ষাদান কৰিবলৈ তেওঁ শিক্ষক সমাজক আহ্বান জনায়। সৰাবাৰী ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট অনিল বৰাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি সফলতা প্ৰাপ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ সাধনা কৰাৰ আহ্বান জনোৱাৰ লগতে সকলোতে বিশ্ব-বিশ্ৰুত হৈ পৰা কেইবাজনো ব্যক্তিৰ জীৱন আৰু কৃতীৰ আলোকপাত কৰে। বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভূষণ চন্দ্ৰ চহৰীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক আয়েজুদ্দিন আহমেদে অংশগ্ৰহণ কৰা সভাখনত যথেষ্টসংখ্যক শিক্ষাৰ্থীৰ লগতে অভিভাৱকসকলে অংশগ্ৰহণ কৰে। উক্ত সভাতেই বিদ্যালয় সপ্তাহত পাৰদৰ্শিতা কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে ছাত্ৰ একতা সভাৰ সম্পাদকে প্ৰতিবেদন পাঠ কৰাৰ লগতে বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় শংকৰ ভাৰতীয়ে বিদ্যালয়ৰ প্ৰতিবেদন পাঠ কৰে।

### নলবাৰীৰ শিক্ষানুষ্ঠানসমূহৰ বিদ্যালয়ত বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থাৰ দাবী

# নলবাৰী জিলাৰ উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৩ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে জল জীৱন মিছনৰ অধীনত সকলোকে বিশুদ্ধ খোৱাপানী যোগানৰ বিয়াগোম আঁচনি ৰূপায়ণৰ ঢাক-ঢোল বজালেও এতিয়ালৈকে ইয়াৰ সুফল আজিকোপতি নলবাৰীৰ আগশাৰীৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ হৈ নুঠাত আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে এক স্মাৰক-পত্ৰযোগে নলবাৰীৰ বিদ্যালয়সমূহত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে নলবাৰী জিলা উপায়ুক্তক দাবী জনায়। নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত গৰ্ডন উঃমাঃ বিদ্যালয়, দেৱীৰাম পাঠশালা উঃমাঃ বিদ্যালয় আদিকে ধৰি জিলাখনৰ ভালেমান বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱাত স্বাভাৱিকতে অভিভাৱকসকলক চিন্তিত কৰি তুলিছে। চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ এনে দুৰৱস্থাৰ বাবে দিনক দিনে চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ প্ৰতি ৰাইজৰ আস্থা স্তিমিত হৈ পৰা বুলি একাংশ অভিভাৱকে নিজৰ ক্ষোভ ব্যক্ত কৰিছে। যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম শৰ্মা আৰু সাঃ সম্পাদক কৌশিক বৰ্মন স্বাক্ষৰিত স্মাৰক-পত্ৰযোগে সংগঠনটোৱে গ্ৰীষ্মকালীন সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি বিদ্যালয়সমূহত বিশুদ্ধ খোৱাপানীৰ সু-ব্যৱস্থা কৰাৰ দাবী জনায়।

# ম'হচৰাৰ নছিব আলী একাডেমীত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৩ জুন ঃ** জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ যিকোনো কাম শূন্যৰ পৰা আৰম্ভ কৰিব লাগে। আধা বাটৰ পৰা আৰম্ভ কৰিলে বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। মানৱ জীৱনত সমস্যা থাকিবই আৰু মোকাবিলা কৰি পৰাভূত কৰি আগুৱাই যাব লাগিব। কালি বৰপেটা জিলাৰ দক্ষিণ প্ৰান্তৰ চৰাঞ্চলৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় ম'হচৰা-শিমুলবাৰী নছিব আলী একাডেমীৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে ভাষণ প্ৰদান কৰে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহকাৰী অধ্যাপক নিৰ্মল চন্দ্ৰ কলিতাই। আঞ্চলিক ভিত্তিত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানত নছিব আলী একাডেমীৰ লগতে পাৰ্শ্বৱৰ্তী হালিমন নেছা একাডেমী, মতিউৰ ৰহমান মেমোৰিয়েল আদৰ্শ জাতীয় বিদ্যালয়, আদুৰীপাৰা আদৰ্শ জাতীয় বিদ্যালয়, খোলাবান্ধা হাইস্কুল,



আজগৰ আলী মেমোৰিয়েল হাইস্কুল, বন্দেচ আলী মেমোৰিয়েল একাডেমী আদি কৰি প্ৰতিখন বিদ্যালয়ৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ডিষ্টিংচন, ষ্টাৰ মাৰ্ক, লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, মানপত্ৰ, কিতাপ আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি চান্দ আলী আহমেদৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কৃতী শিক্ষাৰ্থীসকলৰ অভিভাৱক আৰু শিক্ষকসকলকো বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি বহৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হবিবৰ ৰহমান, সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আশ্ৰাফ উদ্দিন আহমেদে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি শৈক্ষিক দিশ সম্পৰ্কে পৰামৰ্শমূলক ভাষণ দিয়ে। উল্লেখ্য যে অতিকৈ পিছপৰা চৰাঞ্চলৰ ভিতৰুৱা গ্ৰামাঞ্চলৰ ব্যক্তিগত শিক্ষানুষ্ঠান নছিব আলী একাডেমীৰ ছাত্ৰ আশ্ৰাফুল আলমে সদ্যঘোষিত মেট্ৰিক পৰীক্ষাত ৯৫ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। সভাত কাছুমাৰা অসম গ্ৰামীণ বিকাশ বেংকৰ বেংক মিত্ৰ আব্দুল গফুৰ মোল্লা, পূব ম'হচৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক মছলিম উদ্দিন, ৰাজ্যিক এন এছ ইউ আইৰ উপ-সভাপতি আনোৱাৰ হুছেইনৰ লগতে বহু কেউগৰাকী ব্যক্তি উপস্থিত থাকে। শিক্ষানুষ্ঠানখনৰ পৰিচালন সঞ্চালক চুলতান মামুদ আৰু অধ্যক্ষ আব্দুল মজিদে সাংবাদিকক জনায় যে ভিতৰুৱা গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে সোনকালেই বিদ্যালয়খনত বিজ্ঞান শাখা সংযোজন কৰা হ'ব।


## TENDER NOTICE

Sealed tender affixing court fee stamp of Rs. 8.25 (Rupees eight and paisa twenty five) only are hereby invited on behalf of the Superintendent of Police. Lakhimpur from the intending suppliers / firms / workshops for supply of spare motor parts and repairing works to the undersigned during the financial year 2022-23.

The tender accompanied by all required documents must be submitted to the undersigned in sealed cover and distinctly marked as **"TENDER FOR SUPPLY OF MOTOR PARTS AND REPAIRING WORKS DURING THE YEAR 2022-23".**

The tender must be dropped in the Tender Box placed in front of the office chamber of the undersigned on or before 20-06-2022 at 1200 Hrs. The tender box will be opened on the same day at 1400 Hrs. in presence of the tenderers or their representatives if any.

The undersigned is not bound to accept the rates and may reject any or all the tenders without assigning any reason thereof.

The successful tenderers must sign an agreement with the undersigned before execution of supply of spare motor parts and repairing of Govt, vehicles.

**Terms and Condition :-**

1. Earnest money Rs. 10,000/- (Ten thousand) only in the form of Bank Draft in favour of the Superintendent of Police. Lakhimpur.
2. PAN Card.
3. Up-to-date valid Sale Tax clearance.
4. Assam Police Registration Certificate
5. Firm Registration Certificate.
6. GST Registration Certificate.

Quotation written in pencil will not be accepted. The Quotation must be written clearly and distinctly with ink or in typewriting.

No tender will be accepted unless by avoid required certificates. Further the successful tenderers must submit a security money of Rs. 10,000/- (Rupees ten thousand) only in the form of NSC / KVP in favour of the Superintendent of Police, Lakhimpur will be returnable after completion of the agreement.

/
Superintendent of Police
Lakhimpur, North Lakhimpur

Janasanyog /C/4462/22



## আইআইটি গুৱাহাটীত ভাৰতীয় জনসাধাৰণৰ বাবে উপযোগী উন্নত বৈশিষ্ট্যৰে সুলভ মূল্যৰ প্ৰস্থেটিক লেগ প্ৰস্তুত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ জুন ঃ** ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ গৱেষকসকলে বিশেষভাৱে নিৰ্মিত প্ৰস্থেটিক লেগ প্ৰস্তুত কৰিছে। ই অসমান ভূখণ্ডৰ বাবে উপযোগী আৰু ই ভাৰতীয় প্ৰয়োজনীয়তা যেনে- ক্ৰছ-লেগ বহা আৰু গভীৰ কুঁজৰাই ৰখাৰ দৰে সহায় কৰে। ইয়াৰ উপৰি ই বিভিন্ন বয়সৰ গোট আৰু কৃত্ৰিম অংগ ব্যৱহাৰৰ একাধিক পৰ্যায়ৰ বাবেও নিয়ন্ত্ৰণযোগ্য। এই গৱেষণা ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয় আৰু ভাৰত চৰকাৰৰ জৈৱ-প্ৰযুক্তি বিভাগৰ পুঁজিৰে সহায় কৰা হৈছিল। আই আই টি গুৱাহাটীৰ গৱেষকসকলে গুৱাহাটীৰ ১৫১খন সেনা ঘাটি চিকিৎসালয়, গুৱাহাটীৰ তোলাৰাম বাফনা কামৰূপ জিলা অসামৰিক চিকিৎসালয়, উত্তৰ গুৱাহাটী গুৱাহাটী স্নায়ু গৱেষণা কেন্দ্ৰ (জিএনআৰচি) আৰু উত্তৰ-পূব ইন্দিৰা গান্ধী আঞ্চলিক স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান (NEIGHRIMS), শিলচৰৰ সৈতে সহযোগিতা আগবঢ়ায়। ভাৰতত কৃত্ৰিম অংগ বিকাশৰ ক্ষেত্ৰত সন্মুখীন হৈছে বহু প্ৰত্যাহ্বান। অংগচ্ছেদ কৰা লোকসকলৰ বাবে অতি কাৰ্যক্ষম গতিশীলতাৰ বাবে উন্নত বৈশিষ্ট্যসমূহৰ সৈতে যন্ত্ৰৰ প্ৰয়োজন হয়, যিবোৰ বিস্তৃত আৰু বহুতে দিব নোৱাৰে। তদুপৰি বজাৰত উপলব্ধ সুলভ মূল্যৰ কৃত্ৰিম অংগসমূহৰ বহুতো কাৰ্যক্ষমতাৰ সীমাবদ্ধতা আছে। ইয়াৰ উপৰি ভাৰতীয় জীৱনশৈলী আৰু অসমান ভূখণ্ডৰ বাবে ভাৰতৰ বাবে অনন্য স্পেচিফিকেচন থকা কৃত্ৰিম অংগৰ প্ৰয়োজন হয়, যিবোৰ বজাৰত বহুলভাৱে উপলব্ধ নহয়। আই আই টি গুৱাহাটীৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক এছ কানাগৰাজৰ নেতৃত্বত এটা দলে এই সমস্যাসমূহ মোকাবিলা কৰিবলৈ ৰাওনা হয়। এই গৱেষণাকাৰী দলটোৱে প্ৰস্তুত কৰা তেওঁলোকৰ মডেলৰ প্ৰট'টাইপসমূহ বৰ্তমান পৰীক্ষামূলকভাৱে চলি আছে। তেওঁলোকৰ গৱেষণাৰ মূল ক্ষেত্ৰসমূহৰ ওপৰত আলোকপাত কৰি আই আই টি গুৱাহাটীৰ মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক এছ কানাগৰাজে কয়, 'আমাৰ দলটোৱে প্ৰস্তুত কৰা আঁঠুৰ সংযোগস্থলত এটা স্প্ৰিং এছিষ্টেড ডিপ স্কুৱেট মেকানিজম আছে, যিয়ে ভাৰতীয় শৌচাগাৰ ব্যৱস্থাক অধিক আৰামদায়কভাৱে ব্যৱহাৰ কৰাত সহায় কৰে; আঁঠুৰ ঘূৰণীয়া ব্যৱস্থাই ভৰি ক্ৰছ কৰি বহি থকাত সহায় কৰে; লক কৰা ব্যৱস্থাই অজ্ঞাত ভূখণ্ডত খোজ কাঢ়ি যোৱাৰ সময়ত ৰোগীৰ পৰি যোৱাৰ ভয় হ্ৰাস কৰাত সহায় কৰে; ৰোগীৰ বয়স আৰু প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি আঁঠুৰ এডজাষ্টেবল লিংকৰ দৈৰ্ঘ্যই অধিক স্থিৰতা বা সহজে মোচন কৰাত সহায় কৰে। সামগ্ৰিকভাৱে আঁঠুৰ সংযোগস্থল ভাৰতীয় জীৱনশৈলী পূৰণ কৰিব পৰাকৈ ডিজাইন কৰা হৈছে, যিটো আন সামগ্ৰীয়ে পূৰণ কৰাত ব্যৰ্থ হয়।

## শিক্ষিত যুৱকৰ কৃষকৰ সফলতাৰ কাহিনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৩ জুন ঃ** মনত অদম্য ইচ্ছাশক্তি আৰু কৰ্মস্পৃহা থাকিলে বোকা-পানী খচকিও সপোন দেখিব পাৰে সফল হোৱাৰ। কম মূলধন, সীমিত উৎসৰে গঢ়ি উঠিব পাৰে বৃহৎ উদ্যোগ। এই কাহিনী গোলাঘাট জিলাৰ মেৰাপানীৰ পদুমপথাৰ অঞ্চলৰ কেইজনমান শিক্ষিত যুৱকৰ। অসম-নাগালেণ্ড সীমাৰ অতিকে ভিতৰুৱা অঞ্চলটোৰ পৰা নেতৃত্ব বহন কৰি স্থানীয় ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষকসকলক লগত লৈ ২০০৭ চনতে আৰম্ভ কৰিছিল পদুমপথাৰ এগ্ৰ' অৰ্গেনিক প্ৰডিউচাৰ কোম্পানী নামেৰে এটা কৃষিভিত্তিক প্ৰতিষ্ঠান। প্ৰথম অৱস্থাত অসম চৰকাৰৰ কিছু সহযোগিতা আৰু অঞ্চলটোৰ পোন্ধৰশ কৃষকৰ ক্ষুদ্ৰ ক্ষুদ্ৰ সহযোগিতাৰে আৰম্ভণি কৰিছিল কৃষিকাৰ্যৰ। যুৱকসকলে অন্যান্য খেতিৰ বিপৰীতে প্ৰথমে অঞ্চলটোৰ ভূমিৰ উৰ্বৰতা আৰু জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰাসায়নিক সাৰ, কীটনাশকৰ পৰিৱৰ্তে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে আৰম্ভ কৰিছিল আদা আৰু হালধিৰ খেতি। ৰাসায়নিক সাৰ আৰু কীটনাশক ঔষধৰ বিৰূপ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি একমাত্ৰ জৈৱিক কেঁচুসাৰ, নিমৰ ঔষধ ব্যৱহাৰ কৰি তেওঁলোকে সীমিত পৰিমাণেৰেই প্ৰথমে ৰোপণ কৰিছিল আদা, হালধি। ইয়াৰ বিষয়ে বিভিন্নজনে জানিব পাৰি বহিঃৰাজ্যৰ কেইবাটাও প্ৰতিষ্ঠান আগবাঢ়ি আহিছিল তেওঁলোকৰ কাষলৈ। উৎপাদিত সামগ্ৰীসমূহৰ গুণাগুণ পৰীক্ষা কৰি হাৰিয়ানা, দিল্লী, পশ্চিমবংগ, হায়দৰাবাদ, মুম্বাই আদি বিভিন্ন স্থানৰ উদ্যোগীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে আৰু তাৰ পাছৰে পৰা থমকি ৰ'ব লগা হোৱা নাই পদুমপথাৰ এগ্ৰ' অৰ্গেনিক প্ৰডিউচাৰ কোম্পানীৰ কৰ্মকৰ্তাসকল। অন্যান্য বহিঃৰাজ্যৰ প্ৰতিষ্ঠানৰ সহযোগত তেওঁলোকৰ উৎপাদিত আদা, হালধি এইবাৰ ৰপ্তানি হ'ল ছৌদি আৰব আৰু ইউ এছ এ পৰ্যন্ত। কেৱল আদা, হালধিয়েই নহয়, এই স্থানৰ পৰা কৃষক গোটটোৱে বহিঃৰাজ্যলৈ প্ৰেৰণ কৰি আহিছে জৈৱিকভাৱে উৎপাদিত অসমৰ নেমু, ৰঙালাও, অমিতা আদি। অসম চৰকাৰৰ কৃষি বিভাগ আৰু উদ্যান শস্য বিভাগৰ সৌজন্যত কৃষকৰ থলুৱা কোম্পানীটোৱে বিভিন্ন সময়ত চৰকাৰী সা-সুবিধা, ৰাজ্য তথা বহিঃৰাজ্যত বিভিন্ন প্ৰশিক্ষণ, ট্ৰেক্টৰ, সামগ্ৰী কঢ়িওৱা বাহন আদি লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে কৃষক কোম্পানীটোৱে এই বৰ্ষৰ পৰা নিজা ব্যৱস্থাৰে জাৰ্মানী, ইউ এছ এ, ছৌদি আৰব, ছিংগাপুৰ আদি বিশ্বৰ কেইবাখনো দেশলৈ নিজা উৎপাদিত সামগ্ৰী প্ৰেৰণ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা বুলি পদুমপথাৰ এগ্ৰ' প্ৰডিউচাৰ কোম্পানীৰ মুখ্য সঞ্চালক অঞ্জল লিম্বু আৰু অন্যতম সহযোগী সঞ্জীত বিশ্বকৰ্মাই জানিবলৈ দিছে। অন্যহাতে চৰকাৰৰ সহযোগত লাভ কৰা আদা আৰু হালধিৰ মেঘা-১, ভোলা আদি উন্নতমানৰ বীজ লাভ কৰি দৈয়াং নদীৰ কাষৰীয়া উৰ্বৰ ভূমিত কোম্পানীটোৰ অন্তৰ্ভুক্ত পোন্ধৰশ কৃষকৰ ১,৫০০ হেক্টৰ ভূমিত জৈৱিকভাৱে আদা-হালধিৰ খেতি কৰিছে। কৃষিৰ জৰিয়তে দৈয়াঙৰ পাৰৰ এদল কষ্টসহিষ্ণু, উদ্যমী যুৱকৰ উচ্চ চিন্তাধাৰাৰ ফলস্বৰূপে ক্ৰমাৎ বৃহৎ উদ্যোগলৈ ৰূপান্তৰিত হ'ব লগা পদুমপথাৰ এগ্ৰ' অৰ্গেনিক প্ৰডিউচাৰ কোম্পানীৰ জৰিয়তে পঞ্জাব, হাৰিয়ানাৰ কৃষকৰ দৰে প্ৰচুৰ সম্ভাৱনা থকা অসমৰ কৃষকো নিশ্চয়কৈ এদিন সফলতাৰ শীৰ্ষত অৱস্থান কৰিব। এইসকল যুৱকৰ সপোনে আকাশ স্পৰ্শ কৰাই নহয়, ৰাজ্যৰ কৃষি উদ্যোগীসকলকো প্ৰেৰিত আৰু উৎসাহিত কৰি তুলিব বুলি আশা কৰিব পাৰি।

## নিউ আৰ্ট প্লেয়াৰ্ছৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ জুন ঃ** ২০ জুনত অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান নিউ আৰ্ট প্লেয়াৰ্ছে কামৰূপ নাট্য সমিতিৰ সহযোগত কলাগুৰু বিষ্ণু ৰাভা দিৱস উপলক্ষে এই মহান শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ বিশেষ কাৰ্যসূচী হাতত লৈছে। সন্ধিয়া ৬-৩০ বজাত স্থানীয় কুমাৰ ভাস্কৰ নাট্য মন্দিৰত আয়োজিত এই অনুষ্ঠানত প্ৰয়াত ডঃ মাধুৰীমা বৰুৱা ৰচিত 'চিফুং বাঁহীৰ কৰুণ সুৰ' শীৰ্ষক সঙ্গীতালেখ্য উপস্থাপনেৰে কলাগুৰু বিষ্ণু ৰাভাদেৱৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব। বিশিষ্ট সুৰকাৰ অনুপম চৌধুৰীৰ সঙ্গীত পৰিকল্পনা ও পৰিচালনা আৰু ডাঃ মিৰনন্দা বৰঠাকুৰৰ নৃত্য পৰিকল্পনাৰে আয়োজিত এই সঙ্গীতালেখ্যত নমিতা ভট্টাচাৰ্য, ৰূপম ভূঞা, ৰুবুল কলিতা প্ৰমুখ্যে কেইবাগৰাকী প্ৰতিষ্ঠিত শিল্পীৰ লগতে সংঘৰ ন-পুৰণি শিল্পীসকলেও অংশ ল'ব। কলাগুৰু বিষ্ণু ৰাভা দিৱস উপলক্ষে আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে সংঘৰ তৰফৰ পৰা সংস্কৃতিপ্ৰেমী ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

# একালৰ বৃন্দাবন, একালত পৰে ছন নলবাৰীৰ এটা পৰিয়ালৰ কৰুণ গাথা

## তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই চাহৰ জুতি লোৱা দোকানী পখিন্দ্ৰ-দিলীপৰ পৰিয়ালত এতিয়া এসাঁজ অন্নৰ বাবে হাহাকাৰ



**পশ্চিম নলবাৰীৰ, ১৩ জুন ঃ** গুৱাহাটীৰ পদপথৰ দাঁতিৰ এখন তেনেই সাধাৰণ দোকান। পখিন্দ্ৰ-দিলীপৰ ফিকা চাহৰ দোকান বুলি জনাজাত আছিল এই ক্ষুদ্ৰ দোকানখন। অসম চৰকাৰৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই দুই সহোদৰৰ এই চাহৰ দোকানখনত প্ৰায়ে চাহৰ জুতি লৈছিল। অকল তদানীন্তন মুখ্যমন্ত্ৰীগৰাকীয়ে নহয়, গুৱাহাটীৰ বহু বিশিষ্ট ব্যক্তিয়ে এবাৰ দিনটোত চাহৰ জুতি ল'বলৈ আহিছিল এই দোকানখনলৈ। পিছে এই দোকানখনৰ গৰাকী বাৰু আছিল কোন ? হয়, নলবাৰীৰ মৰোৱা গাঁৱৰ কাঁইট চুবুৰিৰ দুই সহোদৰ পখিন্দ্ৰ বৈশ্য আৰু দিলীপ বৈশ্যৰ আছিল উক্ত দোকানখন। দোকানখনত চাহ-নাস্তা বিক্ৰী কৰি ভাল লাভৱান হৈছিল ভ্ৰাতৃদ্বয়। দেখাত তেনেই সাধাৰণ দোকানখনৰ আয়েৰে পৰিয়ালটোৰ অৱস্থা লাহে লাহে ভাল হ'বলৈ ধৰিছিল। কিন্তু দুখজনকভাৱে ভ্ৰাতৃদ্বয় দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পৰাত এদিন বন্ধ হৈ পৰিল সেই অখ্যাত দোকানখন। এতিয়া এমুঠি অন্নৰ বাবে হাহাকাৰ লাগিছে এই পৰিয়ালটোত। এটাৰ পিছত আন এটা সংঘাত। জীৱন যুদ্ধত কেতিয়াও হাৰ নমনা দুই যোদ্ধাই আজি আৰ্থিক অনাটনৰ বাবে জীৱনটোত হাৰ মানিছে। সুদীৰ্ঘ ৪০ বছৰে পদপথত চাহৰ দোকান দি পৰিয়াল চলোৱা দুই ভাতৃৰ জীৱনলৈ এতিয়া নামি আহিছে ঘোৰ অন্ধকাৰ, অমানিশা। মৰোৱাৰ এই পৰিয়ালটোৱে এতিয়া কটাইছে দুৰ্বিষহ জীৱন। পৰিয়ালটোত এতিয়া উপাৰ্জন বুলিবলৈ শূন্য। চাহৰ দোকানেৰে অখ্যাত হোৱা দুই ভ্ৰাতৃ পখিন্দ্ৰ-দিলীপৰ মাতৃ পবিত্ৰ বৈশ্য এতিয়া শয্যাশায়ী। জ্যেষ্ঠ পুত্ৰ পখিন্দ্ৰ পক্ষাঘাত ৰোগত ২০১৬ চনত আক্ৰান্ত হোৱাৰ লগতে চকুৰ গ্লুক'মা ৰোগত আক্ৰান্ত হৈ দুয়োটা চকুৰে নেদেখা হৈ পৰিছে। কনিষ্ঠ পুত্ৰ দিলীপো দুবছৰ পূৰ্বে কৰ্কট ৰোগত আক্ৰান্ত হয়। সুদীৰ্ঘ ৪টা দশক ধৰি গুৱাহাটীৰ গণেশগুৰি হাইস্কুল খেলপথাৰৰ কাষত চাহৰ দোকান দি দুই ভাতৃৰ লগতে পৰিয়ালটো সুন্দৰভাৱে চলিছিল। কিন্তু এই কৰ্মঠ পৰিয়ালটোক ৰোগে এফালৰ পৰা কোঙা কৰি গৈছে। এতিয়া ভ্ৰাতৃদ্বয়ৰ চাহৰ দোকানো নাই; উপাৰ্জনো নাই। এই পৰিয়ালটোৱে দুমুঠি অন্ন যোগাৰ কৰিবলৈ অসমৰ্থ। চৰকাৰী সুবিধাৰ পৰাও বঞ্চিত পৰিয়ালটো। জ্যেষ্ঠ পুত্ৰ পখিন্দ্ৰ বৈশ্যই শাৰীৰিক অক্ষমতাৰ বাবে চৰকাৰৰ পৰা পোৱা এহেজাৰ টকা মাহেকত লাভ কৰি আহিছে যদিও পৰিয়ালটোক মাহেকত চলিবলৈ প্ৰয়োজন হয় প্ৰায় দহ হাজাৰৰোধিক টকাৰ। কিন্তু উপাৰ্জন কৰা পথটোও এতিয়া বন্ধ। ইফালে পখিন্দ্ৰৰ দুই পুত্ৰ-কন্যাৰ পঢ়াৰ খৰচ বাঢ়িছে। সেয়ে এতিয়া পখিন্দ্ৰ বৈশ্যৰ মূৰত সৰগ ভাগি পৰাৰ দৰে হৈছে। চিন্তা-ভাৱনাই হেঁচা মাৰি ধৰিছে পৰিয়ালটোক। এফালে মাতৃগৰাকী শয্যাগত, আনফালে দুই পুত্ৰই ঘৰৰ বাৰাণ্ডাতে বহি কেৱল চাই ৰৈছে মুক্ত আকাশৰ ফালে। এয়াই যেন এটা পৰিয়ালটোৰ জীয়া কৰুণ গাথা। অসহায় পৰিয়াটোক যদি কোনো ব্যক্তি-অনুষ্ঠানে সহায় কৰিব বিচাৰে তেনেহ'লে দিলীপ বৈশ্যৰ নামত অসম গ্ৰামীণ বিকাশ বেংকত থকা A.No.7089010048851, IFSC PUNB0RRBAGBত আৰ্থিক সহায় আগবঢ়াবলৈ দুৰ্ভগীয়া পৰিয়ালটোৱে অনুৰোধ জনাইছে।



## আইটি মাদ্ৰাজৰ অধ্যাপক টি প্ৰদীপ প্ৰিন্স চুলতান বিন আব্দুলাজিজ আন্তঃৰাষ্ট্ৰীয় জল বঁটাৰ বিজয়ী হিচাপে নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৩ জুন ঃ** ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজৰ অধ্যাপক থালাপিল প্ৰদীপ দশম সংস্কৰণৰ 'প্ৰিন্স চুলতান বিন আব্দুলাজিজ আন্তঃৰাষ্ট্ৰীয় জল বঁটা' (PSIPW)ৰ বাবে নিৰ্বাচিত হৈছে। জলসম্পৰ্কীয় যিকোনো ক্ষেত্ৰত 'ব্ৰেকথ্ৰু ডিস্ক'ভাৰী'ৰ বাবে দিয়া 'ক্ৰিয়েটিভিটী প্ৰাইজ' শাখাৰ অধীনত তেওঁ এই বঁটাৰ বাবে নিৰ্বাচিত হৈছিল। অধ্যাপক টি প্ৰদীপৰ গৱেষণা গোটে খোৱাপানীৰ পৰা আৰ্ছেনিক সুলভ, বহনক্ষম আৰু দ্ৰুতভাৱে আঁতৰোৱাৰ বাবে পৰিৱেশ অনুকূল 'পানী ধনাত্মক' নেন'স্কেল সামগ্ৰী প্ৰস্তুত কৰিছিল। অধ্যাপক প্ৰদীপে ইয়াৰ পূৰ্বে পদ্মশ্ৰী আৰু নিকেই এছিয়া বঁটাৰ লগতে আন বহুতো বঁটাৰে স্বীকৃতি লাভ কৰিছে আৰু তেওঁৰ প্ৰযুক্তিয়ে ১.২ কোটিৰো অধিক লোকক বিশুদ্ধ পানী যোগান ধৰিছে। ২০০২ চনৰ ২১ অক্টোবৰত ছৌদি আৰবৰ ৰাজকুমাৰ চুলতান বিন আব্দুলাজিজ আল ছৌদে দ্বি-বাৰ্ষিক আন্তঃৰাষ্ট্ৰীয় বৈজ্ঞানিক বঁটা প্ৰতিষ্ঠা কৰিছিল। এই পুৰস্কাৰত সোণৰ পদক, ট্ৰফী আৰু প্ৰমাণ-পত্ৰৰ উপৰি ২,৬৬,০০০ মাৰ্কিন ডলাৰ (প্ৰায় ২ কোটি টকা) নগদ ধনৰ উপাদান আছে। ২০২২ৰ ১২ ছেপ্টেম্বৰত নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হ'ব এই বঁটা প্ৰদান অনুষ্ঠান। এই বঁটাত অধ্যাপক টি প্ৰদীপৰ দলৰ সদস্যসকল— অভুলা অনিল কুমাৰ, চেন্নু সুধাকৰ, শ্ৰীতামা মুখাৰ্জী, আনশ্বুপ আৰু মোহন উধায়া শংকৰ আদিৰ কথা উল্লেখ কৰা হৈছে। এই বঁটা সন্দৰ্ভত ভাষণ দি আই আই টি মাদ্ৰাজৰ ৰসায়ন বিজ্ঞান বিভাগৰ ইনষ্টিটিউট অধ্যাপক টি প্ৰদীপে কয়, 'বিশুদ্ধ পানী সঁচাকৈয়ে উন্নত সামগ্ৰীৰ সমস্যা। আমি অঞ্চলটোলৈ সৰু সৰুকৈ অৰিহণা যোগাব পাৰিলোঁ, আমাৰ মহান জাতিটোৰ বাবে ধন্যবাদ।' ভৱিষ্যতৰ প্ৰকল্পসমূহৰ বিষয়ে মন্তব্য কৰি তেওঁ লগতে কয়— 'পানীৰ প্ৰতিটো ক্ষেত্ৰতে যেনে- ডিচেলাইনেচন, আৰ্দ্ৰতা সংগ্ৰহ, চেন্সিং আৰু পুনঃব্যৱহাৰৰ দৰে বহুখিনি কৰিবলগীয়া আছে। আমাৰ আচৰিত দলটোৱে তেওঁলোকৰ প্ৰতিটোৰ ওপৰত কাম কৰি আছে। সকলোৰে বাবে অৰিহণা যোগোৱাৰ বাবে অঞ্চলটো ব্যাপকভাৱে মুকলি।' কিং ছৌদ বিশ্ববিদ্যালয়ৰ সভাপতি ড° বদ্ৰান আল ওমৰৰ সভাপতিত্বত আৰু পি এছ আই পি ডব্লিউৰ সভাপতি এইচ আৰ এইচ প্ৰিন্স খালিদ বিন চুলতান বিন আব্দুলাজিজৰ নিৰ্দেশনাত প্ৰাইজ কাউন্সিলে প্ৰিন্স চুলতানৰ দশম বঁটা (২০২২)ৰ বাবে বিজয়ীসকলক অনুমোদন জনায় বিন আব্দুলাজিজ আন্তঃৰাষ্ট্ৰীয় পানীৰ বঁটা (PSIPW) ৫ জুন, ২০২২ তাৰিখে। ৰাষ্ট্ৰসংঘৰ মহাকাশৰ শান্তিপূৰ্ণ ব্যৱহাৰ সমিতিৰ (UN COPUOS) ৬৫ সংখ্যক অধিৱেশনৰ মহাকাশ আৰু জল কাৰ্যসূচীৰ সময়ত দশম বঁটা বিজয়ীসকলক আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। পানী গৱেষণাৰ ক্ষেত্ৰত অত্যাধুনিক উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰি পি এছ আই পি ডব্লিউ হৈছে এক অগ্ৰণী, বিশ্বব্যাপী বৈজ্ঞানিক বঁটা। ই সমগ্ৰ বিশ্বৰ বিজ্ঞানী, গৱেষক আৰু উদ্ভাৱকসকলক পানীৰ অভাৱৰ সমস্যাটোক সৃষ্টিশীল আৰু ফলপ্ৰসূভাৱে সমাধান কৰা অগ্ৰণী কামৰ বাবে স্বীকৃতি প্ৰদান কৰে।

### কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকাল উপলক্ষে উপৰহালী হৰেন্দ্ৰ নাথ তালুকদাৰ প্ৰেক্ষাগৃহত হিতাধিকাৰী সন্মিলন

## কংগ্ৰেছ দল বাকী আৰু ফাঁকিত চলে ঃ বিধায়ক কলিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ১৩ জুন ঃ** কংগ্ৰেছ দল বাকী আৰু ফাঁকিত চলে। ভাৰতীয় জনতা পাৰ্টীয়ে যিদৰে প্ৰতিশ্ৰুতি দিয়ে সেইদৰে অনাগত সময়ত সফলভাৱে ৰূপায়ণ কৰে। কংগ্ৰেছে সেৱা কৰে ছোনিয়া গান্ধীক আৰু বিজেপিয়ে পূজা কৰে ভাৰত মাতাক। —পলাশবাৰী উপৰহালীস্থিত হৰেন্দ্ৰনাথ তালুকদাৰ প্ৰেক্ষাগৃহত দক্ষিণ কামৰূপ জিলা বিজেপিৰ উদ্যোগত অনুষ্ঠিত হিতাধিকাৰী সন্মিলনত উপস্থিত থাকি এইদৰে মন্তব্য কৰে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। লগতে বিধায়ক কলিতাই দেশৰ প্ৰধানমন্ত্ৰীৰ ৮ বছৰীয়া কাৰ্যকালৰ সময়ছোৱাত ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰি কয়— অন্ত্যোদয়া আমাৰ মূল মন্ত্ৰ। বিজেপি দল থাকিলেহে আমি জীয়াই থাকিম। দেশৰ মহিলা, জ্যেষ্ঠ, দুখীয়া জনসাধাৰণৰ বাবে সকলো আঁচনি গ্ৰহণ কৰিছে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আইসকল হ'ল আমাৰ মাতৃ। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে লোৱা বিভিন্ন পদক্ষেপ আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সফল আঁচনিসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত ধন্যবাদ জ্ঞাপন কৰে বিধায়ক কলিতাই। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে লোৱা বসুন্ধৰা-১ আঁচনি সফলতাৰে ৰূপায়ণ কৰাৰ পিছত এই বছৰৰ অহা অক্টোবৰ মাহৰ পৰা মিছন বসুন্ধৰা-২ আঁচনি গ্ৰহণ কৰিব বুলি বিধায়ক কলিতাই ভাষণত মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে ভাৰতবৰ্ষক এখন শ্ৰেষ্ঠ দেশ হিচাপে গঢ়ি তোলাৰ বাবে যি সংকল্প লৈছে, ঠিক তেনেদৰে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে পাঁচখন ৰাজ্যৰ ভিতৰত অসমক এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে। আমিও সংকল্প ল'ব লাগিব দক্ষিণ কামৰূপ জিলা অন্য জিলাতকৈ শ্ৰেষ্ঠ জিলা হিচাপে গঢ়ি তুলিবলৈ। সকলোৰে প্ৰচেষ্টাত দক্ষিণ কামৰূপ জিলা এখন পৰিগণিত জিলা হিচাপে গঢ়ি তুলিবলৈ দলীয় কাৰ্যকৰ্তা আৰু ৰাইজক আহ্বান জনায় বিধায়ক কলিতাই। আপোনালোক আমাৰ মূল কাণ্ডাৰী। আমাৰ উদ্দেশ্য ৰাইজক সহায়-সহযোগ, জিলাখনক উন্নত কৰা, দালালমুক্ত কৰা। বিজেপি দল কাৰো নেতৃত্বত নচলে, দলৰ নেতৃত্বই আমাৰ নেতৃত্ব বুলি ভাষণ প্ৰসঙ্গত উল্লেখ কৰে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে সেৱা, সুশাসন আৰু গৰীব কল্যাণ আঁচনিসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে কালি উপৰহালীত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকাৰৰ পৌৰোহিত্যত হিতাধিকাৰী সন্মিলন সভা অনুষ্ঠিত হয়। সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই উপস্থিত থাকি কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰীয়া কাৰ্যকাল উপলক্ষে বিভিন্ন আঁচনি সম্বলিত পত্ৰিকাখনত কোনো হিতাধিকাৰীয়ে যদি পোৱা নাই তেতিয়া অতিশীঘ্ৰে উপৰহালীস্থিত বিধায়ক কাৰ্যালয় নতুবা পঞ্চায়ত কাৰ্যালয়ত যোগাযোগ কৰিবলৈ আহ্বান জনায়। লগতে হিতাধিকাৰীৰ পৰা কোনো মধ্যভোগী লোকক আঁচনিৰ নামত ধন নিদিবলৈ আহ্বান জনায় বিধায়ক হেমাংগ ঠাকুৰীয়াই। সভাত দক্ষিণ কামৰূপ জিলা বিজেপিৰ প্ৰভাৰী জয়ন্ত ডেকা, আই.টি.ডি.পিৰ অধ্যক্ষা লাৱণ্য বড়ো, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য অঞ্জন গোস্বামী, অনুপ মেধীৰ লগতে বিজেপিৰ বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।



### কাৰ্বি স্বায়ত্ত পৰিষদৰ নিৰ্বাচন

## ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা-বিধায়ক ৰূপক শৰ্মাৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ জুন ঃ** কাৰ্বি স্বায়ত্ত পৰিষদৰ সদ্য সমাপ্ত নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছত নগাঁৱত কালি ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে নগাঁৱত উপস্থিত হৈ কাৰ্বি স্বায়ত্ত পৰিষদৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীৰ বৃহৎ জয়ৰ সম্পৰ্কত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আৰু অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এনেধৰণৰ ফলাফল অনাগত সময়তো হ'ব। কাৰ্বি আংলংবাসী ৰাইজক ধন্যবাদ জনালো। উন্নয়নৰ সপক্ষে ভাৰতীয় জনতা পাৰ্টীক কাৰ্বি আংলংবাসীয়ে ভোটদান কৰিলে, যাৰ বাবে আমি কাৰ্বি আংলংবাসীৰ ওচৰত চিৰকৃতজ্ঞ। ইপিনে কাৰ্বি পৰিষদৰ ফলাফল ঘোষণাৰ পিছত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়— যোৱা ৫টা বছৰত কাৰ্বি আংলংবাসীয়ে যিদৰে উন্নয়ন লাভ কৰিলে সেই উন্নয়নৰ ধাৰাবাহিতা অক্ষুন্ন ৰখাৰ বাবে পুনৰবাৰ কাৰ্বি পাহাৰবাসীয়ে ভাৰতীয় জনতা পাৰ্টীক নিৰ্বাচিত কৰিছে। ভাৰত স্বাধীন হোৱাৰ ৭০ বছৰ পাছতো অন্য চৰকাৰৰ দিনত কাৰ্বি আংলঙত নোহোৱা কাম ভাৰতীয় জনতা পাৰ্টীৰ দিনত হৈছে। কাৰ্বি আংলংখন সুন্দৰকৈ গঢ়ি তোলাৰ লগতে উন্নয়নৰ স্বাৰ্থত কাৰ্বি পাহাৰৰ ৰাইজে ভাৰতীয় জনতা পাৰ্টীক পুনৰবাৰ নিৰ্বাচিত কৰিছে। ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত কাৰ্বি আংলঙত এখন স্বচ্ছ আৰু নিকা স্বায়ত্ত শাসিত পৰিষদ গঠন হ'ব। লগতে বিধায়কগৰাকীয়ে কয় যে কাৰ্বি আংলঙৰ নিৰ্বাচনে পুনৰবাৰ প্ৰমাণ কৰিলে বিৰোধীৰ স্থিতি।

### বঙাইগাঁৱত অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ সাধাৰণ সন্মিলন

## গঠিত হ'ব 'উত্তৰ-পূৰ্বাঞ্চল পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন'

### চৰকাৰে পেট্ৰ'লিয়াম উদ্যোগৰ ওপৰত আক্ৰমণ কৰিব বিচাৰিছে, আমি এই ব্যৱস্থাৰ প্ৰতিৰোধ বিচাৰিছোঁ ঃ মণি মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৩ জুন ঃ** 'ৰাজ্য বা দেশৰ অৰ্থনৈতিক নীতিত চৰকাৰে যেনেকৈ দেশৰ সম্পদ বিক্ৰী কৰিছে আৰু আমাৰ পেট্ৰ'ল উদ্যোগৰ ওপৰতো যিদৰে আক্ৰমণ কৰি আছে এই ব্যৱস্থাটোৰ প্ৰতিৰোধ আমি বিচাৰিছোঁ'— এই মন্তব্য অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ কেন্দ্ৰীয় সভাপতি মণি মহন্তৰ। দেওবাৰে বঙাইগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ ১৬ সংখ্যক সাধাৰণ সন্মিলনত অংশ লৈ ইউনিয়নৰ সভাপতি মণি মহন্তই সংবাদ মাধ্যমৰ আগত কয় যে আজি জনসাধাৰণ পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ অতি মূল্যবৃদ্ধিত জৰ্জৰিত। আমি জানো যে এক লিটাৰ পেট্ৰ'ল তৈয়াৰ কৰোতে চৰকাৰৰ খৰচ হয় ৩৭ টকাৰ পৰা ৪০ টকাৰ ভিতৰত। কিন্তু সেই এক লিটাৰ পেট্ৰ'ল আমি ১০৬ টকা পৰ্যন্ত কিনিব লগা হৈছিল। পেট্ৰ'লৰ দাম ইমান কিয় বুলি প্ৰশ্ন উত্থাপন কৰি মহন্তই কয় যে অথচ আমাৰ চুবুৰীয়া দেশ বাংলাদেশ, শ্ৰীলংকা, পাকিস্তান আদিত পেট্ৰ'লৰ দাম কম। ৪৫ টকাৰ পৰা ৫৫ টকাৰ ভিতৰত এক লিটাৰ তেল পোৱা যায়। আমাৰ ইয়াত নোপোৱাৰ কাৰণ হৈছে যে চৰকাৰে জনসাধাৰণৰ ওপৰত অধ্যধিক কৰৰ বোজা জাপি দিছে। চৰকাৰে কাষ্টম ডিউটী, ভেট, এক্সাইজ ডিউটীৰ বাহিৰেও অন্যান্য উন্নয়নমূলক ৰোড টেক্স আদি উপকৰ সংযোজিত কৰিছে। এই কৰসমূহ সংযোজিত হোৱাৰ ফলত পেট্ৰ'ল, ডিজেলৰ অত্যধিক মূল্যবৃদ্ধি হোৱাৰ লগে লগে দেশৰ খাদ্য-সামগ্ৰী তথা অন্যান্য সামগ্ৰীসমূহৰো দাম বৃদ্ধি হৈছে। আমি বিচাৰিছো যে তেলৰ ওপৰত থকা অত্যধিক শুল্ক প্ৰত্যাহাৰ কৰক আৰু জনসাধাৰণক সকাহ দিবলৈ দাবী জনায়। ইউনিয়নৰ সভাপতিগৰাকীয়ে আৰু কয় যে বৰ্তমানৰ পৰিস্থিতিত গোষ্ঠীগত সংঘৰ্ষ, সাম্প্ৰদায়িক মেৰুবিভাজনৰ মাজেৰে শ্ৰমিক ঐক্যক বিনষ্ট কৰাৰ বাবে আমাৰ দেশৰ শাসকসকলে বাট মুকলি কৰিলেও শ্ৰমিকসকলৰ মাজত তেনে প্ৰতিকূলতা অদ্যাপি গঢ় লৈ উঠা নাই। শাসক পক্ষৰ এনে ষড়যন্ত্ৰক সাংস্কৃতিকভাৱেও প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে ইয়াত। সন্মিলনত বিহু নৃত্য, বাগৰুম্বাকে আদি কৰি জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠানে পৰিৱেশ সলনি কৰি দিছে বুলিও মত পোষণ কৰে। তেওঁ লগতে কয় যে ইউনিয়নে অন্যান্য শক্তিসমূহৰ লগত ঐক্যবদ্ধভাৱে শাসক পক্ষৰ এনেবোৰ কাৰ্যৰ বিৰুদ্ধে দীৰ্ঘম্যাদী আন্দোলনৰ কাৰণে প্ৰস্তুত হৈছে। ইপিনে পেট্ৰ'লিয়াম মজদুৰসকলে ছয় বছৰ ধৰি আন্দোলন কৰি তেওঁলোকৰ ন্যূনতম মজুৰি ২১ হেজাৰ টকা ধাৰ্য কৰিব লাগে বুলি দাবী উত্থাপন কৰে। উল্লেখ্য যে প্ৰতি তিনি বছৰৰ মূৰে মূৰে সংগঠনটোৰ অধিৱেশন অনুষ্ঠিত হৈ আহিলেও 'কা' আন্দোলন তথা ক'ভিড পৰিস্থিতিৰ বাবে সন্মিলন অনুষ্ঠিত কৰিব পৰা নাছিল যদিও এইবাৰ ১৬ সংখ্যক সন্মিলন অনুষ্ঠিত হৈছে। তেওঁ প্ৰকাশ কৰা মতে এই সন্মিলনত তেওঁলোকৰ বিভিন্ন বিষয় আলোচনা কৰা হ'ব। লগতে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি কৈ সভাপতিগৰাকীয়ে কয় যে বৰ্তমানৰ ইউনিয়নটো 'উত্তৰ-পূৰ্বাঞ্চল পেট্ৰ'লিয়াম মজদুৰ ইউনিয়ন' নামেৰে নতুনকৈ পুনৰ গঠন কৰা হ'ব বুলিও কয়। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে যাতে সন্মিলিতভাৱে ইউনিয়নৰ কৰ্মীসকলক সুৰক্ষা প্ৰদান কৰিব পৰা যায় তাৰ কাৰণে এই ব্যৱস্থাটো সন্মিলনত কৰা হ'ব বুলিও কয়। ঢালিগাঁও তৈল আৰু ঢালিগাঁও এল পি জি শাখাৰ উদ্যোগত অনুষ্ঠিত সাধাৰণ সন্মিলনত বিভিন্ন শাখাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।




## কামপুৰত ৰাজ্যৰ ২৭ ব্যক্তিলৈ 'অসম গ্ৰাম্য শিৰোৰত্ন বঁটা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৩ জুন ঃ** পশ্চিম কাৰ্বি আংলঙৰ অন্যতম সংগঠন অসম গৰীয়সী পুথি সংৰক্ষণ আৰু সাহিত্য-সংস্কৃতি বিকাশ মঞ্চৰ উদ্যোগত অসমৰ বিভিন্ন প্ৰান্তৰ ভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা লাভ কৰা ২৭জন বিশিষ্ট ব্যক্তিক ১২ জুনত কামপুৰ স্বৰাজ ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত 'অসম গ্ৰাম্য শিৰোৰত্ন বঁটা' প্ৰদান কৰা হয়। বিশ্বৰ প্ৰয়াত মাতৃসকলৰ সোঁৱৰণত চহৰ, নগৰ তথা অতিকৈ পিছপৰা গ্ৰামাঞ্চলৰ ধৰ্ম, শিল্প, ক্ৰীড়া, সাহিত্য, সংস্কৃতি, স্থাপত্য, ভাস্কৰ্য তথা সুকুমাৰ কলা, সমাজ সংগঠন, সাংবাদিকতা আদি দিশত পাৰদৰ্শিতা দেখুওৱা ব্যক্তিসকলক প্ৰদান কৰা হয় এই বঁটা। সাহিত্য-সংস্কৃতি বিকাশ মঞ্চৰ সভাপতি সভাৰাম বৰাৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক জগদীশ পাটগিৰী, কেঁচা সোণৰ গহনাক বিশ্বৰ দৰবাৰলৈ নিয়া 'ডুগডুগী'ৰ স্বত্বাধিকাৰী নগাঁৱৰ ৰণথলীৰ জনপ্ৰিয় ডিজাইনাৰ উৎপল বণিয়াসহ মুঠ ২৭গৰাকী ব্যক্তি ক্ৰমে স্মৃতিৰেখা বৰা (লখিমপুৰ), শেৱালি হাজৰিকা (জামুগুৰি), ৰীণা কুমাৰী দেৱী (ডিমৰীয়া), উৎপলা হোজাই (তৰাডুবি), অমিয়া গোস্বামী (নগাঁও), কবিতা বৰা (নগাঁও), হীৰামণি দাস (ৰজাখাত তেতেলীয়া, কামৰূপ), শিখামণি বৰা কাকতি (মাজুলী), অলি বৰুৱা (আজাৰা), বিনীতা গগৈ (যোৰহাট), দুলুমণি দেৱী (মাকুম), ৰিম্পী বৰা (দক্ষিণপাট, মাজুলী), তনুশ্ৰী দত্ত (যোৰহাট), দিগন্ত শইকীয়া (যোৰহাট), অংশুমান ৰাজা (হোজাই), চন্দ্ৰ বৰা (কামপুৰ), পদ্মকান্ত বৰা (কামপুৰ), বুদ্ধেশ্বৰ বৰা (হাওৰাঘাট), ৰূপজ্যোতি ভূঞা (কামপুৰ), সুৰেন্দ্ৰনাথ বৰা (দেৰগাঁও), নিৰ্মল অধিকাৰী (বৰপেটা), সুনীল কুমাৰ শইকীয়া (মাজুলী), সৌৰভ ডেকা (মাজুলী), কাঞ্চন বৰা (জালুকবাৰী) আৰু ইভাৰাণী গোস্বামী (মাজুলী)ক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'অসম গ্ৰাম্য শিৰোৰত্ন বঁটা' প্ৰদান কৰা হয়। মঞ্চৰ সম্পাদক শৈলেন সৰকাৰ আৰু কুমুদ নাথে আঁত ধৰা এই অনুষ্ঠানতে কামপুৰৰ জ্যেষ্ঠ সাংবাদিক নীলকমল শইকীয়াক ফুলাম গামোচা, মানপত্ৰ, জাপি, স্মাৰক আৰু কিতাপৰ টোপোলাৰে বিশেষভাৱে সম্বৰ্ধনা জনায়। যথেষ্টসংখ্যক লোকৰ উপস্থিতিত অনুষ্ঠিত এই বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে প্ৰমোদ বৰা, স্বৰাজমোহন বৰা, ৰবিৰাম শইকীয়া, সভাৰাম মজুমদাৰ, মিনাৰাম বৰা, দেৱেন চন্দ্ৰ ভূঞা, নিৰ্মল অধিকাৰী, গুণ কাকতি, প্ৰবীণ শৰ্মা, সুধাময় দাস আৰু ঘন বৰুৱাই। বঁটা বিতৰণী অনুষ্ঠানত প্ৰাক্তন সম্পাদক জগদীশ পাটগিৰীকে ধৰি কেইবাজনো বক্তাই বক্তব্য আগবঢ়ায়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত পতাকা উত্তোলনেৰে শুভাৰম্ভৰ পিছতে বন্তি প্ৰজ্বলন, ছহিদ তৰ্পণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## ‘মেট্ৰিক ফলাফলক লৈ মই

ফলাফল অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ দুখজনক আছিল বুলি সৰ্বত্ৰ চৰ্চা হৈ থকাৰ সময়তে আজি তেজপুৰত এইদৰে মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে, তেজপুৰ সন্মিলন কেন্দ্ৰত যোৱা ১০ জুনত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত উপায়ুক্ত সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক অসমৰ শিক্ষা বিভাগ সন্দৰ্ভত আৰু কয়- সাধাৰণতে অসমত মেট্ৰিকৰ উত্তীৰ্ণৰ হাৰ সৰ্বাধিক ৬৫ শতাংশ হয়। সমস্যাটো হৈছে কিছুমান বিদ্যালয়ত ফলাফল শূন্য কিয় হ'ল। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ১০৩ খন হাইস্কুলৰ ফলাফল আশাব্যঞ্জক নোহোৱাত এই সন্দৰ্ভত এনে শিক্ষানুষ্ঠানসমূহৰ শিক্ষকসকলৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব আৰু ব্যৱস্থা লোৱাটো উচিতো। কাৰণ যদি এই শিক্ষকসকলৰ ওপৰত ব্যৱস্থা লোৱা নহয় তেন্তে যিসমূহ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰীক্ষাৰ উত্তীৰ্ণ হাৰ এশ শতাংশ হৈছে তেনে শিক্ষানুষ্ঠানসমূহৰ শিক্ষকসকলে ভাবিব যে তেওঁলোকে ভাল কাম কৰিলেও পুৰস্কাৰ নিদিয়ে আৰু বেয়া ফলাফল দেখুওৱা বিদ্যালয়সমূহৰ শিক্ষকসকলকো সমান চকুৰে চায়। সেয়ে ভাল ফলাফল নোহোৱা বিদ্যালয়সমূহৰ শিক্ষকসকলক মাতি কথা বতৰা পাতিব লাগিব। বিশেষকৈ শূন্যৰ পৰা দহ শতাংশ ফল প্ৰদৰ্শন কৰা বিদালয়সমূহৰ কাৰণ জানিব লাগিব। সাংবাদিকসকলক উদ্দেশ্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, সাংবাদিকসকলে এনে ভাল ফলাফল প্ৰদৰ্শন নকৰা বিদ্যালয়সমূহৰ শিক্ষকসকলকো তেজপুৰৰ চিলভাৰ জুবিলী বিদ্যালয়ৰ শিক্ষাগুৰুৰ সকলৰ সম মৰ্যাদাত ৰাখি দিয়ে। যিটো আপত্তিজনক। তেওঁ কয়- আমাৰ মাজত বহু শিক্ষাগুৰু আছে যিসকল প্ৰাতঃস্মৰণীয় আৰু এনে শিক্ষাগুৰুও আছে যি এল আই চি এজেন্টৰো কাম কৰে। সাংবাদিকসকলে এই দুই প্ৰকাৰৰ শিক্ষকক সমান কৰি দিব নালাগে। সেয়া কৰিলে তেনে একাংশ অদক্ষ শিক্ষকসকলক প্ৰেৰণা যোগোৱা হয়। যিসকল শিক্ষকে সাংবাদিকতা, এল আই চি এজেন্টৰ দৰে কামত নিয়োজিত হৈ থকাৰ লগতে বিজেপিৰ লগতে আন আন ৰাজনৈতিক দলতো ঘূৰি ফুৰিছে যেতিয়ে তেওঁলোকক অলপ দুআষাৰ টান কৰি কম। তেতিয়া সাংবাদিকসকল মাজত পৰিব নালাগে। যোৱাবাৰ সাংবাদিকসকল মাজত পৰি গ'ল বাবেই মই ৰখি গ'লো। প্ৰকৃত শিক্ষাগুৰুসকলে তেতিয়াহে মনটোত ভাল পাই যেতিয়া যিসকল শিক্ষকে মুখা পিন্ধি বেলেগ কাম কৰি আছে তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। নহ'লে প্ৰকৃত শিক্ষকসকলৰ মনোবল ভাঙি যায় আৰু তেওঁলোকে ভাবিবলৈ লয় যে, চৰকাৰে তেনে মুখা পিন্ধা শিক্ষকক ভাল পাই বা ভয় কৰে। ফলত কীৰ্তিমান শিক্ষাগুৰুসকলে লাহে লাহে নিজৰ দায়িত্বও এৰি দিয়ে। যোৱা কেবাদিন ধৰি সংবাদ মাধ্যমত অসমীয়া মাধ্যমৰ ফলাফল বেয়া হ'ল বুলি সম্প্ৰচাৰিত হৈ আছে। সেইটো আচলতে সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। কিছুমান বিদ্যালয় কেনে অঞ্চলত আছে আৰু ইয়াৰে কিছু বিদ্যালয়ক প্ৰাদেশীকৰণ কৰা হৈছে আমাৰ অনিচ্ছাস্বত্বেও। আমি জানো এইসমূহ স্কুলত পঢ়াশুনাও নহয়। স্থানবোৰো চাব লাগিব। সেই অঞ্চলত স্কুলখন কি ধৰণে হ'ব লাগিছিল সেই ধৰণে হোৱা নাই। গতিকে ১০৩ খন স্কুলে বেয়া ফলাফল কৰিছে আৰু ইয়াৰে অন্ততঃ ৭০ খনত আমি অনিচ্ছাস্বত্বেও প্ৰাদেশীকীকৰণ কৰি আমি ৪০ খন লৈছো। গতিকে এনে বিদ্যালয়সমূহ এতিয়াও প্ৰকৃত বিদ্যালয় পৰ্যায়লৈ উন্নীত হোৱা নাই। এতিয়া তেনে একাংশ শিক্ষানুষ্ঠানৰ বাবে চাৰ মানৱতাৰ খাতিৰত আমাক চাকৰি দিয়ক বুলি কয়। মানৱতাৰ খাতিৰত চাকৰি নহয়। চাকৰি হয় ছাত্ৰৰ খাতিৰত। গতিকে অসমত আমি বহু কথা নতুনকৈ চিন্তা কৰিবলগীয়া আছে। প্ৰাদেশীকৰণ, টে'ট বিহীন ভাল ৰিজাল্ট নোহোৱা সকলোকে শিক্ষক কৰি লোৱা হ'ল। এই প্ৰক্ৰিয়াবিলাকে অসমৰ শিক্ষা ব্যৱস্থা বহু তললৈ লৈ গৈছিল। কিন্তু লাহে লাহে এইবোৰ অতীত হ'ল আৰু এতিয়া পৰ্যায়ক্ৰমে সমস্যাসমূহ নোহোৱা হৈ আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। গুণোৎসৱৰ পৰৱৰ্তী পৰ্যায়ত শিক্ষা ব্যৱস্থাটো কেনেকৈ টনকিয়াল হ'ব সেই বিষয়েও আজিৰ সন্মিলনত চিন্তা চৰ্চা কৰা হ'ব বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই।

## ৩০ জুনত মুকলি হ'ব

উত্তৰ শালমাৰাস্থিত কেএচিৰ অস্থায়ী কাৰ্যালয়ত আয়োজন কৰা এখন সংবাদ মেলত মুখ্য কাৰ্যাবাহী পাৰিষদ গোকুল বৰ্মনে এই কথা প্ৰকাশ কৰে। উল্লেখ্য যে উত্তৰ শালমাৰাস্থিত অসম পৰ্যটন বিভাগৰ অধীনৰ প্ৰশান্তি লজৰ গৃহতে সদ্যহতে কেএচিৰ অস্থায়ী কাৰ্যালয়টো মুকলি কৰা হ'ব। ইতিমধ্যে ইয়াৰ বাবে গৃহটোক দিয়া হৈছে নতুন ৰূপ। সংবাদ মেলত মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মনে উল্লেখ কৰা মতে কেএচিৰ প্ৰথমখন কাৰ্যবাহী পাৰিষদৰ বৈঠক আৰু সাধাৰণ বৈঠকতে অস্থায়ী কাৰ্যালয় হিচাপে প্ৰশান্তি লজটো ব্যৱহাৰ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু সেই অনুসৰি ৩০ জুনত কাৰ্যালয়টো মুকলি কৰা হ'ব। কেএচিৰ কাৰ্যালয় মুকলি অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে নতুনকৈ মন্ত্ৰিত্ব লাভ কৰা জয়ন্ত মল্ল বৰুৱাক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। আনহাতে, এই অনুষ্ঠানটো সফলভাৱে ৰূপায়ণ কৰাৰ বাবে ইতিমধ্যে পৰিষদৰ উপাধ্যক্ষ সুকেন ৰায়ক সভাপতি আৰু কাৰ্যবাহী পাৰিষদ অতুল কুমাৰ ৰায়ক সাধাৰণ সম্পাদক তথা আন কাৰ্যবাহী পাৰিষদ আৰু কেএচিৰ সাধাৰণ সদস্যসকলক লৈ এখন সমিতি গঠন কৰি দিয়া হৈছে বুলিও কয়। মুখ্য কাৰ্যবাহী পাৰিষদগৰাকীয়ে কেএচিৰ কাৰ্যালয় মুকলি অনুষ্ঠানত এক লাখ লোকক সমৱেত কৰাই মুখ্যমন্ত্ৰীক আদৰি আনি নতুন কমতাপুৰৰ আধাৰশিলা হিচাপে কাৰ্যালয়টো মুকলি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা বুলিও উল্লেখ কৰে। এই অনুষ্ঠানত অঞ্চলটোত বসবাস কৰা জাতি - জনগোষ্ঠীৰ লগতে দল-সংগঠনসমূহক আমন্ত্ৰণ জনোৱা বুলি কৈ সকলোৰে মিলি এই কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সামগ্ৰিক বিকাশ তথা উন্নীত কৰাৰ বাবে চিন্তাচৰ্চা কৰা বুলি কয়। সংবাদ মেলত মুখ্য কাৰ্যবাহী পাৰিষদ বৰ্মনে উল্লেখ কৰা মতে অসম চৰকাৰে কেএচিক ইতিমধ্যে ১১ কোটি টকাৰ আঁচনি প্ৰদান কৰিছে যদিও কেএচিৰ বিষয়া- কৰ্মচাৰী নথকাৰ কাৰণে আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত থমকি ৰ'বলগীয়া হৈছিল যদিও সেই অভাৱ দূৰ কৰিছে চৰকাৰে। সেয়ে কাৰ্যালয় মুকলি হোৱাৰ পিছতে কামবোৰ আৰম্ভ কৰা হ'ব। সংবাদ মেলত কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে কয় যে কেএচিৰ কাম-কাজসমূহৰ দ্বাৰা যাতে অঞ্চলটোৰ ৰাইজৰ উন্নয়ন হয় সেই দিশটোক গুৰুত্ব প্ৰদান কৰিহে কৰা হ'ব। সংবাদ মেলত কেএচিৰ উপাধ্যক্ষ সুকেন ৰায়, কাৰ্যবাহী পাৰিষদ অতুল কুমাৰ ৰায় আৰু পূৰৱী সৰকাৰ উপস্থিত আছিল।

## আমেঠিত ভাগি পৰিল বিমান

কামত ব্যৱহাৰ কৰা হৈছিল। সেই সময়তে বিমানখন দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে বিমানখনত যান্ত্ৰিক বিজুতি দেখা দিয়াৰ পিছতে পাইলটে জৰুৰী অৱতৰণৰ বাবে চেষ্টা চলায়। জৰুৰী অৱতৰণৰ চেষ্টা চলাই থকাৰ সময়তে বিমানখন তললৈ সৰি পৰে। দুৰ্ঘটনাটো সন্দৰ্ভত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় উৰণ একাডেমীৰ ভাৰপ্ৰাপ্ত মিডিয়া বিষয়া আৰ কে দ্বিবেদীয়ে সাংবাদিকক জানিবলৈ দিয়া মতে জৰুৰী অৱতৰণৰ সময়তেই হঠাতে বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। বিমানখনৰ পাইলট অভয় পেটেল সুৰক্ষিত অৱস্থাত থকা বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখ্য, যান্ত্ৰিক বিজুতিৰ পিছতে বিমানখনৰ সন্মুখৰ অংশটোৱে অৱতৰণৰ সময়ত মাটিত খুন্দা মাৰিছিল আৰু তাৰ পিছতে বিমানখন দুৰ্ঘটনাত পতিত হয়। জুনৰ আৰম্ভণিতে ওড়িশাত এখন প্ৰশিক্ষণ বিমান অৱতৰণৰ সময়ত দুৰ্ঘটনাগ্ৰস্ত হৈছিল। সেই দুৰ্ঘটনাটোত পাইলটজন আঘাতপ্ৰাপ্ত হৈছিল। নিয়ন্ত্ৰক সঁজুলিৰ অভাৱৰ বাবে সৰু বিমানবোৰ প্ৰায়ে দুৰ্ঘটনাত পতিত হৈ আহিছে। এনে বিমানত যান্ত্ৰিক ত্ৰুটি হোৱাৰ সম্ভাৱনা অধিক।

## সোণাৰিৰ বিদ্যালয়ত শিক্ষকৰ

দিনত লক্ষণীয় হ'ব। কাৰণ, সোণাৰিৰ এখন বিদ্যালয়ত পৰ্যাপ্ত শিক্ষকৰ অভাৱৰ বাবেই আজি বিদ্যালয় পৰিচালনা সমিতি, মাতৃ গোট তথা অভিভাৱকে আজি তলাবন্ধ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হয়। ৰাজ্য চৰকাৰে সময়ে সময়ে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষক নিযুক্তি দি আহিছে যদিও এতিয়াও চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ এনে বহু বিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ অভাৱ হোৱাৰ কথা সময়ে সময়ে পোহৰলৈ আহিছে। জিলাখনৰ সোণাৰি শিক্ষা খণ্ডৰ অন্তৰ্গত ভজো (ক) সমল কেন্দ্ৰৰ টীয়ক পদুমণি প্ৰাথমিক বিদ্যালয়ত বিগত তিনি বছৰ ধৰি শিক্ষকৰ অভাৱ হৈ থকাৰ অভিযোগ উত্থাপন হৈছে। টীয়ক পদুমণি প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ অভাৱ সন্দৰ্ভত বহুবাৰ অৱগত কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰো অভিযোগ উত্থাপন কৰিছে বিদ্যালয় পৰিচালনা সমিতি তথা অভিভাৱকসকলে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি বিদ্যালয়খনত তলাবন্ধ কাৰ্যসূচী গ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা সমিতি তথা অভিভাৱকসকলে জানিবলৈ দিয়া অনুসৰি ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে টীয়ক পদুমণি প্ৰাথমিক বিদ্যালয়ত বৰ্তমান শিক্ষকৰ সংখ্যা মাত্ৰ তিনিজন। যাৰ ফলত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নথকাত পাঠদানত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। আনহাতে, এই তিনিগৰাকী শিক্ষকৰ ভিতৰত এগৰাকী শিক্ষকে চলিত বৰ্ষৰ ডিচেম্বৰ মাহত অৱসৰ গ্ৰহণ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট তথা অভিভাৱকে আজি তলাবন্ধ কাৰ্যসূচীৰ জৰিয়তে শীঘ্ৰে বিদ্যালয়খনত শিক্ষক নিযুক্তিৰ দাবী উত্থাপন কৰিছে।

## নিশা ডেৰ বজালৈকে কাম

হোৱাৰ পিছত একেটা কেন্দ্ৰতে কালিৰে পৰা দুদিনীয়াকৈ আয়োজিত উপায়ুক্ত সন্মিলনতো অংশগ্ৰহণ কৰা বিত্তমন্ত্ৰী অজন্তা নেওগে আজি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত নিজৰ কাম কৰা খতিয়ান সন্দৰ্ভত এইদৰে কয়। মন্ত্ৰী অজন্তা নেওগে ইয়াৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে মুখ্যমন্ত্ৰীক। মুখ্যমন্ত্ৰীৰ কৰ্মদক্ষতাৰ প্ৰতি সন্মান জনাই সকলো মন্ত্ৰীয়েই নিশা দুপৰলৈ কাম কৰাৰ কথা উল্লেখ কৰি বিত্তমন্ত্ৰী গৰাকীয়ে কয়— মুখ্যমন্ত্ৰীয়ে নিজেই এক-ডেৰ বজালৈকে কাম কৰে। তেনেস্থলত পূৰ্বৰ বন্ধ দিনৰ পৰিবৰ্তে সপ্তাহৰ কেউটা দিনতে জনতা ভৱন সক্ৰিয় হৈ থকাৰ কথা উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। আনহাতে, জিএছটিক লৈ সম্প্ৰতি চৰ্চিত বিষয় সন্দৰ্ভত বিত্তমন্ত্ৰীগৰাকীয়ে এই সম্পৰ্কত জিএছটি কাউঞ্চিলে নিৰ্ধাৰণ কৰিব বুলি উল্লেখ কৰি বিত্ত বিভাগকে ধৰি প্ৰায়কেইটা গুৰুত্বপূৰ্ণ বিভাগৰ ওপৰত আজিৰ উপায়ুক্ত সন্মিলনত স্থান পাব বুলি লগতে জানিবলৈ দিয়ে মন্ত্ৰী অজন্তা নেওগে। আনহাতে, মন্ত্ৰী ৰঞ্জিত দাসে কয় যে, অমৃত সৰোবৰ আঁচনিৰ অধীনত ৰাজ্যত ৩০৭টা পুখুৰী খন্দা হ'ব। যাৰ দ্বাৰা ৰাজ্যৰ নিবনুৱাৰ সমস্যা দূৰ কৰাৰ প্ৰয়াস কৰা হ'ব। ৰাজ্যৰ ৭ লাখ লোকক খাদ্য যোজনাৰ আঁচনিত সামৰি লোৱা হ'ব। ‘এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড'ৰ অধীনত সকলোকে সামৰি লোৱা হ'ব বুলিও জানিবলৈ দিয়ে মন্ত্ৰী দাসে। তদুপৰি, ২৩ জুন আন্তঃৰাষ্ট্ৰীয় বিধৱা দিৱসৰ দিনটোত এক লাখ টকাকৈ দুখীয়া বিধৱাক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰিব বুলি মন্ত্ৰী ৰঞ্জিত দাসে সদৰী কৰে।

## ৩১খন বিশ্ববিদ্যালয়ৰ আচাৰ্য

বিষয়টোত কলিকতা উচ্চ ন্যায়ালয়ৰ কাষ চাপিব। বিধেয়কখন অনুমোদনৰ বাবে ৰাজ্যপাললৈ প্ৰেৰণ কৰা হ'ব। ৰাজ্যপালে অৱশ্যে পূৰ্বে কৈছিল যে মুখ্যমন্ত্ৰীক আচাৰ্যৰ পদলৈ অনাৰ বাবে তেওঁ বিধেয়কখনত স্বাক্ষৰ নকৰে। ফলস্বৰূপে, বিধেয়কখনৰ ভৱিষ্যৎ সম্পৰ্কে প্ৰশ্ন উত্থাপন হৈছে। বৰ্তমানৰ ৰাজ্যপাল জগদীপ ধনকাৰৰ সৈতে ৰাজ্য চৰকাৰৰ সম্পৰ্ক ক্ৰমে জটিল হৈ পৰিছে। মমতাৰ চৰকাৰে অভিযোগ কৰিছে যে যেতিয়া বিধেয়কখন ৰাজ্যপাললৈ প্ৰেৰণ কৰা হয়, তেতিয়া তেওঁ ইয়াত স্বাক্ষৰ নকৰিবও পাৰে। ফলস্বৰূপে, প্ৰশাসনিক কামত সমস্যা আহি পৰিব। এইবাৰ কেবিনেটে ৰাজ্যখনৰ বিভিন্ন বিভাগৰ অধীনত বিশ্ববিদ্যালয়খনৰ আচাৰ্য পদৰ পৰা ৰাজ্যপালক আঁতৰাই মুখ্যমন্ত্ৰীক স্থাপন কৰাৰ সিদ্ধান্ত লৈছিল। আজিৰ দিনটোতে উচ্চ শিক্ষা বিভাগৰ অধীনত কলকাতা, যাদৱপুৰ, প্ৰেছিডেন্সীৰ দৰে ৩১খন বিশ্ববিদ্যালয়ৰ আচাৰ্যৰ পদ সলনি কৰিবলৈ বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হয়। উল্লেখ্য যে, ২০০৭ চনৰ ২৭ এপ্ৰিলত কেন্দ্ৰই গঠন কৰা প্ৰাক্তন মুখ্য ন্যায়াধীশ মদন মোহন পুঞ্চিৰ নেতৃত্বত পাঁচজনীয়া আয়োগে ৰাজ্যপালৰ সলনি ইয়াৰ পছন্দৰ ব্যক্তি এজনক নিযুক্তি দিব পাৰে বুলি পৰামৰ্শ দিছিল। এই বিধেয়কখন সেই পৰামৰ্শৰ আধাৰতে গৃহীত কৰা হয়। শিক্ষামন্ত্ৰী ব্ৰত্য বসুৱে সোমবাৰে বিধানসভাত বিধেয়কখন উত্থাপন কৰে। তেওঁৰ মতে, এয়া এক ঐতিহাসিক বিধেয়ক। প্ৰাক্তন শিক্ষামন্ত্ৰী পাৰ্থ চেটাৰ্জীয়ে বিধেয়কখনৰ প্ৰতি তেওঁৰ সমৰ্থন ব্যক্ত কৰিছিল। বিধেয়কখন উত্থাপন কৰি ৰাজ্যৰ শিক্ষামন্ত্ৰীগৰাকীয়ে কয়— ‘যোৱা ১১ বছৰ ধৰি এই বিধেয়কখন অনাৰ কোনো প্ৰয়োজন নাছিল। এইবাৰ মই ইয়াক আনিবলৈ বাধ্য হৈছো। এই সন্দৰ্ভত তেওঁ ২০১৩ চনত নৰেন্দ্ৰ মোদীৰ গুজৰাট বিষয়টো উত্থাপন কৰে। কাৰণ, যেতিয়া তেওঁ গুজৰাটৰ মুখ্যমন্ত্ৰী আছিল, নৰেন্দ্ৰ মোদীয়ে সেই ৰাজ্যখনৰ বিশ্ববিদ্যালয়খনৰ আচাৰ্য ৰাজ্যপালৰ ক্ষমতা হ্ৰাস কৰিছিল। ব্ৰত্য বসুৱে লগতে সুধিছিল— ‘বিশ্ব-ভাৰতী বিশ্ববিদ্যালয়ৰ আচাৰ্য প্ৰধানমন্ত্ৰী, তাত কোনো ৰাজনৈতিক হস্তক্ষেপ নাই?’ বিতৰ্কৰ শেষত বিধেয়কখনৰ সপক্ষে ১৮২টা ভোট পৰে আৰু বিধেয়কখন গৃহীত হয়।

## অসমত এতিয়া বিজেপিয়েই

দাখিল কৰা চমন অনুসৰি আজি দলে বলে শোভাযাত্ৰা কৰি দিল্লীস্থিত ই ডি কাৰ্যালয়ত কংগ্ৰেছৰ শীৰ্ষতম নেতাগৰাকী উপস্থিত হোৱাক লৈ আজি তেজপুৰত এইদৰে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ৰাহুল গান্ধীয়ে এতিয়া ই ডি কাৰ্যালয়লৈ যাব লাগে আৰু সহযোগ কৰি নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিব লাগে। সাংসদ হিচাপে আৰু ব্যক্তি হিচাপেও এয়া ৰাহুল গান্ধীৰ দায়িত্ব। এতিয়া দেশ সলনি হৈছে। এনে কাৰ্য এতিয়া নচলিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আনহাতে ৰাজ্যখনৰ বিৰোধী দলসমূহৰ নিস্ক্ৰিয়তাৰ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, অসমত এতিয়া বিৰোধীৰ ভূমিকাও বিজেপিয়েই ল'ব লাগিব। বিৰোধী বুলিবলৈ আন দল এতিয়া অসমত নাই। সেয়েহে কিবা বেয়া কাম কৰিহে এতিয়া বিজেপিয়ে বিৰোধীৰ ভূমিকা ল'ব লাগিব। এই সন্দৰ্ভত পৰিষদীয় নিৰ্বাচনৰ প্ৰসংগ অৱতাৰণা কৰি শেহতীয়াকৈ কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনত চমকপ্ৰদ ফলাফলে উৎসাহিত কৰিছে বুলি কৈ ইমান মৰমো ভাল নহয় বুলি কিছু শংকা ব্যক্ত কৰে। ৰাইজে যেতিয়া ইমান দিছে বিজেপি দলক, গতিকে আগন্তুক সময়ত কিদৰে ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰিব পাৰিব তাক লৈ চিন্তিত হৈ পৰিছো বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। পাহাৰীয়া জিলাখনৰ পৰিষদৰ নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে, কাৰ্বি আংলং স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ নেতৃত্বতেই বিজেপি দলে ২৬ খন আসনৰ আটাইকেইখনতে বিপুল ভোটৰ ব্যৱধানত জয়ী হ'বলৈ সক্ষম হ'ল। সেয়েহে নিৰ্বাচিত সদস্য আৰু জিলাবাসী ৰাইজে তুলিৰাম ৰংহাঙক এইবাৰো গুৰুত্ব আৰোপ কৰাৰ সম্ভাৱনা আছে বুলি কৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰংহাঙেই পুনৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্ব লাভ কৰাৰ আওপকীয়াকৈ ইংগিত প্ৰদান কৰে।

## সশস্ত্ৰ সীমাবলৰ কৰ্মীয়ে

দম্পতীহালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাতো দূৰৰে কথা দৰং আৰক্ষীয়ে দুই দম্পতীক নিজগৃহলৈ পঠিয়াই দিয়াত দুৰ্ভগীয়া কিশোৰীজনীৰ পৰিয়ালে ক্ষোভ প্ৰকাশ কৰিছে। লক্ষণীয় যে, ১১ জুনৰ পুৱা প্ৰায় ৯.৩০ বজাত ধূলা চ'কৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা ব্যৱসায়ী ৰূপম সাহাৰ দুমহলীয়া ঘৰৰ প্ৰথম মহলাত উদ্ধাৰ হয় এজনী ১৩ বছৰীয়া কিশোৰীৰ মৃতদেহ। কিশোৰীজনী সশস্ত্ৰ সীমাবলৰ মুদৈবড়ি শিবিৰত কৰ্মৰত কৃষ্ণকমল বৰুৱা আৰু নিৰ্জু নাথ বৰুৱাৰ ভাৰাঘৰত কৰ্মৰত আছিল। বৰুৱাই স্থানীয় ৰাইজ তথা উক্ত চৌহদতে ভাৰা থকা পৰিয়ালৰ সমুখত দাবী কৰা অনুসৰি, কিশোৰীজনীয়ে চিপ লৈ চিলিং ফেনত ওলমি থকাত তেওঁ ৰছী কাটি নমাই আনে। একেদৰে বৰুৱাই কোঠাৰ পৰা নিজৰ শিশুটিক কোলাত লৈ ধূলা চ'কলৈ ওলাই যোৱাৰ সময়তে এই ঘটনা সংঘটিত হয় বুলি দাবী কৰে। স্থানীয় আৱাসীসকলে বিষয়টো প্ৰায় ১০০ মিটাৰ দূৰৈত থকা ধূলা থানাৰ আৰক্ষীক নজনোৱাকৈ কিয় মৃতদেহ নমালে আৰু ৪ ফুট উচ্চতাৰ ১৩ বছৰীয়া কিশোৰীজনীয়ে কিদৰে ৯/১০ ফুট উচ্চতাৰ চিলিং ফেনত ৰছী লগালে তাক লৈ প্ৰশ্ন কৰে যদিও বৰুৱাই সেই প্ৰশ্নৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰে। বৰুৱাৰ পত্নী অৱশ্যে উক্ত সময়ত চৰকাৰী দায়িত্বৰ বাবে ঘৰৰ বাহিৰত থকাত বিষয়টোত ৰাইজৰ অধিক সন্দেহ ওপজে। পিছলৈ ধূলা থানাৰ এটা দলে মৃতদেহ ঘটনাস্থলীৰ পৰা দণ্ডাধীশ অবিহনেই বুটলি নি মঙলদৈ অসামৰিক চিকিৎসালয়ৰ মৰ্গত মৰণোত্তৰ পৰীক্ষাৰ বাবে জমা দিয়ে। ইপিনে, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি পাঁচনৈৰ দুৰ্ভগীয়া কিশোৰীজনীৰ পৰিয়ালে এয়া ধৰ্ষণ কৰি হত্যা কৰাৰ অভিযোগ তুলি ধূলা থানাত কালি এখন এজাহাৰ দাখিল কৰিছে। ধূলা থানাত কিশোৰীগৰাকীৰ মৃত্যু সন্দৰ্ভত ঢেকীয়াজুলি হুগ্ৰাজুলিৰ পাঁচনৈৰ ৰাজু তুৰিয়ে দাখিল কৰা এজাহাৰ অনুসৰি, প্ৰায় ২ বছৰ পূৰ্বে পঢ়ুওৱাৰ প্ৰতিশ্ৰুতি দি তেজপুৰ মেকেন চুবুৰিৰ বানেশ্বৰ বৰুৱাৰ পুত্ৰ কৃষ্ণ কমল বৰুৱাই ১১বছৰীয়া কিশোৰীজনীক ঘৰলৈ লৈ আনিছিল। বিশেষভাৱে সক্ষম পিতৃয়ে কিশোৰীজনীক পঢ়ুওৱাৰ প্ৰতিশ্ৰুতিৰে বৰুৱাক গতাই দিছিল যদিও পঢ়ুওৱাৰ সলনি নিজৰ শিশুৰ চোৱা-চিতা আৰু কাম-বন কৰোৱাৰ বাবেহে নিয়োগ কৰে। লক্ষণীয় যে, কৃষ্ণ কমল বৰুৱা সশস্ত্ৰ সীমাবলত কৰ্মৰত হোৱাৰ লগতে তেওঁৰ পত্নীও একেটা শিবিৰৰ সীমাবলৰ চিকিৎসা বিভাগৰ কৰ্মচাৰী। নিজ সন্তানৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে এজনী কিশোৰীৰ জীৱন ধ্বংসত নামি পৰে দুই দম্পতী। পতি-পত্নী সুৰক্ষা বিভাগৰ কৰ্মচাৰী হোৱাৰ সুবাদতে নিজ ঘৰত শিশু শ্ৰমিক নিযুক্ত কৰি শিশু শ্ৰমিক সম্পৰ্কীয় আইন ভংগ কৰে। ৰাজু তুৰিয়ে এজাহাৰত উল্লেখ কৰা অনুসৰি, ১১ জুনৰ দুপৰীয়াৰ ভাগত তেওঁৰ কন্যাৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ খবৰ দি তৎকালে মঙলদৈ অসামৰিক চিকিৎসালয়ত আহিবৰ বাবে ফোন কৰে। সেই অনুসৰি আবেলি ২ মান বজাত মঙলদৈ চিভিল হাস্পতাললৈ আহি তেওঁৰ মৃতদেহ প্ৰত্যক্ষ কৰে আৰু অভিভাৱক হিচাপে মৰণোত্তৰ পৰীক্ষাৰ সন্মতি-পত্ৰত স্বাক্ষৰ কৰি মৃতদেহলৈ অপেক্ষা কৰে। তুৰিয়ে কালি এই মৃত্যুক সহজভাৱে নলৈ ধৰ্ষণ কৰি হত্যা কৰা বুলি এজাহাৰ দাখিল কৰে ধূলা থানাত। উক্ত এজাহাৰৰ পাছত দৰং আৰক্ষীয়ে এই পৰ্যন্ত বৰুৱা দম্পতীক ধৰ্ষণ-হত্যাৰ গোচৰ অথবা শিশু সুৰক্ষা আইন ভংগ সম্পৰ্কীয় কোনো এটা গোচৰতে কৰায়ত্ত কৰা পৰিলক্ষিত হোৱা নাই। নে দুই দম্পতী সশস্ত্ৰ সীমাবলত কৰ্মৰত হোৱা হেতুকে বা দুৰ্ভগীয়া পিতৃৰ দৰিদ্ৰতাৰ সুযোগ গ্ৰহণ কৰি আইনৰ সুৰুঙাৰে সাৰি যাব বিচাৰিছে ? ঘটনা সন্দৰ্ভত দৰং আৰক্ষীৰ ভূমিকাত সন্দেহ উপজিছে সচেতন লোকৰ। অৱশ্যে পৰৱৰ্তী সময়ত আৰক্ষীয়ে কি ভূমিকা পালন কৰে সেয়া হ'ব লক্ষণীয়।

## এক পেকেট কণ্ডমৰ মূল্য

ভেনিজুৱেলাত সাধাৰণ কণ্ডমৰ মূল্য এনে পৰ্যায়ত উপনীত হৈছে, যাৰ দ্বাৰা যিকোনো লোকে এটা প্ৰতিষ্ঠিত ব্ৰেণ্ডৰ টেলিভিছন ক্ৰয় কৰিব পাৰে। ভেনিজুৱেলাৰ এখন দোকানত কণ্ডমৰ পেকেট এটা ৬০,০০০ টকাত বিক্ৰী কৰা হৈছে। এই কথাক লৈ এতিয়া সমগ্ৰ দেশখনতে হুলস্থুল হৈছে। বাতৰিটো সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। ভেনিজুৱেলাত গৰ্ভপাত নিষিদ্ধ। যদি কোনোবাই সেই দেশত এনে কৰে, তেন্তে তেওঁক কঠোৰ শাস্তি বিহাৰ আইন আছে। ৰাষ্ট্ৰসংঘৰ ষ্টেট অৱ ৱৰ্ল্ড পপুলেচন ৰিপ'ৰ্ট ২০১৫ অনুসৰি, ভেনিজুৱেলাত কিশোৰী গৰ্ভ ধাৰণৰ ঘটনাসৰ্বাধিক। ভেনিজুৱেলা এইক্ষেত্ৰত লেটিন আমেৰিকাৰ অন্যতম আগশাৰীৰ দেশ। দেশখনত গৰ্ভপাত নিষিদ্ধ বাবেই কণ্ডমৰ মূল্যও এতিয়া আকাশলংঘী হৈছে। অৱশ্যে, সেই দেশত কণ্ডমৰ মূল্য কিয় ইমান বৃদ্ধি পাইছে তাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ইয়াৰ মাজতে ভেনিজুৱেলাৰ কণ্ডমৰ মূল্যৰ বিষয়টো ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছে।

## বঙাইগাঁৱত এনডিএফবিৰ

আৰু মিণ্টু ৰায় (২২)। সন্ধিয়াৰ ভাগত এখন সংবাদ মেলৰ আয়োজন কৰি বঙাইগাঁও এই ঘটনাৰ সবিশেষ অৱগত কৰে। সংবাদ মেলত বঙাইগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক লুণা সোণোৱালে জনোৱা মতে এই যুৱকদ্বয়ে শালবাৰী অঞ্চলৰে এজন শিক্ষকক যোৱা ৭ জুনত ফোনযোগে নিজকে এনডিএফবি বুলি পৰিচয় দি ২০ লাখ টকা দাবী কৰে। ইয়াৰ পিছত যোৱা ১০ জুনত পুনৰ ধন দাবী কৰে যুৱদ্বয়ে। যোৱানিশাও যুৱকদ্বয়ে শিক্ষকজনক ধন দাবী কৰি ফোন কৰে। ইয়াৰ পিছতে শিক্ষকজনে আজি পুৱা সমগ্ৰ ঘটনাটো আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে ধন দাবী কৰা দুৰ্বৃত্তক কৰায়ত্ত কৰাৰ বাবে উঠিপৰি লাগে। পিছত আৰক্ষীয়ে সফলতা লাভ কৰে আৰু ধন দাবী কৰা যুৱকদ্বয়ক কৰায়ত্ত কৰে। অতিৰিক্ত আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদ মেলত সদৰী কৰা মতে প্ৰথমে শিক্ষকজনক ২০ লাখ টকা দাবী কৰিছিল যদিও পিছলৈ কমি এই ধনৰ পৰিমাণ ১০ লাখ টকা হৈছিল। ধৃত যুৱকদ্বয় কোনো সংগঠনক প্ৰতিনিধিত্ব নকৰে বুলি কৈ এনডিএফবিৰ নাম ব্যৱহাৰ কৰি ধন দাবী কৰা বুলি আৰক্ষীৰ আগত ধৃত যুৱকদ্বয়ে স্বীকাৰ কৰা বুলি জনায়। আৰক্ষীয়ে বৰ্তমান ধৃত যুৱকদ্বয়ক বঙাইগাঁও সদৰ থানাত জেৰা অব্যাহত ৰাখিছে।

## বৰুণডাংগাত যাত্ৰীবাহী বাছ

গড়কাপ্তানী পথেৰে ধুবুৰীৰ পৰা তামাৰহাট অভিমুখে আহি আছিল। আহি থাকোতে বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই বৰুণডাংগা গাঁৱত পথৰ দাঁতিত বাগৰি পৰে। ফলত বাছখনত থকা যাত্ৰীসকল আহত হয়। ইয়াৰ ভিতৰত পাঁচগৰাকী যাত্ৰী গুৰুতৰভাৱে আহত হয়। দুৰ্ঘটনা সংঘটিত হোৱাৰ খবৰ পাই তামাৰহাট থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত যাত্ৰীসকলক উদ্ধাৰ কৰে। বাছখনত থকা প্ৰায় সকলো যাত্ৰীয়ে আহত হয় যদিও তাৰ ভিতৰ পাঁচজন যাত্ৰী গুৰুতৰভাৱে আহত হয়। গুৰুতৰভাৱে আহত হোৱা ৰবিউল হক (৩০), ভানু বিবি (৫৫), আলিমা বিবি (৩৬), আবুবক্কৰ শ্বেখ (১১) আৰু ছকিনা খাতুনক (২৭) ততাতৈয়াকৈ মটেৰঝাৰ মহাত্মা গান্ধী চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও অৱস্থা সংকটজনক হোৱাত পাঁচজনকে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## ক'ভিড এতিয়াও শেষ হোৱা

অনুশীলনৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ এখন ভিডিঅ' কনফাৰেন্স বৈঠকত সভাপতিত্ব কৰাৰ সময়ত কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডৱিয়াই কিছুমান জিলাত বৰ্ধিত কেছ ইতিবাচকতাৰ ওপৰত আলোকপাত কৰে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডৱিয়াই সোমবাৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্যমন্ত্ৰীসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকক বিদ্যালয়ৰ শিশুসকলৰ বাবে ক'ভিড-১৯ টিকাকৰণৰ পৰিসৰ সম্প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডৱিয়াই সোমবাৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্যমন্ত্ৰীসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকক বিদ্যালয়ৰ শিশুসকলৰ বাবে ক'ভিড-১৯ টিকাকৰণৰ পৰিসৰ সম্প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মাণ্ডৱিয়াই সোমবাৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ স্বাস্থ্যমন্ত্ৰীসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকক বিদ্যালয়ৰ শিশুসকলৰ বাবে ক'ভিড-১৯ টিকাকৰণৰ পৰিসৰ সম্প্ৰসাৰিত কৰা, বৃদ্ধসকলৰ বাবে সাৱধানতামূলক পালি আৰু জিনম অনুক্ৰম শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। স্বাস্থ্য মন্ত্ৰণালয়ে এই তথ্য প্ৰদান কৰিছিল। পৰ্যালোচনা বৈঠকত মান্দাৱিয়াই ৰাজ্যসমূহক কয়— ‘ক'ভিড-১৯ এতিয়াও শেষ হোৱা নাই। কিছুমান ৰাজ্যত, কৰ'না ভাইৰাছৰ বৰ্ধিত ঘটনাৰ সৈতে সতৰ্ক হোৱা আৰু সঠিক আচৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ।’ কিছুমান জিলা আৰু ৰাজ্যত কৰ'নাৰ ইতিবাচক ঘটনা বৃদ্ধি আৰু ক'ভিডৰ পৰীক্ষা হ্ৰাসৰ কথা উল্লেখ কৰি মান্দাৱিয়াই কয় যে দ্ৰুত আৰু সময় মতে পৰীক্ষা কৰিলে ঘটনাবোৰ আগতীয়াকৈ চিনাক্ত কৰাত সহায় কৰিব আৰু সমাজৰ মাজত সংক্ৰমণ বিয়পা নিয়ন্ত্ৰণ কৰাত সহায় কৰিব। ইফালে, ভাৰতত এদিনত ৮,০৮৪গৰাকী লোক নতুনকৈ ক'ভিডত আক্ৰান্ত হৈছে। দেশত এতিয়ালৈকে কৰ'না সংক্ৰমিত হোৱা লোকৰ সংখ্যা ৪,৩২,৩০,১০১লৈ বৃদ্ধি পাইছে।

## পুনৰ দুই ছাত্ৰীৰ নিৰুদ্দেশক

মুদৈজান ভৰলুৱা গাঁৱৰ কিশোৰী সুস্মিতা বৰা আৰু ৰশ্মি শইকীয়া যোৱা শনিবাৰৰ পৰা নিৰুদ্দেশ হৈ থকা ঘটনাই টীয়কত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী সুস্মিতা বৰাই এই বৰ্ষত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰিবৰ্তে ৰশ্মি শইকীয়াই হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিল। জানিব পৰা মতে শনিবাৰে দিনতে বিদ্যালয়লৈ যাওঁ বুলি ওলাই আহিছিল দুই কিশোৰী। তাৰ পিছত ঘৰলৈ ঘূৰি নোযোৱাত পৰিয়ালৰ লোকে বিচাৰ-খোঁচাৰ কৰি কোনো শুং-সূত্ৰ নোপোৱাত ইতিমধ্যে টীয়ক থানাত এজাহাৰ দাখিল কৰিছে। ঘটনা অনুসৰি নিৰুদ্দেশ হোৱা ছাত্ৰী দুগৰাকীয়ে নিজৰ ফোনৰ পৰা সামাজিক মাধ্যমৰ ষ্টেটাচ দি ‘বহু দূৰ যাব মন যায়, অকলে জীয়াই থাকিব মন যায়। মা-পাপাৰ বোজা হৈ থাকিব নোৱাৰো। কাকো কষ্ট নিদিওঁ। মা-পাপাহঁত সদায় সুখী হওক। মই আৰু নাথাকো। বহুত দূৰ গুচি যাম। বহুত মনত পৰিব সকলোকে, কিন্তু আহিব নোৱাৰিম। নিজৰ মতে জীয়াই থাকিব শিকিম, নিজে কাম কৰিম কাকো আমনি নিদিম’ বুলি লিখি অন্তৰ্ধ্যান হোৱাৰ ঘটনাই বিষয়টোৰে অধিক ৰহস্যৰ সৃষ্টি কৰিছে। ইফালে ছাত্ৰী দুগৰাকীৰ তিনি দিন ধৰি একো সম্ভেদ নোপোৱাত পৰিয়াল দুটা চিন্তিত হৈ পৰিছে।

## এইবাৰ হিতাধিকাৰী জৰীপ

জিলাৰ বিভিন্ন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত উপায়ুক্তসকলে বিভিন্ন আঁচনিৰ কামকাজৰ খতিয়ান দাঙি ধৰা পৰিলক্ষিত হৈছে। এই সন্মিলনত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত আজি পুনৰ কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা বা গুৰুত্বপূৰ্ণ তথ্য সদৰি কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি সাংবাদিকৰ আগত কয় যে, অহা ৭ জুলাইৰ পৰা অসমত ‘অৰুণোদয়’ মাহ আৰম্ভ হ'ব। মুঠ ২০ হাজাৰ এন চি চি কেডাৰে এই অৰুণোদয় আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। একোখন গাঁৱৰ বিপৰীতে তিনিগৰাকী এন চি চি কেডাৰেৰে দল গঠন কৰা হৈছে। এই দলসমূহে গাঁওবোৰৰ পুৰণা অৰুণোদয় হিতাধিকাৰীসকলৰ ঘৰলৈ যাব। কিয়নো বিগত দিনবোৰত আৰু শেহতীয়াকৈ বহু যুৱক-যুৱতীয়ে চাকৰি পাইছে। তেনে চাকৰি প্ৰাপ্ত পৰিয়ালে অৰুণোদয় এৰি দিব লাগিব। গাঁৱৰ কোনোবা দুখীয়া মানুহে অৰুণোদয় পাবলগীয়া আছে নে নাই সেই সন্দৰ্ভতো এই দলবোৰে জৰীপ কৰি আঁচনিখন ৰূপায়ণ কৰাৰ সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে, ‘মিছন ভূমিপুত্ৰ’ বুলি এটা নতুন কাৰ্যসূচী গঠন কৰা হৈছে। য'ত নেকি অনুসূচিত জাতি আৰু জনজাতিৰ লগতে অন্যান্য পিছপৰা শ্ৰেণী শিক্ষাৰ্থীসকল নৱম শ্ৰেণীতে স্কুললৈ গৈ জাতিৰ প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে। যাতে তেওঁলোকে কেতিয়াও ইয়াৰ বাবে চৰকাৰী কাৰ্যালয়লৈ আহিব নালাগে। সাংবাদিকৰ আগত তেওঁ আৰু কয় যে, আজিৰ এই উপায়ুক্ত সন্মিলনত কেবাগৰাকী বিভাগীয় মন্ত্ৰী উপস্থিত থাকিব আৰু বিভাগীয় কামকাজ সম্পৰ্কত বিশ্লেষণ আগবঢ়াব। আজিৰ অন্তিম দিনটোত জলজীৱন মিচন, প্ৰধানমন্ত্ৰী আৱাস যোজনা, অসম মালা, ভূমি আৱণ্টন আদি ৭ টা বিষয়ৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হ'ব। কৃষি ৰাজ্য হিচাপে অসমৰ কোন কোন জিলাত কৃষি ভূমি কেনেধৰণেৰে উন্নিতকৰণ কৰা হৈছে, কৃষিজাত সামগ্ৰীৰ বাবে কিমান গুদাম বনোৱা হৈছে, কিমান মিল বনোৱা হৈছে এনে বিষয়বোৰক লৈ উপায়ুক্তসকলে তেওঁলোকৰ কামকাজৰ খতিয়ান তথ্যসহ উপস্থাপন কৰিব। কালি নিশা প্ৰায় ডেৰ বজালৈকে সম্পন্ন হোৱা উপায়ুক্ত সন্মিলন আজি পুৱা প্ৰায় দহ বজাৰ পৰা আৰম্ভ হয় আৰু নিশা ৯ বজালৈকে চলিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰি তেজপুৰৰ এই নৱ নিৰ্মিত সন্মিলন কেন্দ্ৰটি সুৰক্ষিত কৰি ৰখা হ'ব আৰু এই কেন্দ্ৰতে অহা ছমাহৰ ভিতৰত ৰাজ্যখনৰ আৰক্ষী অধীক্ষকসকলক সন্মিলন অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰাৰ লগতে ছমাহৰ পিছত তিনিচুকীয়াত উপায়ুক্ত সন্মিলন অনুষ্ঠিত হ'ব বুলি সদৰি কৰে।

## অসম চৰকাৰৰ স্বাস্থ্য বিভাগত বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি

### অসম চৰকাৰে উত্তৰ দিয়ক আৰু সঠিক ব্যৱস্থা লওক ঃ ডি ৱাই এফ আই

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ১৩ জুন ঃ** ৰাজ্যখনৰ লাখ লাখ নিবনুৱাই এটা চাকৰিৰ বাবে হাহাকাৰ কৰি থকাৰ সময়তে অসম চৰকাৰে স্বাস্থ্য বিভাগত ২৬জনকৈ বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি দিয়া বুলি সংবাদ মাধ্যমত বাতৰি প্ৰকাশ হৈছে। এয়া অতিকৈ দুৰ্ভাগ্যজনক আৰু ৰাজ্যৰ নিবনুৱাৰ স্বপ্নৰ পৰিপন্থী আখ্যা দিছে ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ (ডি ৱাই এফ আই) অসম ৰাজ্যিক কমিটীয়ে। অসমৰ যুৱক-যুৱতীৰ আশা-আকাংক্ষাক ধূলিসাৎ কৰি বহিঃৰাজ্যৰ প্ৰাৰ্থীক নিযুক্তি দিয়াটো ডি ৱাই এফ আয়ে কেতিয়াও সমৰ্থন নকৰে। এই সমগ্ৰ বিষয়টো হস্তক্ষেপ কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ ডি ৱাই এফ আয়ে অসম চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে। অভিযোগ অনুসৰি ১৪ মে'ত অসম চৰকাৰে অনুষ্ঠিত কৰা নিযুক্তি মেলাত স্বাস্থ্য বিভাগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালী পদৰ বিপৰীতে নিযুক্তি-পত্ৰ প্ৰদান কৰিছিল। কিন্তু আচৰিত কথা হৈছে এই নিযুক্তি প্ৰক্ৰিয়াত বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে বাছনি লাভ কৰিবলৈ সক্ষম হৈছে। অথচ বিজ্ঞাপনৰ নিয়ম অনুসৰি উক্ত পদসমূহত আবেদন কৰিবলৈ হ'লে প্ৰাৰ্থী এজন ৰাজ্যখনৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়নৰ প্ৰমাণ-পত্ৰ থাকিব লাগিব। স্বাভাৱিকতে প্ৰশ্ন হয় এনে স্পষ্ট নীতি-নিয়ম থকাৰ পাছতো কেনেকৈ বহিঃৰাজ্যৰ প্ৰাৰ্থী অসম চৰকাৰৰ স্বাস্থ্য বিভাগত আবেদন কৰি চাকৰি ল'বলৈ সক্ষম হ'ল। উল্লেখ কৰিব পাৰি যে ইয়াৰ পূৰ্বে শিক্ষা বিভাগত বহু বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছে। অসমীয়া মাধ্যমৰ বিদ্যালয়ত উত্তৰ প্ৰদেশ-বিহাৰ আদি ৰাজ্যৰ হিন্দীভাষী প্ৰাৰ্থীয়ে শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছে। ডি ৱাই এফ আয়ে আৰম্ভণিৰে পৰাই তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে নিযুক্তি প্ৰদানৰ দাবী জনাই আহিছে। কিন্তু চৰকাৰে এনে দাবী আৰু বিষয়ৰ প্ৰতি সদায়ে উদাসীন মনোভাব লৈ আহিছে। ইয়াৰ ফলত বাৰে বাৰে বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে নিযুক্তি পোৱা ঘটনাৰ পুনৰাবৃত্তি হৈছে। এনে ঘটনাৰ অন্তৰালত চৰকাৰৰ অৱহেলাৰ উপৰি গোপন ৰহস্য লুকাই থকাৰ প্ৰবল সম্ভাৱনা আছে। ডি ৱাই এফ আয়ে নিযুক্তিৰ দৰে নিবনুৱাৰ হৃদয় চুই যোৱা বিষয়টো সঠিক তদন্ত কৰি সঠিক ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

## শুৱালকুছি বয়ন শিল্পী নৈশ বিদ্যালয়ত স্কুল পৰিদৰ্শকৰে ছাত্ৰ-ছাত্ৰীৰ মত বিনিময়

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১৩ জুন ঃ** ৰাজ্যৰ চৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে উচ্চপদস্থ বিষয়াসকলে সঘনে পৰিদৰ্শন কৰি শিক্ষা ব্যৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনক সকলো দিশতে দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত এখন কৰাৰ যৎপৰোনাস্তি চেষ্টা চলাইছে। বিশেষকৈ স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ জৰিয়তে এই প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া বস্ত্ৰ নগৰী শুৱালকুছিৰ অন্যতম শিক্ষানুষ্ঠান বয়ন শিল্পী নৈশ বিদ্যালয়ত কামৰূপ জিলাৰ ডিপিঅ' ফুলপাহী নাথ উপস্থিত হৈ স্কুল পৰিদৰ্শন কৰে। বিষয়াগৰাকীয়ে স্কুলৰ শ্ৰেণী কোঠাত প্ৰৱেশ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বুদ্ধিমত্তাৰ পৰিচয় লয়। তেওঁ ছাত্ৰ-ছাত্ৰীৰে মত বিনিময় কৰি সন্তুষ্টি প্ৰকাশ কৰে। লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত মত বিনিময় কৰি বিদ্যালয়ৰ আন্তঃ গাঁথনি মজবুত কৰাৰ উপৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন সন্মিলন পতাৰ পৰামৰ্শ দিয়ে। উল্লেখ্য যে শুৱালকুছিৰ শিপিনীসকলৰ বাবে ১৯৬৪ চনতে শুৱালকুছি বয়ন শিল্পী নৈশ বিদ্যালয়ৰ স্থাপন কৰি শিপিনীসকলক উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিছিল। তেতিয়াৰ পৰা বৰ্তমানলৈকে এই ধাৰা অব্যাহত আছে।

## নগাঁৱত ৮টা ম'হ আৰু ১০টা চোৰাং গৰুসহ ট্ৰাক জব্দ ঃ দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ জুন ঃ** নগাঁও আৰক্ষীয়ে আজি পুৱাৰ ভাগত অভিযান চলাই নগাঁও চহৰৰ নিকটৱৰ্তী বৰঘাটত দুটা গৰু-ম'হৰ চোৰাং সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সৰবৰাহকাৰী দুটা হ'ল মফিজউদ্দিন আলী আৰু ৰবিকুল হুছেইন। আৰক্ষীয়ে গৰু সৰবৰাহকাৰী দুটাৰ জিম্মাৰ পৰা এ এছ-০১ এফ চি-৯৫৭৫ নম্বৰৰ এখন ট্ৰাক, ৮টা ম'হ আৰু ১০টা গৰু জব্দ কৰিছে। গোলাঘাটৰ পৰা গৰু লৈ দুই সৰবৰাহকাৰী মেঘালয়লৈ গৈ থকাৰ তথ্য লাভ কৰি আৰক্ষীয়ে বৰঘাটত অভিযান চলাই সৰবৰাহকাৰী দুটাক গ্ৰেপ্তাৰ কৰে।

## নগাঁৱত জলসিঞ্চন বিভাগৰ ‘প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা'ৰ শুভ উদ্বোধন বিধায়ক ৰূপক শৰ্মাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ জুন ঃ** নগাঁও সদৰ সমষ্টিত সম্পূৰ্ণ ৰূপায়ণ হোৱা ‘প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা’ (হৰ খেত কো পানী)ৰ আজি শুভ উদ্বোধন কৰা হয়। উল্লেখ্য যে নগাঁও সদৰ সমষ্টিত সৌৰশক্তিৰ লগতে বিদ্যুৎ শক্তিৰে চালিত সৰ্বমুঠ ১০০টা কৃষি সিঞ্চাই স্থাপন কৰা হৈছে। আজি নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত চলচলিত জলসিঞ্চন বিভাগ নগাঁৱৰ উদ্যোগত বঢ়মপুৰ সংমণ্ডলৰ অধীনত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ পৰ্যায়-১ৰ শুভ উদ্বোধন উপলক্ষে এক ৰাজহুৱা সভা আয়োজন কৰা হয়। সভাৰ কাৰ্যসূচীত কৃষকৰ উপকাৰ হোৱাকৈ কেইবা শতাধিক কৃষকক কৃষি সিঞ্চাই আঁচনিৰে উপকৃত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হয়। উক্ত অনুষ্ঠানত প্ৰথমটো অত্যাধুনিক নলাৰ শুভ উদ্বোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই আঁচনিখন উদ্বোধন কৰি বিধায়ক ৰূপক শৰ্মাই কয় যে আঁচনিখনৰ জৰিয়তে কেইবা শতাধিক কৃষক উপকৃত হ'ব। আশা কৰিছো এই আঁচনিৰ জৰিয়তে কৃষকসকলৰ কৃষি পথাৰত প্ৰয়োজন হোৱা পানীৰ অভাৱ দূৰ হ'ব আৰু উন্নত মানৰ কৃষিজাত সামগ্ৰী উৎপাদন কৰিবলৈ কৃষকসকল সক্ষম হ'ব। বিধায়কগৰাকীয়ে হিতাধিকাৰীসকলৰ মাজত এই আঁচনি প্ৰদান কৰি যথেষ্ট সন্তোষ লাভ কৰা বুলিও মন্তব্য আগবঢ়ায়। সভাত মুখ্য ব্যৱস্থাপক হিচাপে অংশগ্ৰহণ কৰি নগাঁও বঢ়মপুৰ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দিলীপ কুমাৰ বৰুৱাই কয় যে, এই আঁচনিয়ে কৃষকৰ উপকাৰ কৰি স্বাৱলম্বিতাৰ দিশত অধিক সহায় কৰিব। প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ শুভ উদ্বোধনী অনুষ্ঠান উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাখনত জলসিঞ্চন বিভাগৰ নগাঁও চক্ৰৰ অধীক্ষক অভিযন্তা ৰাজীৱ গগৈ, ৰহা, বটদ্ৰৱা, সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা ভবেশ চন্দ্ৰ ভট্টাচাৰ্য, বঢ়মপুৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা হেমন্ত কুমাৰ দাস, জলসিঞ্চন বিভাগৰ নগাঁও উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা নিলম প্ৰসাদ বৰা, সহকাৰী অভিযন্তা পৰশমণি মহন্ত প্ৰমুখ্যে জলসিঞ্চন বিভাগৰ বিষয়া বৰ্গ, হিতাধিকাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## মাত্ৰ ১ নম্বৰেই হ'ব পাৰে কাল

ক্ষেত্ৰতো বাধা দিয়া হৈছে। সোমবাৰে কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অভিজিত গংগোপাধ্যায়ৰ খণ্ডপীঠে এই ৰায় প্ৰদান কৰে। গোচৰটোৰ শুনানি ন্যায়াধীশ অভিজিত গংগোপাধ্যায়ৰ আদালতত চলি আছিল। সোমবাৰে শুনানিৰ সময়ত ন্যায়াধীশে সুধিছিল, ‘টে'ট পাছ নকৰাকৈ কেনেকৈ চাকৰি কৰিব পাৰি?’ ন্যায়াধীশে সেই প্ৰশ্নটোৰ উত্তৰ চিবিআইক বিচাৰি উলিওৱাৰ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ উপৰি, ৰাষ্ট্ৰীয় তথ্য কেন্দ্ৰক গোচৰটোৰ নিযুক্তি সম্পৰ্কীয় সকলো নথি-পত্ৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁলোকক চিবিআইৰ সৈতে যোগাযোগ কৰিবলৈও নিৰ্দেশ দিয়া হৈছিল। এইক্ষেত্ৰত প্ৰাথমিক শিক্ষা পৰিষদৰ সম্পাদক ৰত্ন চক্ৰৱৰ্তী বাগচী আৰু প্ৰাথমিক শিক্ষা পৰিষদৰ সম্পাদক মাণিক ভট্টাচাৰ্যই চিবিআইৰ মুখামুখি হ'ব লাগিব। যদি তেওঁ তদন্তত সহযোগিতা নকৰে, কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই মাণিক ভট্টাচাৰ্যক জিম্মাত ল'ব পাৰে। উল্লেখ্য, পশ্চিমবংগত ২০১৪ চনৰ প্ৰাথমিক টে'টত দুৰ্নীতিৰ অভিযোগ উঠিছিল। ২৬৯জন লোকৰ নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতিৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ কৰা হৈছে যে পৰীক্ষা নিদিয়াকৈয়ে বহুতে চাকৰি পাইছিল।

# ইছলামৰ নীতি অনুসৰি নূপুৰ শৰ্মাক ক্ষমা কৰি দিয়া উচিত



## জামাত উলেমা-ই-হিন্দৰ আহ্বান

**নতুন দিল্লী, ১৩ জুন ঃ** জামাত উলেমা-ই-হিন্দৰ ৰাষ্ট্ৰীয় সভাপতি ছুহেইব কাশ্মীয়ে কয় যে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন মুখপাত্ৰ নূপুৰ শৰ্মাই ইছলাম ধৰ্মগুৰু সম্পৰ্কত যি বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে ইয়াৰ বাবে ইছলাম ধৰ্মীয় নীতি অনুসৰি তেওঁক ক্ষমা কৰি দিয়া উচিত। কিয়নো ক্ষমা হ'ল সৰ্বশ্ৰেষ্ঠ প্ৰতিদান। ভুল কৰোতাই অনুশোচনা কৰিবৰ বাবে ক্ষমাই হ'ল সবাতোকৈ শক্তিশালী মাধ্যম। তেওঁ লগতে কয় যে মুছলমান সংগঠনসমূহে এই মন্তব্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰি আছে। কিন্তু এনে প্ৰতিবাদৰ উপৰিও ইছলাম ধৰ্মত এই বিষয়ত সমাধানৰ শান্তিপূৰ্ণ পন্থা আছে। সেয়েহে সংবাদমেলৰ জৰিয়তে তেওঁ দিল্লীত এই বিষয়টো আঙুলিয়াই দিছে। উল্লেখ্য যে যোৱা শুকুৰবৰীয়া নামাজৰ পিছত মছজিদৰ পৰা ওলাই অহা হাজাৰ হাজাৰ ইছলামধৰ্মী লোকে কেবাখনো ৰাজ্যত অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। পশ্চিমবংগ, উত্তৰাখণ্ড আদিত পৰিস্থিতি অধিক অৱনমিত হৈছে। আক্ৰমণ আৰু সংঘৰ্ষৰ ফলত একাধিক লোকৰ মৃত্যু পৰ্যন্ত হৈছে। এনেধৰণৰ অনমনীয় স্থিতি কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। হিংসাত্মক প্ৰতিবাদৰ পৰা আঁতৰি আহিবলৈ জামাত উলেমাই আহ্বান জনাইছে। ইফালে নূপুৰ শৰ্মাক বিজেপিয়ে নিলম্বন কৰা কাৰ্য আদৰণীয় বুলিও সংবাদ মাধ্যমত প্ৰকাশ কৰা হৈছে। ভাৰতৰ শাসকীয় দলটোৱে তৎকালীনভাৱে এনে পদক্ষেপ লোৱা কাৰ্য শলাগল'বলগীয়া। কিন্তু কোনেও আইন হাতত তুলি লৈ ৰাজপথলৈ ওলাই অহাৰ সাহস কৰিব নালাগে। উল্লেখ্য যে জামাত উলেমা-ই-হিন্দে প্ৰতিবাদৰ নামত হিংসাত্মক কাৰ্য সংঘটিত কৰা লোকসকলৰ বিৰুদ্ধে ফতোৱা জাৰি কৰাৰ সিদ্ধান্ত লৈছে। মহম্মদ মাদানি আৰু আছাদুদ্দিন ৱাইছিৰ বিৰুদ্ধে এই ফতোৱা বাহাল থাকিব। যিসকল মুছলমান দল বা সংগঠনে এনেধৰণৰ হিংসাত্মক কাৰ্যক উচতনি দিছে আৰু পৃষ্ঠপোষকতা কৰিছে সেই সংগঠনবোৰ চিনাক্ত কৰি উপযুক্ত পদক্ষেপ ল'বলৈ আহ্বান জনোৱা হৈছে। যোৱা শুকুৰবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ আৰক্ষীৰ মুৰব্বীলৈ সতৰ্কতামূলক জাননী প্ৰেৰণ কৰিছে. কোনো ৰাজ্যত যাতে প্ৰতিবাদৰ নামত কোনেও আইন হাতত তুলি ল'ব নোৱাৰে, গোষ্ঠী সংঘৰ্ষ ঘটাব নোৱাৰে তাৰ প্ৰতি কঠোৰ পদক্ষেপ গ্ৰহণৰ লগতে সদা সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে।



*সোমবাৰে অভিনেত্ৰী দিশা পাটানিৰ জন্মদিন, কম দিনতে বহু খ্যাতিমান অভিনেতাৰ বিপৰীতে সহ-অভিনেত্ৰী হিচাপে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে এইগৰাকী প্ৰতিভাশালী শিল্পীয়ে*

## পশ্চিমবংগৰ ডিজিপিৰ ভাষ্য

# হিংসাত্মক প্ৰতিবাদত জড়িত দুই শতাধিক লোকক গ্ৰেপ্তাৰ



**কলকাতা, ১৩ জুন ঃ** পশ্চিমবংগৰ আৰক্ষী সঞ্চালক প্ৰধান মনোজ মালব্যই সোমবাৰে কয় যে দুই শতাধিক ব্যক্তিক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। এই লোকসকল ৰাজ্যখনত শেহতীয়াকৈ নূপুৰ শৰ্মা বিষয়ক প্ৰতিবাদ আৰু হিংসাত্মক কাৰ্যত জড়িত হৈ আছিল। বিজেপিৰ প্ৰাক্তন নেত্ৰীগৰাকীয়ে প্ৰফেট মহম্মদৰ বিষয়ত প্ৰকাশ কৰা আপত্তিজনক মন্তব্যৰ বিৰোধিতা কৰিবলৈ গৈ একাংশই হিংসাত্মক প্ৰতিবাদত লিপ্ত হৈছে। বিশেষকৈ যোৱা শুকুৰবাৰে নামাজৰ পিছত মছজিদৰ পৰা বাহিৰ ওলায়েই একাংশই শিলগুটি নিক্ষেপ, পথ অৱৰোধ, পথচাৰীক আক্ৰমণ, দোকান-পোহাৰ আক্ৰমণ, ৰাজহুৱা সম্পদ ধ্বংস আদি কাৰ্যত লিপ্ত হৈছে। পাৰস্পৰিক প্ৰত্যাক্ৰমণৰ ফলত একাধিক লোকৰ প্ৰাণহানি হৈছে। পশ্চিমবংগত ৪২টা গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত অব্যাহত আছে। সকলো দোষীকে আইন অনুসৰি সবাতোকৈ অধিক কঠোৰ শাস্তি প্ৰদানৰ পোষকতা কৰিছে পশ্চিমবংগৰ আৰক্ষীয়ে। আইন উলংঘা কৰা আৰু হিংসাত্মক কাৰ্যত জড়িত থকা কোনো এজন লোকক ৰেহাই দিয়া নহয় বুলিও তেওঁ প্ৰকাশ কৰিছে। ইফালে ৰাজ্যখনৰ হাওৰা আৰু মুৰ্চিদাবাদ জিলাত এই প্ৰতিবাদ অধিক হিংসাত্মক হৈ পৰা বুলি প্ৰকাশ পাইছে। কলকাতা উচ্চ ন্যায়ালয়ত সোমবাৰে নিয়াৰ তদন্ত বিচাৰি ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দখল কৰা হৈছে। ইতিমধ্যে ৰাজ্যখনত সেনা মোটায়েন কৰা বুলি প্ৰকাশ পাইছে। দুজন আবেদনকাৰীয়ে ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে আৰু তেওঁলোকক মুখ্য ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱৰ ওচৰত হিংসাত্মক প্ৰতিবাদৰ তদন্তৰ বাবে নিয়া কৰ্তৃপক্ষক অৰ্পণ কৰিবলৈ আহ্বান জনাইছে। আনকি এনেধৰণৰ হিংসাত্মক প্ৰতিবাদৰ আঁৰত বিদেশৰ উচতনি আছে বুলি সন্দেহ কৰিছে। গতিকে ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু সাৰ্বভৌমত্বৰ প্ৰতি এইধৰণৰ হিংসাত্মক প্ৰতিবাদ একপ্ৰকাৰ ভাবুকি বুলি আদালতৰ মজিয়াত আঙুলিয়াই দিয়া হৈছে।

# দিল্লীত অঘোষিত জৰুৰী অৱস্থা

## বিজেপিক সমালোচনা কংগ্ৰেছৰ মুখপাত্ৰ সূৰ্যেৱালাৰ

**নতুন দিল্লী, ১৩ জুন ঃ** ৰাহুল গান্ধীক এনফোৰ্চমেণ্টৰ দ্বাৰা জেৰা কৰিবলৈ তলব চলোৱা কাৰ্য প্ৰসংগত কংগ্ৰেছে ৰাজধানী দিল্লীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল যদিও আৰক্ষীৰ বাধাৰ বাবে সেই কাৰ্যসূচী সম্ভৱ নহ'ল। ইয়াৰ বাবে বিজেপি দলক কঠোৰ ভাষাৰে সমালোচনা কৰিছে কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ ৰণদ্বীপ সিং সূৰ্যেৱালাই। তেওঁ কয় যে কংগ্ৰেছে দলীয় কাৰ্যালয়ৰ পৰা এনফোৰ্চমেণ্টৰ কাৰ্যালয়লৈ সত্যাগ্ৰহ শোভাযাত্ৰাৰ আহ্বান কৰিছিল। কিন্তু সেই কাৰ্যসূচীৰ প্ৰতি বিজেপি দল আৰু চৰকাৰ ইমানেই শংকিত হ'ল যে তেওঁলোকে আৰক্ষীৰ দ্বাৰা বাধা প্ৰদান কৰিলে। ৰাজধানী প্ৰদেশখনত সোমবাৰৰ দিনটোত অঘোষিত জৰুৰীকালীন অৱস্থা বলবৎ কৰা হৈছে। ইফালে এদিনৰ পূৰ্বৰে পৰা কংগ্ৰেছৰ নেতা আৰু কৰ্মীয়ে দিল্লীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আছে। এনফোৰ্চমেণ্ট সঞ্চালকালয়ৰ সন্মুখত আৰক্ষীৰ বৃহৎ বেৰেক গঢ়ি তোলা হৈছে। এই পদক্ষেপসমূহ কাপুৰুষৰ কাৰ্যবুলি কংগ্ৰেছ নেতাজনে অভিহিত কৰিছে। গণতান্ত্ৰিকভাৱে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব খোজা হৈছিল যদিও আৰক্ষীয়ে পুৱা সাত বজাৰ পৰা বিয়লি পৰ্যন্ত দিল্লীৰ কেতবোৰ পথ অৱৰোধ কৰি ৰাখিছে। এই পথেৰে প্ৰৱেশ নিষেধ কৰি তোলা হৈছে। ফলত ব্যাপক যানজঁটৰ সৃষ্টি হোৱা দেখা গৈছে। মূলতঃ প্ৰতিবাদী কংগ্ৰেছ কৰ্মীক ৰাজপথতে আৱদ্ধ কৰি ৰাখিবৰ বাবেই এনে পদক্ষেপ লোৱা বুলি আঙুলিয়াই দিয়া হৈছে। বিজেপিয়ে যদিহে শান্তিপুৰ্ণ আৰু অহিংসা প্ৰতিবাদ লৈ ইমানেই ভয় কৰে তেনেহ'লে তেওঁলোকৰ কাম-কাজত কিয় অহিংসা নীতি প্ৰতিফলিত নহয় বুলিও প্ৰশ্ন কৰা দেখা গৈছে। সোমবাৰৰ বাবে দিল্লীৰ যানবাহন আৰক্ষীয়েও নতুন পথ নিৰ্দেশনা প্ৰকাশ কৰিছিল। গ'লমেথি জংচন, টোগলক ৰোড জংচন, ক্লেৰিডেছ জংচন, ভিউপইণ্ট জংচন, ছুনেহৰি মছজিদ জংচন, মৌলানা আজাদ ৰোড আৰু মানছিং ৰোড জংচন আদি সম্পূৰ্ণকৈ অৱৰোধ কৰি ৰখা হৈছিল। অৱশ্যে কাৰ্যালয়ত প্ৰৱেশৰ খন্তেক পিছতে এনফোৰ্চমেণ্ট বিভাগে ৰাহুল গান্ধীক অব্যাহতি দিয়াৰ পিছতে কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী সমাপ্তি ঘটিছিল।



# জেৰা শেষ, দিল্লী এনফোৰ্চমেণ্টৰ বাহিৰলৈ ওলাল ৰাহুল গান্ধী

**নতুন দিল্লী, ১৩ জুন ঃ** নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ সা-সম্পদ আৰু গুপ্ত ধনৰ প্ৰসংগত জেৰাৰ সন্মুখীন হোৱা কংগ্ৰেছ নেতা ৰাহুল গান্ধী অৱশেষত তদন্তকাৰী সংস্থাটোৰ কব্জাৰ পৰা বাহিৰলৈ আহিবলৈ সক্ষম হ'ল। আজি অৰ্থাৎ ১৩ জুন তাৰিখে ৰাহুল গান্ধীক তদন্তকাৰী সংস্থাটোৱে তলব কৰিছিল। ইয়াৰ পিছতে দেশজুৰি কংগ্ৰেছমহলত সৃষ্টি হৈছিল প্ৰতিক্ৰিয়াৰ। এই তলবকাৰ্য এক ষড়যন্ত্ৰ বুলিও অভিহিত কৰা হৈছে। কিন্তু তদন্তকাৰী সংস্থাই কংগ্ৰেছৰ প্ৰতিবাদকো কেৰেপ কৰা দেখা নগ'ল। তলবী নিৰ্দেশনা অনুসৰি আজি দিনৰ ভাগত ৰাহুল গান্ধীয়ে দিল্লীৰ এনফোৰ্চমেণ্ট সঞ্চালকালয়ত হাজিৰ হোৱা দেখা গ'ল। সঞ্চালকালয়ে নেচনেল হেৰাল্ড সম্পৰ্কত একাধিক প্ৰশ্নৰ পোনপটীয়া উত্তৰ বিচাৰে বুলি প্ৰকাশ পাইছে। এই কাকতগোষ্ঠীয়ে আয়কৰ ফাকি দিছে নেকি, বিদেশৰ পৰা কৰা বিনিয়োগত প্ৰকৃততে ক'লা ধনৰ প্ৰসংগ সাঙোৰ খাই আছে নেকি, আয়কৰ বিভাগৰ নথিত উল্লেখ থকা পৰিমাণতকৈ নেচনেল হেৰাল্ডৰ প্ৰকৃত সা-সম্পদ অধিক আছে নেকি বুলি বিভিন্ন প্ৰসংগত কংগ্ৰেছ নেতাজনৰ পৰা স্পষ্টীকৰণ বিচৰা বিষয়টো চৰ্চিত হৈছে। উল্লেখ্য যে কংগ্ৰেছৰ সৰ্বভাৰতীয় সমিতিৰ প্ৰাক্তন সভাপতি আৰু নেচনেল হেৰাল্ড ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অন্যতম সঞ্চালক হিচাপে ৰাহুল গান্ধীক তদন্তকাৰী সংস্থাটোৱে সোধাপোছা কৰিছে। আনহাতে ৰাহুল গান্ধীক হাজিৰ হ'বলৈ বাধ্য কৰা বিষয়টোক ৰাজনৈতিক ষড়যন্ত্ৰ হিচাবে ব্যক্ত কৰি দেশজুৰি দলটোৱে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত লৈছে। কংগ্ৰেছৰ মুৰব্বী ছোনিয়া গান্ধী সম্প্ৰতি সজ্জাগত আৰু ক'ভিড ভাইৰাছকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ থকা বুলি প্ৰকাশ পাইছে। গতিকে দলটোৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে এই প্ৰতিবাদী কাৰ্যসূচী পৰিচালনা কৰে। ইফালে ৰাহুল গান্ধীৰ বিৰুদ্ধে টোঘলোক ৰূপ আৰক্ষীৰ থানা এলেকাত এনফোৰ্চমেণ্টৰ দ্বাৰা সোধাপোছা কৰা হৈছিল আৰু সেয়েহে কংগ্ৰেছৰ নেতা আৰু সমৰ্থকসকলে সত্যাগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। কিন্তু দিল্লী আৰক্ষীয়ে অতি কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছিল আৰু প্ৰতিবাদী নেতা-কৰ্মীসকলক আটক কৰি অন্য স্থানলৈ লৈ গৈছিল। অধিৰৰঞ্জন চৌধুৰী, কে চি বেণুগোপাল, দিপেন্দৰ সিং হুদা, অশোক গেহলট আদি জ্যেষ্ঠ নেতাসকলকো আৰক্ষীয়ে আতক কৰি আঁতৰাই নিছিল। অধিৰঞ্জন চৌধুৰীয়ে অভিযোগ কৰে যে তেওঁলোকে এনফোৰ্চমেণ্টৰ কাৰ্যালয় অভিমুখে প্ৰতিবাদী সমদল আগুৱাই নিয়াৰ সময়ত আৰক্ষীয়ে শাৰীৰিকভাৱে অপদস্থ কৰিছিল। গতিকে আৰক্ষীৰ এই পদক্ষেপ তদন্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ আহ্বান জনোৱা হৈছে। আজিৰ দিনটোতে ছোনিয়া গান্ধীকো তলব কৰা হৈছিল যদিও শাৰীকি অসুস্থতাৰ বাবে তেওঁক অহা ২৩ জুনত হাজিৰ হ'বলৈ পুনৰবাৰ নিৰ্দেশ দিয়া হৈছে। দিল্লীত আজিৰ দিনটোত কংগ্ৰেছৰ সকলো সাংসদ, কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকল উপস্থিত আছিল। পিছত এ আই চি চিৰ সাধাৰণ সম্পাদক, ৰাজ্যিক তত্বাৱধায়ক আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতিসকলক অহা বৃহস্পতিবাৰে মুখ্য কাৰ্যালয়ত উপস্থিত থকাৰ নিৰ্দেশ দিয়া হৈছে। পৰৱৰ্তী কাৰ্যপন্থা সম্পৰ্কে আলোচনা কৰিবলৈ এনেদৰে আহ্বান জনোৱা দেখা গৈছে। ইফালে নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ প্ৰতিষ্ঠাপক আছিল জৱাহৰলাল নেহৰু। উক্ত কাকতখন এছ'চিয়েটেড জাৰ্নেল লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে ছপা কৰি আছে। ইয়ং ইণ্ডিয়া গোষ্ঠীৰ পৰিৱৰ্তন ঘটাই নেচনেল হেৰাল্ডলৈ উন্নীত কৰা হৈছিল। কিন্তু এই কাকত গোষ্ঠীৰ দ্বাৰা আয়কৰ ফাকি আৰু অন্যান্য বিত্তীয় অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। যাৰ বাবে বিজেপি নেতা সুব্ৰমণিয়ম স্বামীয়ে ২০১২ চনতে ৰুজু কৰা এক গোচৰৰ ভিত্তিত চলাই থকা তদন্তৰ অংশ হিচাপে আজি ৰাহুল গান্ধীক সোধাপোছা কৰা হৈছে। কংগ্ৰেছৰ কেবাজনে জ্যেষ্ঠ নেতাক ইয়াৰ পূৰ্বে সোধাপোছা কৰা বুলি প্ৰকাশ পাইছে।





*ডিজিটেল মুদ্ৰা ক্ৰিপ্ট কাৰেন্সীৰ বিটকইন শীৰ্ষক মুদ্ৰাৰ মূল্য নিম্নগামী হৈছে, মুদ্ৰাস্ফীতিৰ ফলতে এনেদৰে মূল্যৰ তাৰতম্য হোৱাৰ ফলত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিনিয়োগকাৰীৰ মাজত অনিশ্চয়তা পৰিলক্ষিত হৈছে, যোৱা ১৮ মাহৰ তুলনাত সৰ্বাধিক পৰিমাণে মূল্যৰ অৱনমিত হোৱা বুলি প্ৰকাশ পাইছে*

# কৰাচীত চাৰি শতাধিক বাহন নিমিষতে ভস্মীভূত

## গুলচান-আই-ইকবালৰ সমীপত সংঘটিত অগ্নিকাণ্ড

**কৰাচী, ১৩ জুন ঃ** পাকিস্তানৰ কৰাচী চহৰৰ সমীপৱৰ্তী আজিজ ভাট্টি পাৰ্কত থকা চাৰি শতাধিক দুচকীয়া, তিনিচকীয়া, চাৰিচকীয়া আৰু অন্যান্য বাহন নিমিষতে ভস্মীভূত হয়। দেওবাৰে পুৱাৰভাগত এই ঘটনা সংঘটিত হয় বুলি প্ৰকাশ পাইছে। কমেও ৪৪০ খন বিভিন্ন প্ৰকাৰৰ বাহন সেই স্থানত মজুত কৰি ৰখা হৈছিল। গুলছান-আই-ইকবালৰ নিকটৱৰ্তী তথা ইষ্ট দেপুটি কমচিনাৰ কাৰ্যালয়ৰ সমীপত এই দুৰ্ঘটনা সংঘটিত হৈছিল। ভয়ানকভাৱে অগ্নিয়ে আৱৰি লোৱাৰ পিছত আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনী ১৫ মিনিটৰ ব্যৱধানতে উপস্থিত হৈছিল। অগ্নি নিৰ্বাপনৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰা হৈছিল। সিন্ধ প্ৰদেশৰ মুখ্যমন্ত্ৰী মুৰাদ আলী শ্বাহৰ মুখপাত্ৰ আব্দুল ৰছিদ ছান্নাই এই কথা প্ৰকাশ কৰিছে। প্ৰথমতে অগ্নি নিৰ্বাপক যন্ত্ৰ আৰু পিছত বাহনৰ দ্বাৰা জুই নুমুৱাবলৈ চেষ্টা কৰা হৈছিল। চাৰি শতাধিক বাহন ভস্মীভুত হ'লেও এই দুৰ্ঘটনাত কোনো ব্যক্তিৰ মৃত্যু হোৱা নাই বুলি প্ৰকাশ পাইছে। স্থানীয় উপায়ুক্তৰ কাৰ্যালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ছখনকৈ অগ্নি নিৰ্বাপক বাহিনীৰ বাহনে প্ৰায় তিনি ঘণ্টা ধৰি অবিৰতভাৱে চলোৱা প্ৰচেষ্টাৰ অন্তত নিয়ন্ত্ৰণলৈ আহিছিল। কৰাচী মহানগৰ নিগমৰ অগ্নি নিৰ্বাপন শাখাৰ মুৰব্বী মুবিন আহমেদে এই কথা প্ৰকাশ কৰিছে। ইফালে এই অগ্নিকাণ্ডৰ ফলত ৪০০ দুচকীয়া,



৪০ খন চাৰিচকীয়া, এখন বাছ আৰু এক ডজনতকৈ অধিক তিনিচকীয়া ৰিক্সা ভস্মীভূত হয়। অঞ্চলটোৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ছৈয়দ আব্দুল ৰহিম ছেৰাজীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰিছে আৰু অগ্নিকাণ্ডৰ তদন্ত আৰম্ভ কৰিছে। কি কাৰণত মজুত ৰখা বাহনসমূহ ভস্মীভূত হ'ল আৰু এয়া কোনো পৰিকল্পিত অগ্নি সংযোগৰ ঘটনা নে বৈদ্যুতিক শ্বৰ্ট চাৰ্কিট বা অন্যান্য দুৰ্ঘটনা আছিল সেয়া তদন্তৰ জৰিয়তে চিনাক্ত কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। প্ৰণিধানযোগ্য এয়ে যে অগ্নিকাণ্ডৰ সমীপতে নাগৰিকৰ আৱাসগৃহ আছিল আৰু অন্য এটা দিশত ৰাষ্ট্ৰীয় ঘাইপথ আছিল। তথাপি অন্য কোনোধৰণৰ ক্ষয়-ক্ষতি নোহোৱাকৈ অগ্নি নিৰ্বাপিত তথা নিয়ন্ত্ৰিত কৰিবলৈ সক্ষম হোৱা বুলি কোৱা হৈছে।

## প্ৰয়াগৰাজত অব্যাহত বুলডোজাৰ অভিযান

# সংঘৰ্ষৰ উচটনি দিয়া অভিযুক্তৰ বাসগৃহত ওলাইছে অবৈধ মাৰণাস্ত্ৰ

**নতুন দিল্লী, ১৩ জুন ঃ** বিজেপিৰ নিলম্বিত নেত্ৰী নূপুৰ শৰ্মাৰ বক্তব্যৰ অজুহাতত উত্তৰ প্ৰদেশত একাংশ মৌলবাদীয়ে সংঘৰ্ষ আৰু আক্ৰমণৰ বাবে উচতনি দিয়াৰ অভিযোগ উঠিছে। উত্তৰ প্ৰদেশ চৰকাৰে এইসকল মৌলবাদীৰ বিৰুদ্ধে বুলডোজাৰ নমাইছে। তেওঁলোকৰ বাসগৃহ অবৈধভাৱে আৰু আইন উলংঘা কৰি, বিভাগীয় অনুমতি অবিহনে নিৰ্মাণ কৰা বুলি অভিযোগ আনিছে প্ৰশাসনে। সেয়েহে বাসগৃহত বুলডোজাৰৰ জৰিয়তে উচ্ছেদ অভিযান চলোৱা হৈছে। ইয়াৰ মাজতে অভিযুক্তৰ বাসগৃহত ওলাইছে অবৈধবাৰে মজুত ৰকা মাৰণাস্ত্ৰ। এই বিষয়টোৱে এতিয়া প্ৰয়াগৰাজত সৃষ্টি কৰিছে বিপৰীত প্ৰতিক্ৰিয়াৰ। প্ৰয়াগৰাজৰ যি হিংসাত্মক কাৰ্য সংঘটিত হৈছিল, এই কাৰ্যত উচতনি দিয়াসকলৰ বিৰুদ্ধে যোৱা দেওবাৰৰ পৰা তিনিখন বুলডোজাৰে অভিযান চলাইছে। জাভেদ মহম্মদৰ বাসগৃহত অবৈধ নিৰ্মাণ অংশ ভাঙি পেলোৱা হৈছে। বিভিন্ন অপৰাধ আৰু আইন অমান্য ঘটনাত জড়িত থকা জাবেদ মহম্মদ স্থানীয়ভাৱে গেংষ্টাৰ বুলিয়ে পৰিচিত হৈ আহিছে। বিজেপিয়ে তেওঁৰ বাসগৃহৰ অবৈধ নিৰ্মাণ অংশ ভাঙি পেলোৱাৰ লগতে আৰক্ষী আৰু পৌৰ কৰ্তৃপক্ষই বাসগৃহত তালাচী চলাইছিল। এই তালাচীৰ সময়ত মৌলবাদীজনৰ ঘৰত লুকুৱাই থোৱা অৱস্থাত অবৈধ মাৰণাস্ত্ৰ ধৰা পৰিছে। লগতে সজীৱ গুলী আৰু অন্যান্য বিস্ফোৰক সামগ্ৰীও জব্দ কৰা হৈছে। উল্লেখ্য যে প্ৰয়াগৰাজৰ উপৰিও পশ্চিমবংগৰ নাদিয়া জিলাত এখন চলন্ত স্থানীয় ৰে'লত আক্ৰমণ কৰা হৈছিল।



বেথোৱাধাৰি নামৰ ৰে'ল আস্থানত আক্ৰমণ কৰা হৈছিল আৰু ধুবুলীয়া ৰে'ল আস্থান ধ্বংস কৰি দিয়া হৈছিল। আনহাতে মহাৰাষ্ট্ৰৰ ভিৱান্দি অঞ্চলত বিজেপিৰ মুখপাত্ৰ নূপুৰ শৰ্মাক সামাজিক মাধ্যমত সমৰ্থন কৰাৰ বাবে আছফাক আনছাৰী নামৰ এজন অভিযান্ত্ৰিক শিক্ষাৰ্থীক স্থানীয় মৌলবাদীৰ দল এটাই গুৰুতৰভাৱে আক্ৰমণ কৰে। লগতে তেওঁক তেওঁৰ পাপ মোচনৰ বাবে কালমা অৰ্থাৎ ছটা ইছলামিক শ্ল'ক আওৱাবলৈ বাধ্য কৰে। পিছত তেওঁক ভিৱান্দি আৰক্ষীয়ে উদ্ধাৰ কৰে বুলি প্ৰকাশ পাইছে। কানপুৰে উন্নয়ন প্ৰাধিকাৰী কাৰ্যালয়তো একাংশই আক্ৰণ চলাইছিল। ইফালে উত্তৰ প্ৰদেশ চৰকাৰে ছাহাৰাণপুৰ, প্ৰয়াগৰাজ আৰু কানপুৰ জিলাত সংঘটিত কৰা দুষ্কৃতিকাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। ইফালে উত্তৰ প্ৰদেশৰ দিল্লীত থকা ভৱনৰ সন্মুখত প্ৰতিবাদী কাৰ্য ৰূপায়ণ কৰিবলৈ ইছলামিক অৰ্গেনাইজেচন অব ইণ্ডিয়া নামৰ সংস্থাটোৱে আহ্বান জনাছিল। একাংশই সামাজিক মাধ্যমৰ জৰিয়তেও উৰা বাতৰি বিয়পাই দিয়া বুলি অভিযোগ উঠিছে। উত্তৰ প্ৰদেশত এনেদৰে হিংসাত্মক কাৰ্যত জড়িত চাৰি শতাধিক লোকক গ্ৰেপ্তাৰ কৰা হৈছে। সমান্তৰালভাৱে পশ্চিমবংগ, উত্তৰাখণ্ড আদি প্ৰদেশসমূহতো হিংসাত্মক ঘটনাত জড়িত লোকসকলৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই থকা বুলি প্ৰকাশ পাইছে।

# দিল্লীৰ স্বাস্থ্যমন্ত্ৰী সত্যেন্দৰ জৈনক ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ



**নতুন দিল্লী, ১৩ জুন ঃ** দিল্লীৰ স্বাস্থ্যমন্ত্ৰী তথা এনফোৰ্চমেণ্টৰ দ্বাৰা গ্ৰেপ্তাৰবৰণ কৰা আম আদমীৰ নেতা সত্যেন্দৰ জৈনক সোমবাৰে ৰোজএভিনিউ আদালতে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। যোৱা ৩০ মে' তাৰিখে ২০১৭ চনৰ এটা গোচৰৰ ভিত্তিত স্বাস্থ্যমন্ত্ৰীজনক অবৈধভাৱে ধনৰ সৰবৰাহ আৰু লেনদেন কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। ইতিমধ্যে যোৱা সাত জুনত তেওঁক পুনৰ জিম্মাত লোৱা হৈছিল আৰু বিভিন্ন নথিপত্ৰ পৰীক্ষা কৰাৰ লগতে আয় আৰু ব্যয়ৰ সামঞ্জস্যৰ ভিত্তিত জৈনৰ হাতত থকা সা-সম্পদসমূহ নিৰীক্ষণ কৰা হৈছিল। তেওঁৰ ঘৰৰ পৰা ১.৮ কেজি সোণ, যাৰ মূল্য দুই কোটিতকৈ অধিক, সেইখিনি জব্দ কৰা হৈছিল। ইফালে সোধাপোছাৰ সময়ত স্বাস্থ্যমন্ত্ৰীজনে সহযোগিতা কৰা নাই বুলি এনফোৰ্চমেণ্ট বিভাগে অভিযোগ কৰিছিল। আনহাতে জ্যেষ্ঠ অধিবক্তা কপিল ছিবাল আৰু এন হৰিহৰণে দিল্লী স্বাস্থ্যমন্ত্ৰীৰ হৈ ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰিছিল আৰু কোৱা হৈছিল যে যোৱা দুদিন ধৰি এনফোৰ্চমেণ্ট বিভাগে তেওঁক সোণ আৰু অন্যান্য অলংকাৰৰ বিষয়ে কোনো প্ৰশ্ন কৰা নাছিল। এনেকৈয়ে এনফোৰ্চমেণ্টৰ জিম্মাত প্ৰায় দুই পষেক থকাৰ পিছত ন্যায়ালয়ে পুনৰ জিম্মাৰ বাবে প্ৰেৰণৰ নিৰ্দেশ প্ৰদান নকৰিলে। সেয়েহে ৰোজএভিনিউ আদালতে সত্যেন্দৰ জৈনক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

# তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে খুলিব ৰাষ্ট্ৰীয় দল

**হায়দৰাবাদ, ১৩ জুন ঃ** তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে এইবাৰ ৰাজ্যিক ৰাজনীতিৰ পৰা ৰাষ্ট্ৰীয় ৰাজনীতিলৈ মন মেলিছে। সেয়েহে অচিৰেই তেওঁ এটা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ জন্ম দিব বুলি ঘোষণা কৰিছে। বৰ্তমান তেলেংগানা ৰাষ্ট্ৰীয় সমাজ নামৰ আঞ্চলিক দলটোৰ মুৰব্বী হিচাপে অধিষ্ঠিত হৈ আছে। সম্ভাব্য ৰাষ্ট্ৰীয় দলটোৰ নাম ভাৰতীয় ৰাষ্ট্ৰ সমিতি হিচাপে অভিহিত কৰাৰ আশা কৰা হৈছে। উল্লেখ্য যে তেওঁ যোৱা কিছুদিন ধৰি দেশৰ বিভিন্ন ৰাজ্যৰ শীৰ্ষ বিৰোধি ৰাজনৈতিক দলৰ নেতৃত্বৰ সৈতে আলোচনা কৰি আহিছে। ২০২৪ চনৰ লোকসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি এনে পদক্ষেপ লোৱা দেখা গৈছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ, আম আদমীৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আদিৰ সৈতেও আলোচনা কৰা বুলি প্ৰকাশ পাইছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জনতা দল ছেকুলাৰৰ মুৰব্বী এইচ ডি দেৱেগৌড়াকো যোৱা ২৬ মে'ত সাক্ষাৎ কৰিছিল। গতিকে ৰাষ্ট্ৰীয় পৰ্যায়ত সকলোৱে এটা পৰিৱৰ্তন বিচাৰিছে বুলি এই সাক্ষাতটোৰ পিছতে অভিহিত কৰিছে। প্ৰণিধানযোগ্য এয়ে যে ইতিমধ্যে তেলেংগানাৰ মুখ্যমন্ত্ৰীয়ে বিদেশত থকা তেলেংগানাৰ নাগৰিকসকলৰ পৰাও সহায় আৰু সমৰ্থন আহ্বান জনাইছে। বিশ্বৰ বিভিন্ন দেশত তেলেংগানাৰ নাগৰিকসকলে বসবাস কৰিছে আৰু সেইসকলৰ পৰা সহায়, পৰামৰ্শ আৰু সহযোগিতা বিচাৰিছে ৰাষ্ট্ৰীয় দল আৰম্ভ কৰাৰ প্ৰাক ক্ষণত।









## বোকাখাতৰ খেলপথাৰত মাহজোৰা ফুটবল প্ৰশিক্ষণ শিবিৰ উদ্বোধন মন্ত্ৰী অতুল বৰাৰ

# সুস্থ আৰু সবল জীৱনৰ বাবে ক্ৰীড়াৰ ভূমিকা অপৰিসীম

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাজিৰঙা, ১৩ জুন ঃ** যোৱা ১২ জুন তাৰিখে বোকাখাত ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত ১৭ বছৰ অনূৰ্দ্ধ ফুটবল প্ৰশিক্ষণ শিবিৰৰ বোকাখাত জিলা ক্ৰীড়া সন্থা খেলপথাৰত শুভ আৰম্ভ কৰা হয়। উক্ত ফুটবল প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰে বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সভাপতি, স্থানীয় বিধায়ক কৃষিমন্ত্ৰী অতুল বৰাই, লগতে উপস্থিত থাকে বোকাখাত জিলা ক্ৰীড়া সন্থাৰ সম্পাদক সঞ্জীৱ শইকীয়া, চিকিৎসক-ক্ৰীড়া সংগঠক ডাঃ পুলিন চন্দ্ৰ বৰকটকী, ক্ৰীড়া সংগঠক নয়ন জ্যোতি হাজৰিকা, সূৰ্য কাকতি, হীৰেন দলেৰ লগতে ফুটবল প্ৰশিক্ষক হিচাপে উপস্থিত থাকে যোৰহাটৰ পংকজ নেওগ, বোকাখাতৰ প্ৰকাশ ঘাটোৱাৰ, ৰাজীৱ কৰ্মকাৰ, যতীন দলে, মানস জ্যোতি শইকীয়া আৰু জয়ন্ত বৰা। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি অতুল বৰাই কয় যে সুস্থ আৰু সবল জীৱনৰ বাবে ক্ৰীড়াৰ ভূমিকা অপৰিসীম। ক্ৰীড়াৰ জৰিয়তে আত্মপ্ৰতিষ্ঠা লাভ তথা সুনাম অৰ্জন কৰাৰ লগতে দেশ আৰু সমাজলৈ গৌৰৱ কঢ়িয়াই আনে ক্ৰীড়াবিদসকলে। প্ৰশিক্ষাৰ্থীসকলে আগন্তুক সময়ত উৎকৃষ্ট খেল প্ৰদৰ্শনৰ জৰিয়তে আমাৰ ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনি যাতে সকলোকে গৌৰৱান্বিত কৰে তাৰ বাবে একান্ত প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ তেওঁলোকক উৎসাহ জনোৱাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। ইপিনে একে সময়তে ষ্টেডিয়ামৰ খেলপথাৰত টাইকোৱাণ্ড' প্ৰশিক্ষণ গ্ৰহণ কৰি থকা কণমানিসকলৰ সৈতেও বাৰ্তালাপ কৰে মন্ত্ৰীগৰাকীয়ে। কঠোৰ অনুশীলনৰ জৰিয়তে সুনাম অৰ্জন কৰিবলৈ তেওঁলোকক উৎসাহ যোগাই শিশুসকলক শুভেচ্ছা জনায়। উক্ত প্ৰশিক্ষণ শিবিৰত ১৫০ জনৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰশিক্ষণ শিবিৰ অহা ১২ জুলাই, ২০২২ তাৰিখলৈকে অনুষ্ঠিত হ'ব বুলি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ সভাপতি প্ৰাঞ্জল গগৈয়ে জানিব দিয়ে।

# ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল খেলত জিলিকিছে তামুলপুৰৰ দৈদেন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ১৩ জুন ঃ** তামুলপুৰৰ এগৰাকী প্ৰতিভাৱান খেলুৱৈ। ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত উন্নত প্ৰদৰ্শনেৰে জিলিকি উঠিছে কিশোৰজন। একাগ্ৰতা যে জগত জয় কৰাৰ সপোন তামুলপুৰৰ এগৰাকী কিশোৰৰ। উন্নত প্ৰশিক্ষকৰ পৰা প্ৰশিক্ষণ লোৱাৰ বিপৰীতে নিজে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় খেলুৱৈৰ খেল চাই অকলে চেষ্টা চলাই জিলিকি উঠিছে তামুলপুৰৰ দৈদেন বসুমতাৰী। তামুলপুৰৰ গেৰুৱা গাঁৱৰ শিৱৰাম বসুমতাৰীৰ পুত্ৰ দৈদেন বসুমতাৰীয়ে জিলা পৰ্যায়ৰ ১৮ অনূৰ্ধ্বৰ বহু খেলত পদক লাভ কৰাৰ লগতে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত উন্নত প্ৰদৰ্শন কৰি তামুলপুৰবাসীক গৌৰৱান্বিত কৰিছে। পূৰ্বতে তামুলপুৰ ক্ৰীড়া সন্থাৰ হৈ ফুটবল খেল আৰম্ভ কৰিছিল দৈদেনে। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ দৈদেন বসুমতাৰীয়ে গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অসমৰ ১৮ অনূৰ্ধ্বৰ দলত মিডফিল্ডাৰ হিচাপে উন্নত প্ৰদৰ্শন কৰি পদক বুলিবলৈ সক্ষম হৈছে। দৈদেনৰ সফলতাত তামুলপুৰবাসীৰ লগতে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে শুভেচ্ছা জনাইছে। ভৱিষ্যতে ভাৰতীয় ফুটবল দলত খেল খেলাৰ সপোন দৈদেনৰ। ইতিমধ্যে দৈদেনৰ খেলৰ প্ৰতি আকৰ্ষিত হৈ তামুলপুৰৰ কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে আদি কৰি ৪০-৫০জন কিশোৰে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে।



## নলবাৰীত এনএছএ ফুটবল লীগ আৰম্ভ

# গ'লশূন্যভাৱে সমাপ্ত



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম নলবাৰী, ১৩ জুন ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা নলবাৰী এন এছ ফুটবল লীগত আজি অনুষ্ঠিত হোৱা আৰু চামতা স্পোৰ্টছ কোচিং চেন্টাৰৰ সৌজন্যত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত চলি থকা নলবাৰী এনএছএ ফুটবল লীগত আজি অংশগ্ৰহণ কৰে ঘৰুৱা দল চামতা স্পোৰ্টছ কোচিং চেন্টাৰে আৰু ইয়াৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰে ককয়া মনোৰঞ্জন হালৈ সোঁৰৰণী কলা পৰিষদ দলে। আজিৰ খেলখন পৰিচালনা কৰে বিশ্বজিৎ বৰ্মনে। তেখেতক লাইনত সহায় কৰে হীৰেন বৰ্মন, নিৰঞ্জন দাস আৰু গোকুল দাসে। নলবাৰী ফুটবল লীগৰ পশ্চিম নলবাৰী জ'নৰ আজি দ্বিতীয়খন খেল চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আবেলি ৩ বজাত অনুষ্ঠিত হয়। পশ্চিম নলবাৰী জ'নৰ দ্বিতীয়খন চামতা স্পোৰ্টছ কোচিং চেন্টাৰ আৰু ককয়া মনোৰঞ্জন হালৈ সোঁৱৰণী কলা পৰিষদৰ মাজত অনুষ্ঠিত হয়। দুয়ো দলে আৰম্ভৰে পৰা শক্তিশালী খেল প্ৰদৰ্শন কৰে যদিও কোনো দলে অগ্ৰগতি লাভ কৰিব নোৱাৰিলে আৰু খেলৰ অন্তত ১-১ পইন্ট লাভ কৰি পৰৱৰ্তী খেল খেলাৰ অগ্ৰগতি লাভ কৰে। পৰৱৰ্তী খেল ১৫ জুনত অনুষ্ঠিত হ'ব।

# লামডিঙত অনুষ্ঠিত অল অসম পাৱাৰ লিফ্‌টিং আৰু আৰ্ম ৰেচলিং

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, লামডিং, ১৩ জুন ঃ** হোজাই জিলাৰ অন্তৰ্গত ৰে'লনগৰী লামডিঙত এখনি ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। হোজাই জিলাৰ শক্তি উত্তোলন সন্থা আৰু লামডিং লিঅ'পাৰ্ড জীমৰ উদ্যোগত লামডিং ৰে'লৰে ইনষ্টিটিউটত আজি অসম ভিত্তিত শক্তি উত্তোলন আৰু পাঞ্জাৰ এখনি প্ৰতিযোগিতাৰ আয়োজন কৰে। উক্ত প্ৰতিযোগিতাখনত হোজাই, শিৱসাগৰ, বাক্সা, নগাঁও, গুৱাহাটীকে ধৰি অসমৰ মুঠ সাতখন জিলাৰ প্ৰতিযোগীসকলে অংশগ্ৰহণ কৰে। শক্তি উত্তোলন আৰু পাঞ্জা ক্ৰীড়া প্ৰতিযোগিতাখনৰ বিভিন্ন বিভাগত পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। মহিলা-পুৰুষসহ ৭০ৰো অধিক খেলুৱৈয়ে ভাগ লয় এই প্ৰতিযোগিতাখনত। বিগত বাৰ বছৰৰো অধিক সময়ছোৱা পাৰ হোৱাৰ পিছত পুনৰবাৰ আজি লামডিঙত শক্তি উত্তোলনৰ ক্ষেত্ৰত লামডিং অসম ভিত্তিত শক্তি উত্তোলনৰ লগতে পাঞ্জা খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাত খেলুৱৈৰ লগতে লামডিঙৰ ৰাইজো উৎফুলিত হৈ পৰা পৰিলক্ষিত হয়। আজি প্ৰতিযোগিতাখনৰ বিচাৰক তথা নিৰীক্ষণকাৰী ৰেফাৰী হিচাপে থাকে অসম ক্ৰীড়া শক্তি উত্তোলন সন্থাৰ নেতৃবৃন্দ। প্ৰতিযোগিতাখনত শক্তি উত্তোলন ষ্ট্ৰং মেন খিতাপ অৰ্জন কৰে কামৰূপৰ আদিত্য জ্যোতি শইকীয়াই আৰু মহিলাৰ শাখাত ষ্ট্ৰং ৱমেন খিতাপ অৰ্জন কৰে লামডিঙৰ ৰিয়া ওৰফে বেবী সাহাই। আনফালে পাঞ্জা প্ৰতিযোগিতাত ষ্ট্ৰং মেনৰ খিতাপ অৰ্জন কৰে গুৱাহাটীৰ বিশ্বজিৎ দলেই আৰু মহিলা শাখাত ষ্ট্ৰং ৱমেনৰ খিতাপ অৰ্জন কৰে নগাঁৱৰ কাশ্মীৰী কাশ্যপে। খিতাপ অৰ্জন কৰা খেলুৱৈসকলৰ লগতে বিভিন্ন বিভাগত অংশগ্ৰহণ কৰি প্ৰথম, দ্বিতীয় বিভাগত জয় লাভ কৰা প্ৰতিযোগীসকলকো নগদ ধনসহ মেডেল আৰু পুৰস্কাৰ প্ৰদান কৰে।




## বক্সিঙৰ ফাইনেলত পৰাস্ত হৈ ৰূপ পালে অসমৰ ইমদাদে

**গুৱাহাটী, ১৩ জুন ঃ** অসমৰ ইমদাদ হুছেইনে আজি সামৰণি পৰা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ বক্সিঙত ৰূপৰ পদক লাভ কৰিছে। উল্লেখ্য যে ল'ৰাৰ ৬৩.৫ কেজি শাখাৰ ফাইনেলত আজি ইমদাদ পৰাস্ত হয় হাৰিয়ানাৰ বক্সাৰৰ হাতত। সেয়ে ৰূপৰ পদকতে সন্তুষ্ট থাকিল অসম সন্তান। উল্লেখ্য যে চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ দুগৰাকী বক্সাৰে পদক লাভ কৰি ৰাজ্যক গৌৰৱান্বিত কৰিছে। ইমদাদৰ পূৰ্বে অসমৰ আইকন মিলিয়ে ছোৱালীৰ ৫৪ কেজি শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰপূৰ্বে কালি অনুষ্ঠিত ল'ৰাৰ খেলত অসমৰ ইমদাদ হুছেইনে ৬৩.৫ কেজি শাখাৰ ছেমিফাইনেলত ৰাজস্থানৰ খেলুৱৈৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত স্থান নিশ্চিত কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে আজি সামৰণি পৰা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে মুঠ ২১ টা পদক জয় কৰিবলৈ সক্ষম হৈছে। পদক তালিকাত অসমৰ স্থান হ'ল ২০। উল্লেখ্য যে ২০১৮ ৰ পৰা আৰম্ভ হোৱা খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ প্ৰথম সংস্কৰণত অসমে এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জ লাভ কৰি মুঠ চাৰিটা পদকেৰে তালিকাৰ ২৩ নম্বৰ স্থানত আছিল। পৰৱৰ্তী ২০১৯ ৰ দ্বিতীয় খেলো ইণ্ডিয়া যুৱ গেমছত অসমে তিনিটা সোণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জ লাভ কৰি মুঠ আঠটা পদকেৰে তালিকাৰ ২০ নম্বৰ স্থানত থাকে। তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অনুষ্ঠিত হৈছিল গুৱাহাটীত। আয়োজক ৰাজ্য হিচাপে অসমে সকলো ইভেণ্টত খেলাৰ সুযোগ লাভ কৰি মুঠ ৭৬ টা পদক অৰ্জন কৰে আৰু তালিকাৰ সপ্তম স্থানত থাকিবলৈ সক্ষম হয়। উল্লেখ্য যে গৃহভূমিত হোৱা তৃতীয় খেলো ইণ্ডিয়া যুৱ গেমছ ২০২০ ত অসমে ২০ টা সোণ, ২২ টা ৰূপ আৰু ৩৪ টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

## নগাঁও জিলা শক্তি উত্তোলন সন্থা

# আন্তঃজিলা শক্তি উত্তোলন চেম্পিয়নশ্বিপ প্ৰতিযোগিতাৰ সামৰণি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৩ জুন ঃ** নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ উদ্যোগত নগাঁৱত শুক্ৰবাৰৰ পৰা অনুষ্ঠিত হৈছে ৪৯ সংখ্যক সদৌ অসম আন্ত:জিলা শক্তি উত্তোলন চেম্পিয়নশ্বিপ প্ৰতিযোগিতাৰ দেওবাৰে নিশা সফল সামৰণি পৰে। নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত ৰাজ্যখনৰ বিভিন্ন স্থানৰ প্ৰায় চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ সম্পাদক মনোজ কলিতাই জানিবলৈ দিয়া মত কেইবাটাও শাখাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত পুৰুষ শিতানত সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰিছে ডিব্ৰুগড়ৰ দলে, আনহাতে মহিলাৰ শাখাত সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰিছে যোৰহাট দলে। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনত ৩০০ গৰাকী প্ৰতিযোগীয়ে বঁটা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰোপৰি আনইকুইপ্‌ড শাখাত ছিনিয়ৰ ষ্ট্ৰংমেনৰ খিতাপ দখল কৰে শোণিতপুৰৰ হীৰক জ্যোতি শইকীয়াই, আনইকুইপ্‌ড শাখাত মাষ্টাৰ ষ্ট্ৰংমেনৰ খিতাপ লাভ কৰে গুৱাহাটীৰ কৃষ্ণকান্ত পাঠকে। ইপিনে ইকুইপ্‌ড শাখাত ছিনিয়ৰ ষ্ট্ৰংমেনৰ খিতাপ লাভ কৰে শিৱসাগৰৰ লখীন্দ্ৰ বৰুৱাই আৰু মাষ্টাৰ ষ্ট্ৰংমেনৰ খিতাপ লাভ কৰে যোৰহাটৰ চফিকুৰ ৰহমানে। লগতে অপেন শাখাত ষ্ট্ৰং মহিলাৰ খিতাপ লাকী আহমেদে আৰু মাষ্টাৰ শাখাত ষ্ট্ৰং মহিলাৰ শাখাৰ খিতাপ লাভ কৰে ড: আনন্দিতা চৌধুৰীয়ে। ইফালে প্ৰতিযোগিতা খনিত নগাঁও জিলাৰ পৰা অংশগ্ৰহণ কৰা কেইবাগৰাকীও প্ৰতিযোগীয়ে কেইবাটাও বঁটা লাভ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ দেৱব্ৰত দাসে সোণৰ পদক পোৱাৰ বিপৰীতে বিজু দেৱনাথে ব্ৰঞ্জ, প্ৰবীণ কুমাৰ দাসে ৰূপৰ, সমীৰণ কেওটে ৰূপৰ, ধনঞ্জয় দাসে ব্ৰঞ্জৰ, ৰাজু ৰয় ৰূপৰ, আয়েশা চিদ্দিকে ৰূপৰ লগতে আন কেইবাগৰাকীয়েও প্ৰতিযোগিতাখনত বঁটা লাভ কৰে। প্ৰতিযোগিতাখনি সাফল্য মণ্ডিত কৰি তোলাৰ বাবে সমূহ নগাঁওবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰে নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ সম্পাদক মনোজ কলিতা প্ৰমুখ্যে বিভিন্ন বিষয়ববীয়াসকলে।

# আন্তঃজিলা শক্তি উত্তোলনত তিনিচুকীয়া জিলাৰ সাফল্য

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কাকপথাৰ, ১৩ জুন ঃ** যোৱা ৯ জুনৰ পৰা ১২ জুনলৈ নগাঁৱৰ জিলা পুথিভৰালত অনুষ্ঠিত হোৱা ৪৯ তম সদৌ অসম আন্তঃজিলা শক্তি উত্তোলন প্ৰতিযোগিতাত তিনিচুকীয়া জিলাই কেইবাটাও শাখাত পদক লাভেৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। প্ৰতিযোগিতাৰ ছাব জুনিয়ৰ ল'ৰা ৫৯ কেজি শাখাত প্ৰণৱ বৰাই ৰূপ, ৭৪ কেজিত সত্যজিত নাথে সোণ, ৮৩ কেজি শাখাত আদিত্য সেনাপতিয়ে সোণ, ৯৩ কেজিত আদিত্য দাসে সোণ, ছাব জুনিয়ৰ ছোৱালী শাখাত মৈত্ৰী বৰাই সোণ, জুনিয়ৰ ল'ৰা শাখাত ৫৩ কেজিত গোবিন্দ চেত্ৰীয়ে ব্ৰঞ্জ, ৬৬ কেজিত ফিৰুজ কৰ্মকাৰে সোণ, ৮৩ কেজিত ভাস্কৰ দুৱাৰাই ব্ৰঞ্জ, ৯৩ কেজিত খৰানন্দ ৰেগনে সোণ, ১০৫ কেজিত ৰিচিৰাজ দাসে ৰূপ, জুনিয়ৰ ছোৱালী শাখাত ৪৭ কেজিত দীপা য়াদৱে সোণ, ৬৯ কেজিত জ্যোতি সূত্ৰধৰে ব্ৰঞ্জ, ৭৬ কেজিত নাজিদা য়াচমিন মজুমদাৰে ব্ৰঞ্জ, ছিনিয়ৰ পুৰুষ শাখাৰ ৫৯ কেজিত ৰবি কুজুৰে




ব্ৰঞ্জ, ৬৬ কেজিত সিদ্ধাৰ্থ দাসে সোণ, ছিনিয়ৰ মহিলা শাখাত ৫৭ কেজিত চনিকা গগৈয়ে সোণ, ৬৩ কেজিত কল্পিতা ফুকনে ব্ৰঞ্জ, ৮৪ কেজিত চিমু সোণোৱাল গগৈয়ে সোণ, ৮৪+ কেজিত অকমায়া চেঙ চাখাপে সোণ, মাষ্টাৰ্চ-১ ৬৬ কেজিত ভুৱন ৰাজবংশী সোণ, ৮৩ কেজিত জুগিৰাজ গগৈয়ে সোণ, ৯৩ কেজিত চিন্ময় ডেকাই ব্ৰঞ্জ, ১০৫ কেজিত অভিলেষ সেনাপতিয়ে ব্ৰঞ্জ, মাষ্টাৰ্ছ-১ মহিলা শাখাত ৬৯ কেজিত দীপ্তি বড়ায়ে গগৈ সোণ, ৭৬ কেজিত নমিতী পালে ব্ৰঞ্জ, মাষ্টাৰ্ছ-২ পুৰুষ শাখাত ৬৬ কেজিত শিৱ গগৈয়ে সোণ, ৯৩ কেজিত কৃষেন্দ্ৰ নেওগে সোণ, মাষ্টাৰ্ছ-৩ পুৰুষ শাখাত ৭৪ কেজিত বিষ্ণু দাসে সোণ, ৮৩ কেজিত চাইবাল সেনগুপ্তাই সোণ আৰু মাষ্টাৰ্ছ-৩ মহিলা শাখাৰ ৭৬ কেজিত বিদ্যা ফুকনে সোণৰ পদক লাভ কৰাত তিনিচুকীয়া জিলাখনত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে অসমৰ বিভিন্ন জিলাৰ পৰা অংশগ্ৰহণ কৰিবলৈ অহা প্ৰায় চাৰি শতাধিক প্ৰতিযোগীৰ ভিতৰত প্ৰথম স্থানেৰে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা প্ৰতিযোগীসকলক মহাৰাষ্ট্ৰত হ'বলগীয়া আগন্তুক ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিত অংশগ্ৰহণৰ সুবিধা লাভ কৰাৰ বিষয়ে এই প্ৰতিবেদকক জনাইছে।

# গ্ৰেণ্ডমাষ্টাৰ খিতাপৰ দিশে অসমৰ চাহিল

**গুৱাহাটী, ১৩ জুন ঃ** অসমৰ চাহিল দেই গ্ৰেণ্ডমাষ্টাৰ খিতাপ অৰ্জনৰ দিশে আগবাঢ়িবলৈ সক্ষম হৈছে। উল্লেখ্য যে চাৰি পৰা ১১ জুনলৈ ইটালীৰ কাটোলিকা চহৰত অনুষ্ঠিত হোৱা কাটোলিকা দবা প্ৰতিযোগিতাত অংশ লৈ অসমৰ চাহিলে ন ৰাউণ্ডৰ পৰা ৬.৫ পইণ্ট সংগ্ৰহ কৰি তৃতীয় স্থান লাভ কৰে। এই ফলাফলেৰে চাহিলে প্ৰথমটো গ্ৰেণ্ডমাষ্টাৰ নৰ্ম লাভ কৰে। এতিয়া আৰু দুটা নৰ্ম অৰ্জন কৰিলে আৰু ৰেটিং পইণ্ট ২৫০০ লৈ বৃদ্ধি কৰিব পাৰিলেই চাহিলে গ্ৰেণ্ডমাষ্টাৰৰ খিতাপ অৰ্জন কৰিব। স্মৰ্তব্য যে চাহিলৰ বৰ্ত্তমান ৰেটিং ২৩৬৬।

# খেলুৱৈৰ আন্তঃক্লাব সালসলনি সমাপ্ত

**গুৱাহাটী, ১৩ জুন** নগাঁও ক্ৰীড়া সংস্থাৰ দুদিনীয়াকৈ আয়োজিত খেলুৱৈৰ আন্তঃক্লাব সাল-সলনি পৰ্ব আজি সন্ধিয়া সফলতাৰে সামৰণি পৰিছে। ক্ৰিকেট শাখাৰ খেলুৱৈৰ বাহিৰে সংস্থাটোৰ অন্তৰ্ভুক্ত আন এঘাৰটা শাখাৰ মুঠ ১৩৫ গৰাকী খেলুৱৈয়ে এইবাৰ ক্লাব দল সাল-সলনি কৰিছে। ইয়াৰ ভিতৰত কালি ৬৮ গৰাকী আৰু আজি ৬৭ গৰাকী খেলুৱৈ আছিল। উল্লেখ্য যে, এই খেলুৱৈসকলৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ আজমল কবীৰ আৰু মেহদী আলমে নগাঁও ছুপাৰ ষ্ট্ৰাইকাৰৰ পৰা আজি ৰেডিয়েল ক্লাবলৈ দল সলনি কৰিছে।

# আজি সমুখ সমৰত দুই অপৰাজেয় দল ভাৰত-হংকং কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত এছীয় শক্তিৰ ফুটবল যুদ্ধ

**কলকাতা, ১৩ জুন ঃ** এছিয়ান কাপৰ যোগ্যতা অৰ্জনৰ ফাইনেল ৰাউণ্ডৰ নিজৰ প্ৰথম দুখন মেচত জয়লাভ কৰা ভাৰতীয় ফুটবল দলে কাইলৈ গ্ৰুপৰ তৃতীয় তথা অন্তিমখন মেচ খেলিব হংকঙৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতৰ লগতে হংকঙো অপৰাজেয় হৈ আছে। উভয় দলৰে ছয় পইন্ট। কিন্তু গ'লৰ গড় হিচাপত হংকং শীৰ্ষত আছে। উল্লেখ্য যে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে ২-০ গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল ভাৰতে। কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ হৈ দিয়োটা গ'ল দিয়ে খেলৰ ১৩ আৰু ৫৯ মিনিটত সুনীল চেত্ৰীয়ে। আত্মবিশ্বাসী ভাৰতে দ্বিতীয়খন মেচত আফগানিস্তানৰ মুখামুখি হয় আৰু ৰোমাঞ্চকৰ মেচখনত জয়লাভ কৰি অপৰাজেয় যাত্ৰা অব্যাহত ৰাখে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ মেচত ভাৰতীয় ফুটবল দলে আফগানিস্তানৰ বিৰুদ্ধে ২-১ গ'লত জয়লাভ কৰে। ভাৰতৰ হৈ ৮৬ মিনিটত সুনীল চেত্ৰীয়ে গ'ল দি দলক প্ৰথমে ১-০ গ'লৰ অগ্ৰগতি দিয়ে যদিও ৮৮ মিনিটত আমিনৰ গ'লেৰে মেচত সমতা স্থাপন কৰে আফগানিস্তানে। কিন্তু ইঞ্জুৰী টাইমত ছামাদৰ বিজয়সুচক গ'লেৰে মেচত ২-১ গ'লত জয়লাভ কৰে ভাৰতে। কাইলৈৰ মেচতো ভাৰতীয় দল নিৰ্ভৰশীল সুনীলৰ ওপৰতে। উল্লেখ্য যে এই প্ৰতিযোগিতাত ক্ৰমাগত তিনিটা গ'ল কৰাৰ পাছত বিশ্বৰ সক্ৰিয় ফুটবলাৰৰ ভিতৰত সৰ্বাধিক স্ক'ৰ কৰা তালিকাত তৃতীয় স্থানলৈ উত্তৰণ কৰাইছে সুনীলে। উল্লেখ্য যে সুনীলে ১২৮ খন মেচত ৮৩ টা গ'ল দি এতিয়া পৰ্তুগালৰ ছুপাৰষ্টাৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো (১১৭) আৰু আৰ্জেণ্টিনাৰ লিয়নেল মেছিৰ (৮৬) পিছতে আছে। ইফালে, হংকঙে প্ৰথম মেচত আফগানিস্তানক পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত কম্বোডিয়াক হৰুৱায়।



# আজি বিশাখাপট্টনমত টীম ইণ্ডিয়াৰ মৰণপণ তৃতীয় টি-২০

**বিশাখাপট্টনম, ১৩ জুন ঃ** প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই কাইলৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ তৃতীয়খন মেচ খেলিব। উল্লেখ্য যে শৃংখলা হেৰুওৱাৰ সন্ধিক্ষণত উপনীত হোৱা ভাৰতীয় দলৰ বাবে এতিয়া বাকী থকা তিনিওখন মেচে মৰণপণ। কাইলৈ বিশাখাপট্টনমত প্ৰথমটো অগ্নিপৰীক্ষা। ইয়াৰ পাছত ১৭ জুনত ৰাজকোটত আৰু ১৯ জুনত বাংগালুৰুত শৃংখলাৰ অন্তিম দুখন মেচ অনুষ্ঠিত হ'ব। উল্লেখ্য যে প্ৰথম মেচত বলাৰৰ ব্যৰ্থতা মুকলি হোৱাৰ পাছত দ্বিতীয় টি-২০ ত বেটাৰৰ বিফলতা ভাৰতীয় দলৰ পৰাজয়ৰ কাৰণ হৈ পৰে। অধিনায়ক ঋষভে স্পীনাৰৰ ব্যৰ্থতাৰ কথা মুকলিকৈ প্ৰকাশ কৰিছে কটকৰ পৰাজয়ৰ পাছত। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছে। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে টীম ইণ্ডিয়া শৃংখলাৰ প্ৰথমখন মেচতো পৰাজয়ৰ সন্মুখীন হৈছিল। উল্লেখ্য যে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। কাইলৈৰ গুৰুত্বপূৰ্ণ মেচত ভাৰতীয় দলত সাল-সলনি হ'ব নে নাই সেয়া কিন্তু ইংগিত দিয়া নাই। চলিত শৃংখলাৰ ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড়, ঈষাণ কিষাণ, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, হাৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদৱ, অক্ষৰ পেটেল, ৰবি বিষ্ণয়, ভুৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।




## ডিমৌ ৰাইচাই ক্ৰীড়াংগনত শিৱসাগৰ আন্তঃবিদ্যালয় ফুটবল

# ৮ মণ্ডলৰ ফাইনেলত ল'ৰা-ছোৱালীৰ উভয় শাখাত পানীবিল হাইস্কুলৰ জয়

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ১৩ জুন ঃ** ডিমৌৰ ৰাইচাই গ্ৰামীণ ক্ৰীড়াংগনত শিৱসাগৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ উদ্যোগত যোৱা ৯ জুনৰ পৰা জিলাখনৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মণ্ডল পৰ্যায়ত অনুষ্ঠিত আন্তঃমণ্ডলবিদ্যালয ফুটবল প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত চূড়ান্ত খেল দুখনত ল'ৰা আৰু ছোৱালী উভয় শাখাতে খেলুৱা মণ্ডলৰ পানীবিল হাইস্কুলৰ দল দুটাই জয় লাভ কৰে। ডিমৌ ৰাইচাই গ্ৰামীণ ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাখনত শিৱসাগৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ অন্তৰ্গত ক্ৰমে শিৱসাগৰ, গৌৰীসাগৰ, ডিমৌ, কালুগাঁও, নামতি, চকীমুখ, খেলুৱা আৰু বেতবাৰী মণ্ডলৰ পৰা ল'ৰা-ছোৱালী উভয় শাখাতে মুঠ ১৫ টা দলে অংশগ্ৰহণ কৰিছিল। কালি কালুগাঁও মণ্ডল আৰু খেলুৱা মণ্ডলৰ ছোৱালীৰ দল দুটাৰ মাজত অনুষ্ঠিত প্ৰথমখন ফাইনেলত খেলুৱা মণ্ডল (পানীবিল হাইস্কুল)ৰ দলটোৱে কালুগাঁও মণ্ডলৰ দলটোক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰে। খেলুৱা মণ্ডলৰ হৈ অপ্ৰিত গগৈ, বিনীতা তাঁতী আৰু চিমৰন হাতীকাকতিয়ে এটাকৈ গ'ল স্ক'ৰ কৰে। ইয়াৰ পিছতে অনুষ্ঠিত একপক্ষীয় ল'ৰাৰ ফাইনেলখনত খেলুৱা মণ্ডল (পানীবিল হাইস্কুল)ৰ দলটোৱে ৪-০ গ'লত পৰাজিত কৰে কালুগাঁও মণ্ডলক। পানীবিল হাইস্কুল দলটোৰ হৈ ৰিতুৰাজ মহনে হেটট্ৰিক অৰ্জন কৰাৰ লগতে আনটো গ'ল স্ক'ৰ কৰে অংকুৰজ্যোতি শইকীয়াই। দুয়োখন ফাইনেল শিৱসাগৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে উদ্বোধন কৰাৰ লগতে ফাইনেলৰ অন্তত আয়োজক সমিতিৰ সম্পাদক, ডিমৌ টাউন হাইস্কুলৰ প্ৰধান শিক্ষক ভাৰত শৰ্মাই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানটোত শিক্ষক কমলজ্যোতি গগৈৰ লগতে বিভিন্ন বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকি খেলুৱৈসকলক উৎসাহ যোগায়।

# ভাৰত-ভূটান সীমান্তৰ দৰঙ্গাত কেইবা কোটি টকীয়া গৰাখহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৩ জুন ঃ** বাক্সা জিলা জলসম্পদ সংমণ্ডলৰ অধীনস্থ তামুলপুৰ উপসংমণ্ডলৰ অধীনৰ তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙ্গামেলাত উত্তৰে বৈদেশিক ৰাষ্ট্ৰ ভূটানৰ পৰা বৈ অহা খৰস্ৰোতা দৰঙ্গা নদীৰ প্ৰবল সোঁতে এন কে আঙাৰকাটা, হাতীডুবাৰ লগতে নৈখনৰ দুয়োপাৰে বহু ঠাই বিগত বছৰ বছৰ ধৰি প্ৰবল খহনীয়াৰ সৃষ্টি কৰাত দুয়োপাৰে বসবাস কৰা গ্ৰামাঞ্চলত বিস্তৰ ক্ষতিসাধন কৰি আহিছে। আজি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে উত্তৰ-পূৰ্ব পৰিষদৰ অৰ্থ-সাহায্যত ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় পথৰ দৰঙ্গা নৈৰ দলঙৰ পশ্চিম ফালে দুয়োপাৰে গৰাখহনীয়া ৰোধৰ বাবে লোৱা ৪.৪১ কোটি টকীয়া এখন আঁচনিৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য যে উত্তৰ-পূব পৰিষদে দৰঙ্গা নৈৰ প্ৰবল গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৰঙিয়া-ভূটান আন্তঃৰাষ্ট্ৰীয় ঘাইপথৰ দৰঙ্গা নৈৰ পশ্চিম ফালে দুয়োপাৰে মিলি সৰ্বমুঠ ১,২০০ মিটাৰ প্ৰতিৰোধৰ বাবে পুঁজি আবণ্টন দিছে। আঁচনিখনৰ শুভাৰম্ভ কৰি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কয়— ভাৰত-ভূটান সীমান্তৰ এই অঞ্চলৰ খৰস্ৰোতা নদীৰ খৰাখহনীয়া প্ৰতিৰোধৰ বাবে আমি




ডাঙৰ প্ৰকল্পৰ কাম হাতত ল'ব লাগিব। আজি আমি উত্তৰ-পূব পৰিষদৰ জৰিয়তে লাভ কৰা গৰাখহনীয়া প্ৰতিৰোধৰ এই আঁচনিখনৰ সুফল যাতে আগন্তুক ২৫ বছৰলৈকে ৰাইজে লাভ কৰিব পাৰে তাৰ বাবে তেওঁ অভিযন্তা তথা বিষয়া-কৰ্মচাৰীক কাম কৰিবলৈ আহ্বান জনায়। আমাৰ বিটিআৰ অঞ্চলত থকা ২১টা নদীত হোৱা গৰাখহনীয়া ৰোধৰ বাবে সদ্য সমাপ্ত বাজেট অধিৱেশনত ১২১ কোটি টকা ধৰাৰ কথাও তেওঁ সদৰী কৰে। বিগত কিছুদিনৰ পৰা ভাৰত-ভূটান সীমান্তৰ বৃহত্তৰ কুমাৰীকাটা, দৰঙ্গা অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱৰ কথা উল্লেখ কৰি তেওঁ এই সমস্যা সমাধানৰ বাবে ইতিমধ্যে কেইবাটাও বেচৰকাৰী সংগঠনৰ স'তে যোগাযোগ কৰি জৰীপ কৰাৰ কথাও সদৰী কৰে। আনহাতে এইবেলি তামুলপুৰ সমষ্টিৰ বাবে নতুনকৈ ৫০ কিঃমিঃ পথ আবণ্টনৰ কথা সদৰী কৰি কুমাৰীকাটা, দৰঙ্গাজুলি সমষ্টিৰ বাট-পথবোৰ নতুনকৈ মেৰামতি কৰা হ'ব বুলি বিটিআৰ প্ৰধানগৰাকীয়ে ৰাইজক জানিবলৈ দিয়ে। আজিৰ এই গৰাখহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভাৰম্ভ কাৰ্যসূচীত তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাস, পৰিবহণ বিভাগৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰী, এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী, পবিত্ৰ বড়ো আৰু ইউ পি পি এল আৰু বিজেপি দলৰ বহুসংখ্যক নেতা-কৰ্মী, জলসম্পদ বিভাগৰ বাক্সা জিলাৰ কাৰ্যবাহী অভিযন্তা কিশোৰ পাঠক, তামুলপুৰ উপসংমণ্ডলৰ সহকাৰী অভিযন্তা বাবুল ৰাজবংশীৰ লগতে আন আন বিষয়া-কৰ্মচাৰী আৰু কেইবা শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে।

হালোৱাটিঙত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক প্ৰহাৰৰ ঘটনা

# অভিযুক্তক গ্ৰেপ্তাৰ নকৰাত বিদ্যুৎ কৰ্মচাৰীৰ আন্দোলনৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৩ জুন ঃ** শিৱসাগৰ জিলাৰ হালোৱাটিঙত বিদ্যুৎ বিভাগৰ এগৰাকী কৰ্মচাৰীক বিদ্যুতৰ বিল দিবলৈ যাওঁতে এজন ব্যক্তিয়ে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰাৰ পিছতো অভিযুক্তক হালোৱাটিং আৰক্ষীয়ে গ্ৰেপ্তাৰ নকৰাত আসাম পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়নে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। উল্লেখ্য যে আমগুৰি বৈদ্যুতিক উপসংমণ্ডল বিভাগৰ মিটাৰ ৰীডাৰ হিতেশ্বৰ শইকীয়া নামৰ কৰ্মচাৰীজনক হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত বৰছিলাৰ পোনা গগৈ (হেমন্ত) নামৰ ব্যক্তিজনৰ ঘৰত হতাহতিত লিপ্ত হৈছিল। জানিব পৰা মতে ১,০০০ টকা বিদ্যুতৰ বিল অহাৰ বাবেই গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰিছিল হিতেশ্বৰ শইকীয়া নামৰ মিটাৰ ৰীডাৰজনক। পোনা গগৈৰ বাসগৃহত বিদ্যুতৰ বিল দিবলৈ যাওঁতে হিতেশ্বৰ শইকীয়া নামৰ মিটাৰ ৰীডাৰজনক ইটাৰে আৰু ঘুচিয়াই আঘাত কৰা বুলি প্ৰকাশ কৰিছিল। ঘটনাৰ পিছতে হালোৱাটিং আৰক্ষী বৰছিলাৰ পোনা গগৈৰ বাসগৃহত উপস্থিত হৈ মিটাৰ ৰীডাৰ হিতেশ্বৰ শইকীয়াক উদ্ধাৰ কৰে। মুখমণ্ডল, হাত আৰু ভৰিত আঘাতপ্ৰাপ্ত হৈছিল হিতেশ্বৰ শইকীয়া। আনহাতে অভিযুক্ত পোনা গগৈ মুখমণ্ডলত আঘাতপ্ৰাপ্ত হৈছিল। আজি আসাম পাৱাৰ ৱৰ্কাৰ্ছ ইউনিয়নে আমগুৰিত প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। সভাত ৱৰ্কাৰ্ছ ইউনিয়নে মিটাৰ ৰীডাৰ হিতেশ্বৰ শইকীয়াক আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে হিতেশ্বৰ শইকীয়াৰ ওপৰত জাপি দিয়া গোচৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। আজি ৱৰ্কাৰ্ছ ইউনিয়নে ক'লা বেজ পৰিধান কৰাৰ লগতে ১৪ জুনত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী, ১৫ তাৰিখে দুঘণ্টীয়া কৰ্মবিৰতি কাৰ্যসূচী, ১৬ তাৰিখে দিনজোৰা কৰ্মবিৰতি কাৰ্যসূচী, ১৭ তাৰিখৰ পৰা অনিৰ্দিষ্ট কাললৈ কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণৰ হুংকাৰ প্ৰদান কৰিছে।

# নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ত দুখন গ্ৰন্থ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ জুন ঃ** সোণালী জয়ন্তী উৎসৱৰ শুভক্ষণত নগাঁৱৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান খাগৰিজান মহাবিদ্যালয়ত আজি দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগে প্ৰকাশ কৰা 'CONTEXTUALIZING BURAJI, LANGUAGE AND IzDENTITY OF ASSAM' নামৰ সম্পাদনা গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ মহেন্দ্ৰ আহোমে। উন্মোচনী ভাষণত আহোমে কয় যে নৱপ্ৰজন্মৰ মাজত বুৰঞ্জী অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। বুৰঞ্জীৰ জৰিয়তে আমি বহু বিষয় জানিব পাৰো। বুৰঞ্জীয়ে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ উত্তৰণ ঘটাব পাৰে। তেওঁ লগতে কয় যে এটা জাতিক জীয়াই ৰাখে ভাষাই। ভাষাই সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অৰিহণা যোগাই আহিছে। এই গ্ৰন্থখন সম্পাদনা কৰিছে অধ্যাপক ড: ৰামেশ্বৰ কুৰ্মীয়ে। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি ড: দিলীপ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড: কবিতা গোস্বামীৰ 'ছয়গাঁৱৰ লোকভাষা আৰু লোক-সংস্কৃতি' নামৰ গ্ৰন্থখন উন্মোচন কৰে সু-চিকিৎসক তথা সাহিত্যিক ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই। নিজৰ ভাষণত শইকীয়াই কয় যে আমাৰ লোকভাষাসমূহৰ বিষয়ে গৱেষণা কৰা প্ৰয়োজন। লোকভাষা আৰু লোক-সংস্কৃতিয়ে এটা জাতিক শক্তিশালী কৰিব পাৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সামাজিক দায়বদ্ধতাৰে আগুৱাই যাবলৈ আহ্বান জনোৱাৰ লগতে গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড: ৰমেশ নাথে আদৰণী ভাষণ প্ৰদান কৰা সভাত অংশগ্ৰহণ কৰি প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই বৰ্তমান আমাৰ ভাষাটোৰ প্ৰতি অহা ভাবুকিৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত সকলোকে সজাগ হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে গ্ৰন্থ অধ্যয়নে সমাজত প্ৰভাৱ বিস্তাৰ কৰাত সহায় কৰে। সভাত প্ৰাক্তন অধ্যক্ষ ড: সাগৰ বৰুৱাই মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগে ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ এখন গ্ৰন্থ প্ৰকাশ কৰাটো ভাল খবৰ বুলি মন্তব্য কৰি গ্ৰন্থখনৰ প্ৰকাশৰ আঁৰৰ দিশসমূহ উল্লেখ কৰে। সভাত অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

# নগাঁৱৰ ৰাজপথত চাওতাল ছাত্ৰ সন্থাৰ সাংস্কৃতিক প্ৰতিবাদী সমদল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৩ জুন ঃ** চাওতাল জনগোষ্ঠীৰ নিজস্ব সুকীয়া পৰিচয় থকাৰ পাছতো জনগোষ্ঠীটোক চাহ জনগোষ্ঠী হিচাপে জাতিগত প্ৰমাণ-পত্ৰ প্ৰদান কৰাৰ বাবে চৰকাৰে গঠন কৰা পদক্ষেপৰ বিৰোধিতা কৰি আজি নগাঁও চহৰৰ ৰাজপথত চাওতাল ছাত্ৰ সন্থাই অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। চাওতাল জনগোষ্ঠীৰ পৰম্পৰাগত কৃষ্টি প্ৰদৰ্শন কৰি হাতে হাতে ধনু-কাঁড় লৈ উলিওৱা সাংস্কৃতিক প্ৰতিবাদী সমদলে নগাঁৱৰ ৰাজপথ উত্তাল কৰি তোলে। উল্লেখ্য যে নিজস্ব কলা-সংস্কৃতিৰে ভৰপূৰ চাওতাল জনগোষ্ঠীৰ অস্তিত্ব ক্ৰমাৎ সংকটাপন্ন হোৱাৰ আশংকাত চাওতাল ছাত্ৰ সন্থাই জনগোষ্ঠীৰ নিজা পৰিচয় আৰু অধিকাৰ প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। প্ৰতিবাদকাৰীসকলে নগাঁও চহৰৰ নেহৰুবালিৰ পৰা জিলা উপায়ুক্ত কাৰ্যালয়লৈ সাংস্কৃতিক প্ৰতিবাদী সমদল উলিয়াই চাহ জনগোষ্ঠীৰ পৰা পৃথক কৰি চাওতাল জনগোষ্ঠীক সুকীয়া স্বীকৃতি প্ৰদান কৰা, চাওতাল জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৰকাৰক এক দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত কৰা, চাওতালী ভাষাৰ শিক্ষক নিযুক্তি দিয়া আদি দাবী সম্বলিত এখন স্মাৰক-পত্ৰ অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে।



# ডিব্ৰুগড়ৰ ফুলামপুৰ যুৱ সমাজৰ উদ্যোগত সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৩ জুন ঃ** ২০২১-২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয় এই অনুষ্ঠানত। ইয়াৰ লগতে সংবাদ আৰু সাংস্কৃতিক ক্ষেত্ৰখনলৈ অৱদান আগবঢ়োৱা 'দৈনন্দিন বাৰ্তা' গোষ্ঠীৰ মুখ্য পৰিচালন সঞ্চালক তথা স্বত্বাধিকাৰী শংকৰ গোহাঞিং আৰু বিশিষ্ট বাঁহীবাদক লক্ষ্মীনন্দন লাহনক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সাহিত্যিক ডঃ শশীকান্ত শইকীয়া। এই অনুষ্ঠানৰ আঁত ধৰে যুৱ সাংবাদিক সন্থা অসমৰ সাধাৰণ সম্পাদক কাঞ্চন কে গোহাঁয়ে।

# শিৱসাগৰত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদ্‌যাপনৰ বাবে বিশাল প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া, শিৱসাগৰ, ১৩ জুন ঃ** অহা নৱেম্বৰ মাহৰ প্ৰথম পষেকত ঐতিহাসিক শিৱসাগৰৰ জয়সাগৰত জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰ, বৃহত্তৰ জয়সাগৰবাসী ৰাইজৰ উদ্যোগত, লগতে শিৱসাগৰবাসী ৰাইজৰ সহযোগত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদ্‌যাপন কৰিবৰ কাৰণে আয়োজন কৰা হৈছে। যোৱা ২৯ মে'ত জয়সাগৰ হোটেল ডিঅ' ভলেন্টত প্ৰায় দুই শতাধিক ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হোৱা এক ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে এই বৰ্ষৰ নৱেম্বৰ মাহত সাতদিনীয়াকৈ সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদ্‌যাপন কৰা হ'ব। চিতু বৰুৱাই আঁত ধৰা উক্ত সভাখনত সভাপতিত্ব কৰে জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি সুশীল বৰুৱাই। উক্ত সভাতেই গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তক সভাপতি, সমাজকৰ্মী মানসজ্যোতি সন্দিকৈক কাৰ্যকৰী সভাপতি, যুৱ নেতা চিতু বৰুৱা আৰু নিতুল শইকীয়াক যুটীয়া সম্পাদক হিচাপে লৈ ৫১জনীয়া মূল সমিতি আৰু ১২খন উপসমিতি গঠন কৰা হয়। আজি জয়সাগৰ তিনিআলিত জয়সাগৰ সাংস্কৃতিক কেন্দ্ৰত সদৌ অসম ভাওনা প্ৰতিযোগিতা আৰু ৰাস উদ্‌যাপন সমিতিৰ কাৰ্যালয় উদ্বোধনৰ লগতে বন্তিপ্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি ড° সব্যসাচী মহন্তদেৱৰ লগতে বিশিষ্ট শিক্ষাবিদ খগেশ্বৰ শইকীয়া, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন, বিশিষ্ট সমাজকৰ্মী সুশীল বৰুৱাদেৱে। উক্ত অনুষ্ঠানটোত উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মানসজ্যোতি সন্দিকৈ, যুটীয়া সম্পাদক চিতু বৰুৱা, নিতুল শইকীয়া, ভাওনা প্ৰতিযোগিতা উপসমিতিৰ সভাপতি ৰঞ্জিত দত্ত, সম্পাদক সপোন বৰা, আনন্দ কুমাৰ বৰা, প্ৰাঞ্জল প্ৰতিম খনিকৰ, জোনটি বৰা, ব্ৰজেন কলিতাকে ধৰি বিভিন্নজনে অতিথিসকলক শুশ্ৰূষা কৰে। কাৰ্যালয় উদ্বোধন অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী প্ৰদীপ গগৈ, বিশিষ্ট সাংবাদিক মনোজ কুমাৰ গগৈ, এনামউদ্দিন আহমেদ, ইনামুল হাজৰিকা, প্ৰাঞ্জল পূজাৰী, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি বসন্ত গগৈ, সমাজকৰ্মী চন্দন ফুকন, পৰাগ বড়া, প্ৰবীণ দত্তকে ধৰি বিভিন্নজন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি এভাগি ভাগৱত পাঠেৰে উদ্যোক্তসকলে প্ৰভু ভগৱন্তক স্মৰণ কৰে। লগতে এই মহান অনুষ্ঠানভাগি উদ্‌যাপনৰ ক্ষেত্ৰত জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে সমূহ ভক্তপ্ৰাণ ৰাইজৰ অকুণ্ঠ সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ একান্তই কামনা কৰাৰ লগতে ভাওনা প্ৰতিযোগিতাৰ বাবে ৯৪৩৫০৫৭৩২২, ৯৮৫৪১৩০১৩৫, ৮৬৩৮২৭০৩৭২, ৯১০১২৫৭৫১২, ৯৯৫৭২৮৭৭৮০, ৮৮২২৩৩৪৮৮৭, ৯৯৫৪৩০২৭০৬, ৯১০১২৪৬২৮৯ নম্বৰকেইটাৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

অধিগাম শিক্ষা কেন্দ্ৰৰ উদ্যোগত প্ৰশাসনিক সেৱাৰ কৰ্মশালা

# প্ৰশাসনীয় বিষয়া হ'বলৈ হ'লে অধ্যৱসায়, একাণপতীয়া প্ৰচেষ্টাৰ খুবেই প্ৰয়োজন ঃ মনীষা নাথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৩ জুন ঃ** প্ৰশাসনীয় বিষয়া হ'বলৈ হ'লে অধ্যৱসায়, একাণপতীয়া প্ৰচেষ্টা, ধৈৰ্যৰ অতীৱ প্ৰয়োজন। প্ৰস্তুতি চলাইছে যেতিয়া পৰীক্ষাত বহিবলৈ মন বন্ধা। শিক্ষাৰ্থীসকলক উদ্দেশ্যি হৰিশিঙা ৰাজহ চক্ৰ বিষয়া মনীষা নাথে কয়— শাৰীৰিক, মানসিক বিকাশত প্ৰভূত অৰিহণা আগবঢ়োৱাৰ উদ্দেশ্যে, লগতে থিয়েটাৰ ইন এডুকেশ্যনৰ শিক্ষা প্ৰদান কৰি অহা শৈক্ষিক প্ৰতিষ্ঠানটোৱে পিছপৰা অঞ্চলৰ শিক্ষাৰ্থীসকলক সৰ্বভাৰতীয় বা অসম অসামৰিক পৰীক্ষাসমূহত সুখ্যাতিৰে উত্তীৰ্ণ হ'ব পাৰে তাৰে এটা প্ৰয়াস হিচাপে আজি প্ৰশাসনীয় পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কীয় এটি কেন্দ্ৰৰ শুভ উদ্বোধন কৰি এইদৰে কয় মনীষা নাথে। শিক্ষা কেন্দ্ৰটোৰ অধ্যক্ষ জ্যোতিষ চন্দ্ৰ চৌধুৰী আৰু সঞ্চালক, নাট্যকৰ্মী অৰূপজ্যোতি ৰাভাই আঁত ধৰা অনুষ্ঠানটিত গুৱাহাটীৰ পৰা আমন্ত্ৰিত প্ৰশিক্ষক অমনে শিক্ষাৰ্থীসকলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কীয় বিভিন্ন দিশ ব্যাখ্যা কৰে। তেখেতৰ জ্ঞানগভীৰ আলোচনাত



প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ হ'লে বাৰে বাৰে অকৃতকাৰ্য হ'বলৈ ধৈৰ্য আৰু সাহসৰ অত্যন্ত প্ৰয়োজন। টংলাস্থিত চমুৱাপাৰা অধিগাম শিক্ষা কেন্দ্ৰক এনেকুৱা এটি সুন্দৰ মহৎ প্ৰয়াস কৰাৰ বাবে উচ্চ প্ৰশংসা কৰে। ওদালগুৰি জিলাৰ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক, শিক্ষাৰ্থীসকলে অনুপ্ৰেৰণা লাভ কৰা বুলি শিক্ষাৰ্থীসকলে জানিবলৈ দিয়ে। ৩৫গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা শুভ উদ্বোধন অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ মাৰ্ক লাভ কৰি কৃতিত্বৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ ৰাজজ্যোতি কছাৰীক সম্বৰ্ধনা জ্ঞাপন কৰে।






শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি